www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❒ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

পৃথিৱীত কিবা ডাঙৰ কাম কৰিব খুজিলে জীৱনৰ আগডোখৰত সাধনা কৰিবই লাগিব আৰু সাধনাৰ সাৰুৱা ক্ষেত্ৰ হৈছে নীৰৱতা। — ড° বাণীকান্ত কাকতি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ১৪৪ ❒ বুধবাৰ ❒ ১১ মাৰ্চ, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 144 ❒ Wednesday ❒ 11th March, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

ৰকিবুল হুছেইনে কংগ্ৰেছক "মুছলিম লীগ" বনাই দিছেঃ আজমল

## চৰ্ত সাপেক্ষে কংগ্ৰেছত চামিল হ'বলৈ প্ৰস্তুত এ.আই.ইউ.ডি.এফ.

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ দিন যিমানেই চমু চাপি আহিছে, ৰাজনৈতিক উত্তাপ তথা পাৰস্পৰিক অভিযোগ-প্ৰত্যুত্তৰ সিমানেই বাঢ়ি গৈ আছে। এইবাৰ এ আই ইউ ডি এফৰ প্ৰধান তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে কংগ্ৰেছ দলৰ ভিতৰুৱা ৰাজনীতিৰ ওপৰত তীব্ৰ সমালোচনা কৰি বিস্ফোৰক মন্তব্য কৰিছে। তেওঁৰ মতে, কংগ্ৰেছ ❒ ৬ পৃষ্ঠাত

▪ নলবাৰীত কংগ্ৰেছ কৰ্মীৰ ওপৰত বিজেপি কৰ্মীৰ আক্ৰমণৰ অভিযোগ ▪

## অশোক শৰ্মাসহ কেইবা গৰাকী কংগ্ৰেছ কৰ্মীক নিশা আটক কৰি দিনত মুকলি



**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী, ১০ মাৰ্চ ঃ** নলবাৰী জিলাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ 'জন আশীৰ্বাদ যাত্ৰা'ৰ সময়ছোৱাত কংগ্ৰেছ দলৰ নেতা-কৰ্মীৰ ওপৰত বিজেপি কৰ্মীয়ে আক্ৰমণ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰ প্ৰতিবাদত নলবাৰী সদৰ থানাৰ সন্মুখত কংগ্ৰেছ কৰ্মীসকলে উত্তাল প্ৰতিবাদ ❒ ৬ পৃষ্ঠাত

উচ্চ পৰ্যায়ৰ বৈঠক, অত্যাৱশ্যকীয় সামগ্ৰী আইন কাৰ্যকৰী কৰি ঘৰুৱা গ্ৰাহকক অগ্ৰাধিকাৰ

# মধ্যপ্ৰাচ্যৰ যুদ্ধৰ প্ৰভাৱত দেশত ৰন্ধন গেছৰ সংকট



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** পশ্চিম এছিয়াত চলি থকা ইৰান-ইজৰাইল-আমেৰিকাৰ সংঘাতৰ ফলত বিশ্ব শক্তি বজাৰত অস্থিৰতা আৰু যোগান শৃংখলত ব্যাঘাতৰ আশংকাই ভাৰতত ৰন্ধন গেছ (এলপিজি)ৰ যোগানত সম্ভাব্য সংকটৰ উদ্বেগ সৃষ্টি কৰিছে। এই পৰিস্থিতিৰ মাজতে মঙলবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত দেশৰ এলপিজি যোগানৰ বৰ্তমান পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে পশ্চিম এছিয়াৰ সংঘাতৰ বাবে শক্তি যোগানত হ'ব পৰা সম্ভাব্য ❒ ৬ পৃষ্ঠাত

❒ ৫.৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেঁতুখনে যান-জঁট হ্ৰাস কৰাৰ আশা ❒

## অসমৰ আটাইতকৈ দীঘল উৰণ সেতু 'মহাৰাজ পৃথু' মুকলি



৮৫০ কোটি টকা ব্যয়ত ২৮ মাহত সম্পূৰ্ণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১০ মাৰ্চ ঃ** মঙলবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত অসমৰ আটাইতকৈ দীঘল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম ব্যয়বহুল উৰণ সেতু 'মহাৰাজ পৃথু' আনুষ্ঠানিক-ভাৱে উদঘাটন ❒ ৬ পৃষ্ঠাত

## অসমৰ হাজাৰ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে স্বস্তিৰ খবৰ

## পাৰস্পৰিক বদলি প্ৰক্ৰিয়াত বৃহৎ সংশোধন, দুবছৰীয়া নিষেধাজ্ঞা প্ৰত্যাহাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** অসমৰ হাজাৰ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে উল্লেখযোগ্য স্বস্তিৰ খবৰ আহিছে। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে শিক্ষকসকলৰ পাৰস্পৰিক বদলি প্ৰক্ৰিয়াত ❒ ৬ পৃষ্ঠাত

নিৰ্বাচনৰ পূৰ্বে মহিলা ভোটাৰলৈ বৃহৎ আৰ্থিক সাহায্য

## ৪০ লাখ অৰুণোদয় হিতাধিকাৰীৰ একাউণ্টত সোমাল ৩৬০০ কোটি টকা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰাক্কালত ৰাজ্য চৰকাৰে এক অভিলেখগত পদক্ষেপ গ্ৰহণ কৰিলে। মঙলবাৰে একেদিনাই প্ৰায় একে সময়তে ৰাজ্যৰ প্ৰায় ৪০ লাখ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী মহিলাৰ বেংক ❒ ৬ পৃষ্ঠাত

সামাজিক মাধ্যমত প্ৰচাৰিত উৰাবাতৰিৰ প্ৰতি সতৰ্ক কৰি বিবৃতি জাৰি

## অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ তাৰিখ সন্দৰ্ভত ভুৱা খবৰ অস্বীকাৰ মুখ্য নিৰ্বাচনী বিষয়াৰ


**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** অসমৰ মুখ্য নিৰ্বাচনী বিষয়া (CEO)য়ে সামাজিক মাধ্যমত সমাগত অসম ❒ ৬ পৃষ্ঠাত

▪ চন্দ্ৰপুৰত স্থাপন হ'ব ISROৰ কেন্দ্ৰ ▪

## বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ অৰ্থে সোণাপুৰত বিজ্ঞান নগৰী উদ্বোধন

**অসম বাৰ্তা, সোণাপুৰ, ১০ মাৰ্চ ঃ** বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে সোণাপুৰৰ টেপেচীয়াত ২৫০ বিঘা মাটিত স্থাপন কৰা বিজ্ঞান নগৰী, গুৱাহাটীৰ আজি আনুষ্ঠানিক শুভ উন্মোচন কৰে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই। ❒ ৬ পৃষ্ঠাত





হলথ চিটি হস্পিটেলত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰিলে বিশিষ্ট নেতাজনে

## প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী বীৰেন সিং ইংতিৰ দেহাৱসান

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১০ মাৰ্চ ঃ** অসমৰ ৰাজনীতিৰ প্ৰবীণ নেতা আৰু প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী বীৰেন সিং ইংতিয়ে আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত (হেলথ চিটি হস্পিটেল) শেষ নিশ্বাস ত্যাগ ❒ ৬ পৃষ্ঠাত



মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা; কংগ্ৰেছক তীব্ৰ কটাক্ষ, 'জন আশীৰ্বাদ যাত্ৰা'ত অভূতপূৰ্ব সমৰ্থন

## ১১ৰ পৰা ১৫ মাৰ্চৰ ভিতৰত চূড়ান্ত হ'ব বিজেপিৰ প্ৰাৰ্থী তালিকা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** আসন্ন অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ ৰাজ্যিক নেতৃত্বই ঘোষণা কৰিছে যে ভাৰতীয় জনতা পাৰ্টিয়ে ১১ মাৰ্চৰ পৰা ১৫ মাৰ্চৰ ভিতৰত নিৰ্বাচনী ❒ ৬ পৃষ্ঠাত



ধিং সমষ্টিৰ বিবাদত ভাঙিল মিত্ৰতাৰ আলোচনা; ৰাইজৰ দলৰ স্বতন্ত্ৰ পথ!

## ৰাইজৰ দল-কংগ্ৰেছ মিত্ৰতাৰ সম্ভাৱনা শেষ



কংগ্ৰেছে আমাক ঠগিলে; অখিল গগৈৰ ক্ষোভ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** আসন্ন ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধী ঐক্যৰ সম্ভাৱনাত আঘাত হানিছে। ৰাইজৰ দলৰ ❒ ৬ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak,
former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ASBM



ADMISSION 2019 - 21
POST GRADUATE PROGRAMME IN MANAGEMENT
14th Batch | PGDM
TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in
Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

“বৰ্তমান আছু লক্ষ্যচ্যুত, ৰাইজৰ কথা হৃদয়ংগম কৰাত ব্যৰ্থ হৈছে”

# মঙলদৈত প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, দৰং জিলা সমিতিৰ বিশেষ সাধাৰণ সভা

**অসম বাৰ্তা, মঙলদৈ, ১০ মাৰ্চ ঃ** “বৰ্তমান সদৌ অসম ছাত্ৰ সন্থা কিছু ক্ষেত্ৰত লক্ষ্যচ্যুত হৈছে। ৰাইজৰ মনৰ কথা হৃদয়ংগম কৰিব নোৱাৰা হৈছে। যাৰফলত ফলত আমাৰ সকলোৰে মৰমৰ আৰু আদৰৰ আছু এতিয়া বিতৰ্কৰ মাজত সোমাই পৰিছে। যিটো আমাৰ কাম্য নাছিল।” এই ভাষ্য সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা, বিশিষ্ট অধিবক্তা নেকিবুৰ জামানৰ। কালি দৰং জিলা পৰিষদৰ সভাকক্ষত প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, দৰং জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত এখন বিশেষ সাধাৰণ সভাত অংশগ্ৰহণ কৰি তেওঁ লগতে কয়- এতিয়াৰ আছু নেতাই চাৰি পাঁচখন ইন'ভা গাড়ী লৈ আন্দোলন কৰিব যায়। ছাত্ৰ-ছাত্ৰী, ৰাইজৰ তথা অসমৰ সমস্যাৰ ক্ষেত্ৰত তেওঁলোক প্ৰায় বাকৰুদ্ধ। অসম আৰু অসমীয়া জাতিৰ দুৰ্যোগৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ বিভিন্ন স্তৰত থাকি নিষ্ঠা আৰু সততাৰে জাতিৰ সেৱা কৰা সতীৰ্থসকলৰ ব্যক্তিগত কৰ্মময় জীৱনৰ ব্যস্ততাত এসময়ৰ মানৱীয় সম্পৰ্কবোৰৰ আঁত হেৰাই যোৱা সম্পৰ্কত তেওঁ কয় যে, হেৰাই যাব ধৰা মানৱীয় সম্পৰ্কসমূহ পুনৰ প্ৰতিষ্ঠা কৰি প্ৰাক্তন সতীৰ্থ সকলৰ আৰ্থ - সামাজিক প্ৰগতি আৰু বিকাশৰ যোগেদি জাতীয় জীৱনৰ উত্তৰণত বলিষ্ঠ ভূমিকা পালন কৰিবলৈ অৰাজনৈতিকভাৱে গঠন হোৱা ‘প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন’ৰ জৰিয়তে সামাজিক কাম কাজবোৰ আগবঢ়াই নিয়াৰ আশা বুকুত বান্ধি ৰাখিছো। তেওঁৰ লগতে ৮৫৫জন ছহিদৰ প্ৰকৃত মূল্য আমি আজিলৈ দিব পৰা নাই বুলি উল্লেখ কৰি কয় যে, ১৯৫১ চনটো ভিত্তি বৰ্ষ নকৰি অসম চুক্তিত ১৯৭১ চনটো ভিত্তি বৰ্ষ কিয় কৰা হ'ল ? অসম চুক্তিক নস্যাৎ কৰি কিয় ‘কা’ অসমত জাপি দিয়া হ'ল ? কিয় অসম চুক্তিৰ ৬ নং দফা আৰু ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন আজিলৈ কাৰ্যকৰী কিয় কৰা নহ'ল বুলি প্ৰশ্ন উত্থাপন কৰে। প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, দৰং জিলা সমিতিৰ সভাপতি মুকুন্দ ডেকাই সভাপতিত্বত কৰা এই সভাত আছুৰ প্ৰাক্তন সভাপতি প্ৰবীণ বড়োই কয় যে, আছু সদায় শক্তিশালী হৈ থকাটো বিচাৰো। যুগৰ পৰিবৰ্তনৰ লগে লগে তেওঁলোকে আমাৰ দৰে চাইকেল চলাই আছু নকৰি দামী গাড়ীত উঠিলেও আমাৰ আপত্তি নাথাকিব; যদিহে তেওঁলোকে আছুৰ লক্ষ্য আৰু উদ্দেশ্যৰ পৰা বিচলিত নহয়। কিন্তু কিছুমান কৰ্মকাণ্ডৰ বাবে বহুতেই এতিয়া আছুক লৈ বিভিন্ন প্ৰশ্ন উত্থাপন কৰিবলৈ সুযোগ সুবিধা পোৱাটো ভাল কথা নহয় বুলি তেওঁ কয়। প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, দৰং জিলা সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ ডেকা আৰু সাধাৰণ সম্পাদক উদ্ধৱ ডেকাই আঁত ধৰা আৰু অৰূপ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা এই সভাত প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, অসমৰ সাধাৰণ সম্পাদক কমলেশ ডেকাই কয় যে, আমাৰ মাতৃ সংগঠন হৈছে ‘আছু’। আছুৰ লগত সংঘাত সৃষ্টি আমাৰ লক্ষ্য আৰু উদ্দেশ্য নহয়; আমাৰ উদ্দেশ্য হৈছে প্ৰাক্তন আছু নেতা কৰ্মীক একত্ৰিত কৰি তেওঁলোকৰ সুখ দুখৰ লগৰী হোৱা আৰু অসম আৰু অসমীয়াৰ স্বাৰ্থত গঠনমূলক কিছু কাম কৰা। অসমৰ ৩৩খন জিলাৰ ভিতৰত ২৯খন জিলাত জিলা সমিতি গঠন হোৱাৰ তথ্য দাঙি ধৰি তেওঁ কয়- আমি বিভিন্ন ৰাজনৈতিক, অৰাজনৈতিক মঞ্চত থাকিলেও প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলনত উপস্থিত হৈ এক মন, এক উদ্দেশ্য লৈ আমি আগুৱাই যাবলৈ প্ৰয়াস কৰিছো। যিসকল প্ৰাক্তন আছু নেতাই এক দুৰ্বিষহ জীৱন যাপন কৰিছে তেওঁলোকক অলপ সাহস, অলপ প্ৰেৰণা দিবলৈ চেষ্টা কৰিছো। সভাত প্ৰাক্তন আছু নেতা ইদুল হক, যতীন ডেকা, জয়কান্ত শৰ্মা, অৰূপ কলিতা, হৰেন ডেকাসহ শতাধিক প্ৰাক্তন আছু নেতা উপস্থিত থাকে।

বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা দহগৰাকী মহিলাক সম্বৰ্ধনা

# ডিব্ৰুগড়ত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত আন্তৰ্জাতিক নাৰী দিৱস পালন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ মাৰ্চ ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ উত্তৰ পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰ আৰু ইষ্টাৰ্ণ হেৰিটেজৰ যৌথ উদ্যোগত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক নাৰী দিৱসত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-ক্ৰীড়া-শিক্ষা-উদ্যোগী-সমাজ কৰ্মীসহ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ১০ গৰাকী বিশিষ্ট মহিলাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ডিব্ৰুগড় শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত সন্ধিয়াৰে পৰা অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অনুষ্কা সোণোৱালে আতঁধৰা অনুষ্ঠানত ইষ্টাৰ্ণ হেৰিটেজৰ প্ৰতিষ্ঠাপক ৰুমী বৰশইকীয়া দাসে আদৰণি ভাষণ প্ৰদান কৰে। মালা পাংগিংয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পঞ্জীয়ক পংকজ বৰঠাকুৰসহ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বয়ন শিল্পৰ জৰিয়তে অসমক গৌৰৱান্বিত কৰা পদ্মশ্ৰী তথা অসম গৌৰৱ বঁটা প্ৰাপক হেমপ্ৰভা চুতীয়া, বিশিষ্ট সমাজকৰ্মী জ্যোৎস্না সোণোৱাল, সংগীত নাটক অকাডেমী বঁটা প্ৰাপক মিছিং জনগোষ্ঠীয় ঐনিতমৰ ৰাণী খ্যাত ধেমাজিৰ তৰাৱতী মিলি বড়ী, বিশিষ্ট শিক্ষাবিদ, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা জোনাইৰ বীণাপাণি পেগু, বিশিষ্ট চাহ খেতিয়ক জাগুনৰ মুহিমাই মিলি, সুদক্ষ বিষয়া ডিব্ৰুগড় জিলা উন্নয়ন বিষয়া নন্দিতা বৰুৱা, অসমীয়া ভাষা সাহিত্যলৈ কেইবাখনো উল্লেখযোগ্য উপন্যাসেৰে অৱদান আগবঢ়োৱা জুৰি বৰা বৰগোহাঞিং, ডিব্ৰুগড় শংকৰদেৱ চিকিৎসালয়ৰ পৰিচালন সঞ্চালক কাঞ্চন দৌৱে মহন্ত, বিশিষ্ট দৌৰবিদ জোনালী পাটিৰ দলে আৰু এ এ ডব্লিউৰ পি এৰ প্ৰতিষ্ঠাপক সভাপতি ৰিস্মা ওৰাঙক সম্বৰ্ধনা জ্ঞাপন কৰে। অংগবস্ত্ৰ, স্মাৰক আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে সকলোকে। আনহাতে নাৰী দিৱসৰ কাৰ্যসূচীত চুবুৰীয়া ৰাজ্য মণিপুৰ, নাগালেণ্ডৰ সাংস্কৃতিক দলৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰা লগতে অসমৰ চাহ জনগোষ্ঠীয় ঝুমুৰ, জেং বিহু কে ধৰি কেইবাটাও লোকনৃত্য জৰিয়তে সৌষ্ঠৱ বৃদ্ধি কৰা লগতে কেইবাটাও সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আৰম্ভণিতে এটা বৰগীত আৰু ইষ্টাৰ্ণ হেৰিটেজৰ মহিলা সকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে অনুষ্ঠান জীপাল কৰি তোলে। কাৰ্যসূচীত ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়া ছেমি শইকীয়া, বিশিষ্ট লেখক হৃদয়ানন্দ মহন্ত, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইসহ উত্তৰ পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

## বিভিন্ন ক্ষেত্ৰৰ নাৰীক সম্বৰ্দ্ধনা জনালে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ঢেকিয়াজুলি শাখা সমিতিয়ে

# শ্বহীদ নগৰী ঢেকীয়াজুলি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১০ মাৰ্চ ঃ** আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে প্ৰতি বছৰৰ দৰে এইবছৰো সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ঢেকিয়াজুলি শাখা সমিতিয়ে অতি গাম্ভীৰ্যপূৰ্ণভাৱে দিৱসটো উদযাপন কৰে। ৮ মাৰ্চ তাৰিখে পুৱা ১০ বজাৰ পৰা ঢেকিয়াজুলি শাখাৰ লেখিকাৰ নিজা ভৱনত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে শাখাৰ উপদেষ্টা দিপালী বৰাই। সম্পাদিকা অঞ্জনা শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে শাখাৰ স্থায়ী সভাপতি ৰুণজুন নাথে। অনুষ্ঠানৰ আৰম্ভণিতে লেখিকা সমাৰোহ সমিতিৰ সদস্যাসকলে এটি সমবেত সংগীত পৰিৱেশন কৰে। তাৰ পিছতেই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা অঞ্জনা শইকীয়াই। সভাপতিৰ আসন গ্ৰহণ কৰাৰ পিছতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি ড° শীলা বৰঠাকুৰৰ একমাত্ৰ পুত্ৰ ড° সঞ্জীৱ বৰঠাকুৰ আৰু ঢেকিয়াজুলিৰ এগৰাকী অসম আন্দোলনৰ গুৰি ধৰোঁতা তথা বিভিন্ন দল-সংগঠন আৰু সামাজিক অনুষ্ঠানৰ সৈতে জড়িত ৯৮ বছৰীয়া ভোগেশ্বৰী দেৱীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰি মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। নাৰীৰ বাবে বিশেষ দিন হিচাপে উদ্‌যাপিত এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত স্বকীয় প্ৰতিভাৰে ঢেকিয়াজুলিলৈ গৌৰৱ কঢ়িয়াই অনা চাৰিগৰাকী নাৰীক আনুষ্ঠানিক সম্বৰ্দ্ধনা জনোৱা হয়। সম্বৰ্ধনা লাভ কৰা নাৰীকেইগৰাকী হৈছে— পলিমা বি. চেতিয়া (লেখিকা আৰু সাংবাদিক), ৰাণু শৰ্মা (জ্যেষ্ঠ আয়তী, শংকৰ মন্দিৰ নামঘৰ), মিনতি লহকৰ দাস (জ্যেষ্ঠ খেলুৱৈ) আৰু পলী নূপুৰ হাজৰিকা (লেখিকা)। অনুষ্ঠানটিত গীত পৰিৱেশন কৰে কৃষ্ণাশ্ৰী শৰ্মা বৰা আৰু অৰ্চনা শৰ্মাই। দিনটোৰ লগত সংগতি ৰাখি নাৰীৰ মৰ্যাদা আৰু অৱদানক কেন্দ্ৰ কৰি এটি স্বৰচিত কবিতা পাঠ কৰে ৰিজু দেৱীয়ে। সভাত উপস্থিত থাকে ঢেকিয়াজুলি পৌৰ সভাৰ প্ৰাক্তন পৌৰনেত্ৰী তথা বৰ্তমানৰ উপ পৌৰনেত্ৰী তুলিকা শইকীয়া, উপদেষ্টা আৰতি কলিতা, মঞ্জু দেৱী, দিপালী বৰা আদিৰ লগতে বিভিন্ন বিষয়-ববীয়া সদস্যাসকলৰ ভিতৰত মীৰা বৰগোহাঁই শইকীয়া, দীপামণি ফুকন, ৰাণী ভট্ট, বিনু শইকীয়া, মল্লিকা বৰা, ৰুণিমা বৰা, ৰূপা দত্ত, ৰঞ্জনা চৌধুৰী, ডেইজী শইকীয়া, জুৰি বৰ্মণ, জুৰিত জ্যোতি বৰা, অলকা দেৱী আদিকে ধৰি ঢেকিয়াজুলিৰ বহু বিশিষ্ট মহিলা। প্ৰায় অৰ্ধশতাধিক মহিলাই সভাত অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ শেষত সকলোয়ে অসম সংগীত পৰিৱেশন কৰি অনুষ্ঠানটোৰ সফল সামৰণি মাৰে।

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ উদ্যোগত নাৰী দিৱস পালন

**অসম বাৰ্তা, ছৈখোৱা, ১০ মাৰ্চ ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদ, তিনিচুকীয়া জিলা সমিতিৰ সৌজন্যত তালাপ-ডাঙৰী-ছৈখোৱা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু শাখা সমিতি তথা দাইছা বাসী ৰাইজৰ সহযোগত দাইচা ৰাজহুৱা খেল পথাৰত নাৰী দিৱস পালন কৰা হয়। পুৱাৰ ভাগত পৰিষদৰ পতাকা উত্তোলন কৰে জাতীয় মহিলা পৰিষদৰ দাইছা-ছৈখোৱা আঞ্চলিক সমিতিৰ সভানেত্ৰী নিৰু বৰপাত্ৰগোঁহাইয়ে। স্মৃতি তৰ্পণ কৰে সাধাৰণ সম্পাদিকা ৰিজু বৰুৱাই আৰু ড° ভূপেন হাজৰিকা আৰু অসমীয়া হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত কেইবাজনো সমাজকৰ্মী আৰু স্থানীয় ৰাইজে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে। পুৱাৰ ভাগত মহিলা সকলৰ মাজত ভেকচন, সংগীত চকী, সংগীত, জাতীয় সাজ-পাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা উদ্বোধন কৰে অঞ্জুমনি দত্ত কাকতিয়ে। ইয়াৰ লগে লগে আবেলি ৩ বজাত মুকলি সভা, বঁটা বিতৰণী সভা আৰু সম্বৰ্ধনা অনুষ্ঠান ৰখা হয়। সভাত ১০ গৰাকী জ্যেষ্ঠ মহিলাক সম্বৰ্ধনা জনোৱা হয়। আজিৰ মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মায়া ৰাণী লাহন গগৈ। মুখ্য অতিথি হিচাপে উপস্থিত থাকে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সন্মানীয় সাধাৰণ সম্পাদক সুৰজিত মৰাণ। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে পৰিষদৰ তিনিচুকীয়া জিলাৰ সন্মানীয় সাধাৰণ সম্পাদক কল্যাণ জ্যোতি মৰাণ। পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ যুটীয়া সম্পাদক বাবুল আহমেদ। সাংগঠনিক সম্পাদক মাধুৰ্য চেতিয়া। ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণ। ৰূপম ভক্তিয়াৰী। পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভানেত্ৰী ৰূপজ্যোতি গোহাঁই। যুটীয়া সম্পাদিকা সৰুমাই ফুকন নেওগ। বিত্ত সম্পাদিকা কৃষ্ণা বৰপাত্ৰ গোহাঁই। মুকলি সভাত সভাপতিত্ব কৰে পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সন্মানীয় সভানেত্ৰী মৃণালী নেওগে লগতে সভাখনি আত ধৰে সাধাৰণ সম্পাদিকা পূৰবী তালুকদাৰে। বিচাৰক হিচাপে আসন অলঙ্কৃত কৰে কৰবী বৰুৱা পদ্মা মৰাণে।

চিলিণ্ডাৰ বিস্ফোৰণত ক্ষতিগ্ৰস্ত ১০টা পৰিয়াল

# লখিমপুৰৰ খেলমাটিত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, লীলাবাৰী, ১০ মাৰ্চ ঃ** উত্তৰ লখিমপুৰ চহৰৰ সমীপৱৰ্তী খেলমাটিত আজি এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি হোৱাৰ লগতে ১০টাকৈ পৰিয়ালৰ সপোনৰ ঘৰখন চকুৰ পচাৰতে ভস্মীভূত হয়। খেলমাটিৰ ১৪নং ৱাৰ্ডৰ অতুল চন্দ্ৰ ভূএগ পথত অৱস্থিত ফাৰুক আহমেদৰ ভাড়াতীয়া গৃহত প্ৰথমে চিলিণ্ডাৰৰ পৰা জুইৰ সূত্ৰপাত ঘটি মুহূৰ্তৰ ভিতৰতে জুই ১০টাকৈ পৰিয়ালৰ ঘৰলৈ বিয়পি পৰে। অগ্নি নিৰ্বাপক বাহিনী অহাৰ পূৰ্বেই বাসগৃহ সমূহত থকা ৩টাকৈ চিলিণ্ডাৰ বিস্ফোৰণ ঘটে। তাবাৰক আহমেদ, বুলবুল আহমেদ, পাৰভিজ আহমেদ, পাৰভিজৰ মাতৃৰ গৃহ, হীৰা সোণোৱালৰ গৃহকে ধৰি ১০টাকৈ পৰিয়ালৰ বাসগৃহ বিধ্বংসী জুইত সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱাৰ লগতে লক্ষাধিক টকাৰ সম্পত্তি ছাই হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, জুই ইমানেই ভয়াৱহ আছিল যে ঘৰৰ ভিতৰৰ পৰা কোনো সামগ্ৰী উলিয়াই আনিব পৰা নগ'ল। কাপোৰ-কানি, আচবাব, গুৰুত্বপূৰ্ণ নথি-পত্ৰৰ পৰা আৰম্ভ কৰি নগদ ধনলৈকে সকলো জুইত জাহ গৈছে আৰু অগ্নিকাণ্ডৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ কেইবা লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰে যে, পথটি অতি ঠেক হোৱাৰ বাবে অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী সোমোৱাত অসুবিধাৰ সন্মুখীন হৈছিল আৰু প্ৰায় ১০০ মিটাৰ দূৰৰ পৰাই জুই নিৰ্বাপনৰ চেষ্টা কৰা হৈছিল। সেয়ে ৮টা পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণ ৰূপে ভস্মীভূত হয় আৰু দুটা পৰিয়ালৰ বাসগৃহত আংশিকভাৱে জুইয়ে গ্ৰাস কৰে। স্থানীয় ৰাইজ আৰু অগ্নি নিৰ্বাপক বাহিনীৰ তৎপৰতাত জুই নিৰ্বাপন কৰা হয়, যদিও বৰ্তমান মুকলি আকাশৰ তলত আশ্ৰয় ল'বলগীয়া হৈছে দুৰ্ভগীয়া পৰিয়ালকেইটাই। প্ৰশাসনৰ তৰফৰ পৰা অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ তিৰ্পাল, চাউল, দালি, নিমখ, তেল যোগান ধৰা হৈছে বুলি সাংবাদিকক জানিবলৈ দিয়ে।

# পশ্চিম গভৰা আঁহতগুৰি হৰি মন্দিৰৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন

**অসম বাৰ্তা, পাথৰিঘাট, ১০ মাৰ্চ ঃ** পশ্চিম দৰংঙৰ পশ্চিম গভৰা আঁহতগুৰি হৰি মন্দিৰৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱসটি দিনযোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। তদুপলক্ষে পুৱা পতাকা উত্তোলন কৰে পশ্চিম গভৰা আঁহতগুৰি মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ভূগ্নেশ্বৰ কলিতাই। স্মৃতি তৰ্পণ কৰে আঁহতগুৰি শ্ৰীশ্ৰীহৰি মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক সুভাষ চহ্‌ৰীয়াই। আঁহতগুৰি হৰি মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ব্ৰজেন বড়া, খৰ্গেন কলিতা, নন্দি কলিতা, কালিচৰণ চহ্‌ৰীয়া আৰু আঁহতগুৰি হৰি মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক ললিত কলিতাই গছপুলি ৰোপণৰ পিছতেই ভাগৱত পাঠ আৰম্ভ হয়। দুপৰীয়া ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতিত সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। আঁহতগুৰি শ্ৰীশ্ৰীহৰি মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক সুভাষ চহ্‌ৰীয়াই আঁতধৰা অনুষ্ঠানত বিভিন্ন দিশত কৃতিত্ব অৰ্জনকৰা ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট দাতা সকলক সম্বৰ্ধনা জ্ঞাপন কৰে প্ৰতিষ্ঠা দিৱসত।

# বকোত সদ্য প্ৰয়াত শিক্ষাবিদ ড° গণেশ্বৰ চহৰীয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, বকো, ১০ মাৰ্চ ঃ** কামৰূপ জিলাৰ বকোস্থিত পি এম শ্ৰী বকো উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত ৰাজ্যৰ শৈক্ষিক গোট জ্ঞানম কামৰূপৰ দ্বাৰা প্ৰকাশিত তিনিমহীয়া জ্ঞানম ই-আলোচনীৰ ষষ্ঠ বৰ্ষৰ দ্বিতীয় সংখ্যাৰ উন্মোচনৰ লগতে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি তথা শৈক্ষিক গোট জ্ঞানম কামৰূপৰ সদ্য প্ৰয়াত উপদেষ্টা ড° গণেশ্বৰ চহৰীয়াদেৱলৈ সন্মান জনাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। ইয়াৰ উপৰিও কামৰূপ জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ উদ্যোগত আৰু বকো সাহিত্য সভা (শতদল শাখা), জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ অমৃত প্ৰভা ৰেঞ্জাৰ টীম আৰু জ্ঞানমৰ সহযোগত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। জ্ঞানমৰ সভানেত্ৰী তথা আকাশ উপ-সমিতিৰ আহ্বায়িকা সৰস্বতী দত্তই আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে আকাশ উপ-সমিতিৰ কাৰ্য্যকৰী সভানেত্ৰী তথা বকো সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী ড° বিজয়া ডেকাই আৰু তিনিওটি অনুষ্ঠান একেলগে অনুষ্ঠিত কৰা সম্পৰ্কে উদ্দেশ্য ব্যাখ্যা কৰে জ্ঞানমৰ সম্পাদক গিৰিণ দাসে। ইয়াৰ পিছত কামৰূপ জিলা সাহিত্য সভাৰ সদ্য প্ৰয়াত সভাপতি ড° গণেশ্বৰ চহ্‌ৰীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে কাৰ্য্যসূচীৰ শুভাৰম্ভণি কৰে জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ ভাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত শৰ্মাই আৰু ইয়াৰ পিছত উপস্থিত আটাইয়ে সদ্য প্ৰয়াত শিক্ষাবিদ ড° চহৰীয়াৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পিছত অসম সাহিত্য সভাৰ আৰম্ভণি গীত পৰিৱেশনৰ পিছতে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বক্তব্য আগবঢ়াই জ্ঞানম গোটৰ তত্ত্বাৱধায়ক তথা কামৰূপৰ জিলা আঁচনি বিষয়া ফুলপাহি নাথে। ইয়াৰ পিছত নাৰীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰে বিশিষ্ট অধিবক্তা পদুমী হাতখোৱা তালুকদাৰে। কামৰূপ জিলা সাহিত্য সভাৰ সদ্য প্ৰয়াত সভাপতি ড° গণেশ্বৰ চহৰীয়াক স্মৰণ কৰি নাৰী সৱলীকৰণৰ ওপৰত চমু বক্তব্য ৰাখে কামৰূপ জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধি আৰু বকো সাহিত্য সভাৰ সভাপতি নৃপেন ভাগৱতীয়ে। ড° চহৰীয়া ছাৰলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি নাৰী দিৱস আৰু সাম্প্ৰতিক সমাজ ব্যৱস্থাত ওপৰত এক সুন্দৰ বক্তব্য ৰাখে জ্ঞানমৰ মুখ্য উপদেষ্টা ড° অপূৰ্ব ঠাকুৰীয়াই। তেখেতে কয় যে বৰ্তমান সময়ত ছোৱালী পুষ্পিতা হোৱাৰ পিছত অধিক জাক-জমকতাৰ আয়োজন কৰা শান্তি বিবাহে এটি অশুভ পৰম্পৰাৰ সৃষ্টি কৰিছে। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে আগৰ সমাজ ব্যৱস্থাত লোৱা সাৱধানতা বা মাংগলিক অনুষ্ঠানৰ পৰিৱৰ্তে বৰ্তমান সময়ত অধিক টকা-পইচাৰ খৰচেৰে বিয়াৰ দৰে কৰা আয়োজনে ফুলকুমলীয়া প্ৰাক্-যৌৱনৰ ছোৱালীজনীৰ মনত কু-প্ৰভাৱ পেলায় আৰু সঠিক সময়ত পঢ়া-শুনা কৰাৰ সলনি বাল্য বিবাহৰ প্ৰতি আসক্তি এইবোৰ কাৰণতে বাঢ়ি আহিছে বুলি তেখেতৰ বক্তব্যত উল্লেখ কৰে। ইয়াৰ পিছত মালব্য দাসে সম্পাদনা কৰা ‘জ্ঞানম’ ই-আলোচনীৰ ষষ্ঠ বৰ্ষৰ দ্বিতীয় সংখ্যাটি প্ৰয়াত চহৰীয়দেৱৰ সহধৰ্মিনী তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ অৱসৰী উপাধ্যক্ষা ড° বিজয়া ডেকাই উন্মোচন কৰি এক আৱেগ ভৰা বক্তব্যৰে আকৌ এবাৰ ড° চহৰীয়া ছাৰক স্মৰণ কৰি সকলোকে আৱেগিক কৰি তোলে। গোটৰ সদস্যা মনবিনী দাসে আঁত ধৰা অনুষ্ঠানটিত আলোচনীখনৰ লেখাসমূহৰ ওপৰতো এক সম্যক আলোকপাত কৰে। গোটৰ সদস্য তীৰ্থমণি ডেকাই ড° চহৰীয়া ছাৰৰ স্মৃতি স্মৰণ কৰি শেষত শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানৰ মাজে মাজে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বকো সাহিত্য সভাৰ সদস্যা লিপিকা দাস আৰু অমৃত প্ৰভা ৰেঞ্জাৰ টীমৰ সদস্যা ক্ৰমে বন্দীতা ৰাভা আৰু কৰবী ঠাকুৰীয়াৰ দ্বাৰা এখনি চুটি নাটক পৰিৱেশন আৰু বৰিপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ ৰয়ে ড° চহৰীয়া ছাৰৰ স্মৃতিত স্ব-ৰচিত এটি কবিতা পাঠ কৰে। এটিকৈ গীত পৰিৱেশন কৰে ক্ৰমে কামৰূপ জিলা সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভানেত্ৰী ভানু চৌধুৰী ঠাকুৰীয়া আৰু বকো সাহিত্য সভাৰ সদস্যা অনন্যা দাসে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰাজেশ মহন্তৰ ছোৱালী তথা এইখন বিদ্যালয়ৰ পৰাই দশম শ্ৰেণীৰ শেষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ভূপালী মহন্তই বাঁহীবাদন কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে ৰমেশ চন্দ্ৰ ডেকা, বকো সাহিত্য সভাৰ উপ-সভাপতি গৌৰাংগ ঠাকুৰীয়া, প্ৰাক্তন সভাপতি সুৰেন চন্দ্ৰ কলিতা, বকো ৰাষ্ট্ৰভাষা মহাবিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ মহন্ত, বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতা, অৱসৰপ্ৰাপ্ত বন বিষয়া তথা বিশিষ্ট সংগীত শিল্পী প্ৰহ্লাদ বড়ো, কাঞ্চন লতা ৰাভা, কামৰূপ জিলা সাহিত্য সভাৰ ক্ৰমে কোষাধ্যক্ষ দিলিপ ঠাকুৰীয়া, যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতা, সাংগঠনিক সম্পাদকদ্বয় জয়ন্তজিৎ কলিতা আৰু দশৰথ ডেকা, বিদ্যালয়খনৰ সহকাৰী শিক্ষক দিবাকৰ কুমাৰ, নিম্ন বৰ্গৰ সহায়ক জগত চন্দ্ৰ দাস আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিৰঞ্জন ৰাভা, হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নীলমণি উপাধ্যায়ৰ উপৰিও বহু সংখ্যক বিশিষ্ট অতিথি। অনুষ্ঠানত শ্ৰদ্ধাৰ প্ৰয়াত ড° চহৰীয়াৰ ল'ৰা কিশলয় চহৰীয়া, শৈক্ষিক গোট জ্ঞানম, কামৰূপৰ বিষয়-ববীয়া তথা সদস্য-সদস্যা ক্ৰমে তন্দ্ৰা দে, পুতলা বৰা, নৱ কুমাৰ নাথ, সঞ্জীৱ কলিতা, পবিত্ৰ কৈৱৰ্ত্ত, চি আৰ পি এফৰ জোৱান নীলাক্ষী ৰাভাকে ধৰি বহুজনে অংশগ্ৰহণ কৰে।

# কম্পিউটাৰ বিষয়ক বিনামূলীয়া প্ৰশিক্ষণৰ আয়োজন

**অসম বাৰ্তা, যোৰহাট, ১০ মাৰ্চ ঃ** যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু এমট্ৰনৰ যোৰহাট শাখাৰ উদ্যোগত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ হোৱা শিক্ষাৰ্থীৰ বাবে কম্পিউটাৰ বিষয়ক সাত দিনীয়া বিনামূলীয়া প্ৰশিক্ষণৰ আয়োজন কৰিছে। যোৰহাট মুক্তি যুঁজাৰু ভৱনত অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণত কম্পিউটাৰ হাৰ্ডৱেৰ আৰু নেটৱৰ্কিং, চাইবাৰ নিৰাপত্তা, পাইথন প্ৰগেমিং, কোডিং, চি আৰু চি ডাবল প্লাছ, তথ্য প্ৰযুক্তি আদি বিষয়ত অভিজ্ঞ সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। সীমিত আসন থকা প্ৰশিক্ষণত অংশ গ্ৰহণৰ বাবে শিক্ষাগত প্ৰমাণ পত্ৰ, আধাৰ কাৰ্ড, একপি পাছপৰ্ট আকাৰৰ ফটো সহ ধীৰেন কুমাৰ গগৈ, জিলা সমন্বয়ক, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, দূৰভাষ ঃ ৭০০২৩০৩৯৭৬ বা ধ্ৰুৱ বৰা, এমট্ৰনৰ যোৰহাট শাখা, দূৰভাষ: ৮৪৭৩০৯৭৭৬৮ ঠিকনাত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# সুন্দৰপুখুৰী প্ৰাথমিক বিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ১০ মাৰ্চ ঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ উদ্যোগত, জ্ঞানোদয় শাখা সাহিত্য সভা, সুন্দৰ পুখুৰীৰ সহযোগত ৮ মাৰ্চত সুন্দৰপুখুৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগনত আন্তৰ্জাতিক নাৰী দিৱসটি জিলা সাহিত্য সভাৰ উপ-সভাপতি জীৱন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়। শাখাৰ সম্পাদক ৰমেন বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত শাখাৰ সভাপতি অচ্যুত কলিতাই। স্মৃতি তৰ্পণ কৰে জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অনিমা ৰাজখোৱা খনিকৰে। প্ৰাক্তন অধ্যক্ষ দেউকণ চাংমায়ে সভা উদ্বোধন কৰাৰ পাছত শাখাৰ আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মাধৱী দত্তই আদৰণী ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তা ড° লিপি ফুকনে নাৰী দিৱসৰ সকলো দিশ সামৰি সমাজৰ সামগ্ৰিক উন্নয়নত নাৰীৰ ভূমিকা সন্দৰ্ভত এটি সাৰগৰ্ভ আৰু মনোগ্ৰাহী বক্তৃতাৰে পুৰুষ নাৰী উভয়ে সমতা ৰক্ষা কৰি আগবাঢ়ি যাবলৈ সকলোকে আহ্বান জনায়। তেওঁ কয় যে, এখন সুস্থ আৰুপৰিশীলিত সমাজ সৃষ্টিৰ মূল চালিকা শক্তি হৈছে নাৰীসকল। বিশিষ্ট অতিথি হিচাপে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগ গগৈ, সাংগঠনিক সম্পাদক দিলীপ শইকীয়া আৰু সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈ উপস্থিত থাকে। নাৰী দিৱসৰ লগত সংগতি ৰাখি সোণ্দৰপুখুৰী অঞ্চলৰ এগৰাকী সাংস্কৃতিক কৰ্মী তথা প্ৰাক্তন শিক্ষয়িত্ৰী, সমাজসেৱিকা ভাৰতী শৰ্মাক শিৱসাগৰ জিলা আকাশ উপ-সমিতিয়ে এখনি সম্বৰ্ধনা পত্ৰ, এটি স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু অংগবস্ত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। এই সভাতে ২৭জন আজীৱন সভ্যৰ যোগদানেৰে জ্ঞানোদয় শাখা সাহিত্য সভাই অসম সাহিত্য সভাৰ স্বীকৃতি লাভ কৰে। জাতীয় সংগীত পৰিৱেশনেৰে সভা শেষ হয়।

# কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ, কমতাপুৰ ৰাজ্য পুনৰ গঠন প্ৰসংগত প্ৰতাৰণা

## কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ ক্ষোভ

**অসম বাৰ্তা, লীলাবাৰী, ১০ মাৰ্চ** ঃ ভাৰতীয় জনতা পাৰ্টি, কংগ্ৰেছ, অসম গণ পৰিষদ, বিপিএফ, ইউপিপিএলকে আদি কৰি অসমৰ মূলসুঁতিৰ প্ৰতিটো ৰাজনৈতিক দলেই ৰাজ্যখনৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ তথা কোচ ৰাজবংশী সকলৰ গৃহভূমি ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীৰ প্ৰসংগত হোঁহকা-পিছলা নীতি অৱলম্বন কৰি অহা কাৰ্যত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। ৰাজ্যৰ শক্তিশালী সংগঠনটোৰ শীৰ্ষ নেতৃত্বই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত উল্লেখ কৰে যে, অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান আৰু ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত সুদীৰ্ঘ কেইবাটাও দশক ধৰি সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। যদিও অসমৰ মূলসুঁতিৰ ৰাজনৈতিক দল বিজেপি, কংগ্ৰেছ, অগপ, বিপিএফ, ইউপিপিএল আদিৰ শাসনাধিষ্ঠিত প্ৰতিখন কেন্দ্ৰীয়, ৰাজ্য আৰু বিটিছি চৰকাৰে অসমৰ সহজ-সৰল ভূমিপুত্ৰ কোচ ৰাজবংশীসকলৰ ন্যাৰ্য, প্ৰাপ্য, মৰ্যাদা প্ৰদানৰ প্ৰসংগত কোনো গুৰুত্ব নিদিলে। আনকি জনগোষ্ঠীটোক জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্য পুনৰ গঠন বিষয়ক ভোটবেংক ৰূপে কেৱল ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰি অহা কাৰ্য অমানৱীয় আৰু অতি দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কেআৰএছএছৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি কাব্যপ্ৰাণ ৰূপজোতি দত্ত কোচে। উল্লেখযোগ্য যে, ১৯৯৬ বৰ্ষৰ ২৭ জানুৱাৰীত ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী পি.ভি. নৰসিংহ ৰাও চৰকাৰে অধিসূচনা জাৰি কৰি কোচ ৰাজবংশীসকলক জনজাতিকৰণ কৰি পৰৱৰ্তী সময়ত তিনিবাৰকৈ নবীকৰণ কৰি মূৰকত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰে সংসদত বিধায়ক উত্থাপন নকৰি প্ৰতাৰণাৰে জনগোষ্ঠীটোক চৰম বিশ্বাসঘাটতা কৰিলে। ১৯৯৭ বৰ্ষত কেন্দ্ৰীয় চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ তালিকাভুক্ত কৰিব পাৰি নে নোৱাৰি তাক অধ্যয়ন কৰিবলৈ এখন সমিতি গঠন কৰি দিছিল। সেই সমিতিয়ে ১৯৯৭ চনৰ ১৪ আগষ্টত কোচ ৰাজবংশীসকলৰ জনজাতি হোৱাৰ সকলো বৈশিষ্ট্য থকা বুলি প্ৰতিবেদন দাখিল কৰিছিল। পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন এনডিএ চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে সংসদৰ মজিয়াত ঘোষণা কৰিছিল যে, কোচ ৰাজবংশী সকলক জনজাতিৰ মৰ্যাদা দিয়াৰ সকলো বিধি-ব্যৱস্থা সম্পূৰ্ণ হৈছে। কিন্তু, কবিনেট অনুমোদন নোহোৱাৰ বাবে তালিকাৰ পৰা বাদ পৰিছে। পৰৱৰ্তী চৰকাৰে পোনে-পোনেই জনগোষ্ঠীটোক জনজাতিকৰণ কৰিব পাৰিব। পিছৰ সময়ত ইউপিএ চৰকাৰে বিষয়টোত কোনো গুৰুত্ব নিদিলে। কংগ্ৰেছৰ দৰে ভাৰতীয় জনতা দলৰ চৰকাৰেও ২০১৪ বৰ্ষৰ লোকসভা নিৰ্বাচনৰ ইস্তাহাৰত কোচ ৰাজবংশীক জনজাতিকৰণ দিয়াৰ লিখিত প্ৰতিশ্ৰুতিৰে ক্ষমতা দখল কৰাৰ পাছতো জনজাতিকৰণ নকৰিলে। ২০১৬ বৰ্ষত বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা দলৰ মিত্ৰজোঁটে জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে ক্ষমতা দখল কৰি জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ সমিতি গঠন কৰিলে। কিন্তু কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিল নকৰি ভোটবেংক সুৰক্ষিত কৰি ৰখাৰ কৌশল অৱলম্বনেৰে ২০২১ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কেৱল মাত্ৰ চাৰিখন জিলাক সামৰি কোচ ৰাজবংশী সকলক 'কমতাপুৰ স্বায়ত্ত্ব শাসিত পৰিষদ' গঠন আৰু কেইখনমান জিলাৰহে সদস্য লৈ 'কোচ ৰাজবংশী উন্নয়ন পৰিষদ' পুনৰ গঠন, শেহতীয়াকৈ ৰাজ্যৰ মন্ত্ৰী গোটৰ প্ৰতিবেদনত সংবিধান লিপিবদ্ধ নথকা এছটি ভেলী কেটেগৰীৰ নামত ছয় জনগোষ্ঠীক আভুৱা ভৰা ব্যৱস্থাৰে জনজাতিকৰণৰ বিষয়টো সুপৰিকল্পিত ভাৱে ওলমাই ৰাখি ৰাজনৈতিক চতুৰালিৰে জনজাতিকৰণৰ বিষয়টো অনন্ত কাললৈ পিছুৱাই থকাটো অমানৱীয়। ইয়াৰ উপৰিও বিগত তিনিদশকৰো অধিক কালৰে পৰা দাবী জনাই অহা কোচ ৰাজবংশী সকলৰ গৃহভূমি ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ কোনো পদক্ষেপ গ্ৰহণ নকৰা কাৰ্য নিশ্চিতভাৱেই উদ্বেগজনক বুলি অভিহিত কৰিছে। অসমক অবৈধ বাংলাদেশীৰ কৱলৰ পৰা মুক্ত কৰিবলৈ, অবৈধ নাগৰিকক ৰাজনৈতিকভাৱে নিঃশেষ কৰিবলৈ, অসমৰ অখণ্ডতা, সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক শীঘ্ৰেই জনজাতিকৰণ তথা প্ৰস্তাৱিত কমতাপুৰ ৰাজ্য অনতিপলমে প্ৰদানৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণৰ উদ্যোগ ল'বলৈ সংশ্লিষ্ট সকলো পক্ষকে আহ্বান জনাইছে। অন্যহাতে কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীয়ে জনজাতি লাভ কৰিলে অসমখন পোনে-পোনে জনজাতি ৰাজ্যলৈ ৰূপান্তৰিত হ'ব বুলিহে কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কেআৰএছএছৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্ত কোচে স্পষ্ট কৰি দিয়ে।

# নগাঁৱৰ ভিন্ন স্থানত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ মাৰ্চ** ঃ নগাঁৱৰ চকৰিগাঁওস্থিত হিৰন্ময় পুথিভঁৰালত কালি "কলংপাৰ লেখিকা সংস্থা"ৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱসটি উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ভাগত সংস্থাৰ সভানেত্ৰী অৰুনিমা বৰাৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয়। সংস্থাৰ সম্পাদিকা তুলু হাজৰিকাই আঁত ধৰা সভাখনত লেখিকা ক্ৰমে বৈজয়ন্তী খাউণ্ড, অমিয়া গোস্বামী, ৰূবী বৰা, তৰামাই বৰা, মিনু শইকীয়া, অঞ্জলি শৰ্মা বৰকটকী, ৰঞ্জু তামোলীয়ে নাৰী দিৱসৰ প্ৰাসংগিকতা সম্পৰ্কত আলোকপাত কৰে। সভাত প্ৰহেলিকা কৌশিক, মিনু শইকীয়া, ময়ূৰী বৰা, ৰূবী বৰা, নিকিতা দাসে কবিতা পাঠ কৰে। উক্ত সভাতে ধৰ্মপ্ৰাণ মহিলা বুলু বৰাক গামোচা, সম্বৰ্ধনা পত্ৰ, নামঘোষা, কিতাপৰ টোপোলা আদিৰে সম্বৰ্ধনা জনোৱা হয়। ইফালে, নগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত কালি বিয়লি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখনি সভা অনুষ্ঠিত হয়। শাখাৰ হয়বৰগাঁওস্থিত কাৰ্যালয় "আনন্দম"ত ঊৰ্মিলা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° ৰঞ্জিতা কলিতা। তেওঁ চুটি গল্প আৰু অনু গল্পৰ সম্পৰ্কত ভাষণ প্ৰদান কৰে। নাৰী দিৱসৰ ইতিহাস সম্পৰ্কে ভাষণ প্ৰদান কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী, লেখিকা দীপা বৰুৱাই। সভাত বিশিষ্ট লেখিকা আভা বৰাইও ভাষণ প্ৰদান কৰে। গীত-মাত, কবিতা আবৃত্তিৰে মুখৰিত সভাখনি আঁত ধৰে সম্পাদিকা প্ৰিয়ম্বদা শইকীয়া বৰাই। সভাৰ শলাগৰ শৰাই আগবঢ়ায় ড° স্বপ্না নেওগ বৰাই। একেদৰে, আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে কালি পুৱা ভাগত নগাঁও চহৰৰ বিষ্ণুৰাভা পথ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, সুলেখিকা, নাট্যকাৰ, আই পদ্মপ্ৰিয়া বঁটাপ্ৰাপক গুণদা গোস্বামীক তেওঁৰ বাসগৃহ প্ৰাংগণতে "মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ" (Wariors) নামৰ এটি স্বেচ্ছাসেৱী সংগঠনে এক বিশেষ অনুষ্ঠান ৰূপায়ণ কৰে। অনুষ্ঠানত ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, জাপি, অনুষ্ঠানটিৰ বাৰ্ষিক আলোচনী "তেজস্বিনী"ৰ লগতে আন এখনি গ্ৰন্থ, কলম আদিৰে সম্বৰ্ধনা জনায় বিশিষ্ট লেখিকা গৰাকীক। অনুষ্ঠানত সংগঠনটোৰ হৈ উৎপল শিৱম পলাশ প্ৰতীম ডেকা, কংকনা দেৱী ডেকা, মৃণ্ময়ী বৰঠাকুৰ, লিপিকা হাজৰিকা, কল্যাণ বৰুৱা প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত আছিল।

# বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ১০ মাৰ্চ** ঃ শিৱসাগৰৰ অগ্ৰণী শিক্ষানুষ্ঠান বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত বিগত বৰ্ষৰ দৰে এই বছৰো বিভিন্ন কাৰ্যসূচীৰে ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। আনহাতে মহাবিদ্যালয়ৰ সুধাকণ্ঠ প্ৰেক্ষাগৃহত নাৰী দিৱসৰ তাৎপৰ্য আৰু নাৰী সবলীকৰণৰ ওপৰত বক্তব্য আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পংকজ জ্যোতি হাজৰিকাই। সমান্তৰালভাবে ৯ মাৰ্চ অৰ্থাৎ দ্বিতীয় দিনা মহাবিদ্যালয়ৰ স্থানীয় অঞ্চলৰ তিনিগৰাকী বৰেণ্য মহিলা ক্ৰমে হস্ত -তাঁত শিল্পৰ পাকৈত শিপিনী তথা উদ্যোগী মহিলা বিণু গগৈ, পশুপালনেৰে স্বাৱলম্বিতাৰ পথ বাছি লোৱা তথা সংগীত বিশাৰদ আৰু মুখা শিল্পৰ লগত জড়িত উদ্যোগী মহিলা ৰাধিকা দাস আৰু সম্প্ৰীতি নগৰৰ এগৰাকী বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণা আৰু আদৰ্শ মাতৃ সুভদ্ৰা চুতীয়াক তেখেতসকলৰ বাসগৃহত মহিলা কোষৰ তৰফৰ পৰা সদস্যাসকলে এখনি চেলেং, মহাবিদ্যালয়ৰ এটি স্মাৰক আৰু এসাজ কাপোৰেৰে সম্বৰ্দ্ধনা জনায়। সম্বৰ্দ্ধনা কাৰ্যসূচীত অংশগ্ৰহণ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা দিপালী নেওগ, সম্পাদিকা মঞ্জুমালা শৰ্মা, সদস্যা অঞ্জুমণি চিৰিংফুকন, টুটুমণি গগৈ, বনশ্ৰী বৰুৱা, পিংকী দাস, ধ্ৰুৱজ্যোতি বৰঠাকুৰ আৰু পুনম গগৈয়ে।

# সভাপতি ললিত হেমব্ৰমৰ নেতৃত্বত গঠন হ'ল অবড়ো সুৰক্ষা সমিতিৰ আন এটা গোট

# পুনৰ বিভাজন অবড়ো সুৰক্ষা সমিতিৰ

## ললিত হেমব্ৰমৰ নৱগঠিত দলটিক অসাংবিধানিক, অবৈধ আখ্যা সম্পাদক মাধৱ ৰাজবংশীৰ




**অসম বাৰ্তা, বিজনী, ১০ মাৰ্চ** ঃ সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত পুনৰ বিভাজন হ'ল অবড়ো সুৰক্ষা সমিতিৰ। কাইলৈ চিৰাং জিলাৰ বিজনীত অনুষ্ঠিত হ'ব লগীয়া অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় কমিটিৰ অধিৱেশনৰ আগমুহূৰ্তত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ললিত হেমব্ৰমৰ নেতৃত্বত আন এটা অবড়ো সুৰক্ষা সমিতিৰ গোট গঠন হোৱা কাৰ্যই সংগঠনৰ মজিয়াত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত আজি সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাধৱ ৰাজভংশীয়ে সংবাদ মাধ্যমৰ আগত জানিব দিয়া অনুসৰি সভাপতি ললিত হমব্ৰমে অবড়ো সুৰক্ষা সমিতিৰ সংবিধানক অৱজ্ঞা কৰি জিএছপি অথবা আন ৰাজনৈতিক দলৰ সদস্যক লগত লৈ নতুনকৈ গঠন কৰিছে অবড়ো সুৰক্ষা সমিতিৰ আন এটা গোট। এয়া সম্পূৰ্ণ অবৈধ আৰু সম্পূৰ্ণ অসাংবিধানিক। যিহেতু ১১ মাৰ্চত সংগঠনটোৰ কেন্দ্ৰীয় অধিৱেশন আছে। অধিৱেশনৰ পাছত তেওঁ অবড়ো সুৰক্ষা সমিতি নামক বাদ দি অন্য কি নামেৰে সংগঠন খোলে সেইটো তেওঁৰ কথা। তেওঁ সংগঠনটোৰ সংবিধান, নীতি নিয়ম নাজানে। তেওঁ সংবিধানক অৱমাননা কৰা নাই বিটিচিত থকা অবড়ো ৰাইজক অৱমাননা কৰিছে। তেওঁ কোনোবা নহয় কোনোবা দলৰ এজেণ্ট হৈ সংগঠনৰ লগত কাম কৰি আছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে মাধৱ ৰাজবংশীয়ে। যিটো শক্তিয়ে অবড়ো সুৰক্ষা সমিতিক বিভাজন হৈ থকাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আছিল। এতিয়া বিভিজনকামী শক্তি সকল একত্ৰিত হৈছে, চিনাক্ত হৈ গ'ল। ললিত হেমব্ৰমে যিটো কাম কৰিলে সেইটো গৰিহণাৰ যোগ্য। গতিকে বিটিচিৰ অবড়ো ৰাইজক আহ্বান তেনেকুৱা লোকক যাতে ক'তো স্থান দিয়া নহয়, ভৱিষ্যতে যাতে পুনৰ অবড়ো ৰাইজক বিভাজন কৰিব নোৱাৰে তাৰ প্ৰতি নজৰ ৰাখিব লাগিব মন্তব্য কৰে সাধাৰণ সম্পাদক মাধৱ ৰাজবংশীয়ে।

# দলগাঁৱত ই-ৰিস্কাৰ দপ্‌দপনি, যান-বাহন আৰক্ষীৰ ভূমিকাৰ বিৰুদ্ধে ক্ষোভ

**অসম বাৰ্তা, দলগাঁও, ১০ মাৰ্চ** ঃ দৰং জিলাৰ দলগাঁৱৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বৰ্তমান বেটাৰি চালিত ই-ৰিস্কাৰ দৌৰাত্ম্যই চৰম সীমা অতিক্ৰম কৰিছে। একাংশ ই-ৰিস্কা চালকৰ মইমতালি আৰু জধেমধে যান-বাহন পাৰ্কিং কৰাৰ ফলত চহৰখনৰ ৰাজপথত এতিয়া সৰু-সুৰা দুৰ্ঘটনা নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। পুৱা স্কুলীয়া সময়ত ই-ৰিস্কাৰ যান-জঁটৰ বাবে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। পথৰ সোঁমাজতে ই-ৰিস্কা ৰখাই যাত্ৰী উঠা-নমা কৰাৰ ফলত পাছফালৰ পৰা অহা বাহনসমূহ প্ৰায়েই দুৰ্ঘটনাত পতিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি দলগাঁও যান-বাহন আৰক্ষীয়ে এই সকলোবোৰ দেখিও চকু মুদাকুলীয়া ভাও ধৰিছে। জধেমধে ৰখা ই-ৰিস্কাসমূহৰ বিৰুদ্ধে কোনো ধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই চালকসকলে অধিক সাহস পাইছে। নিয়ম উলংঘা কৰা এই বাহনসমূহৰ ওপৰত আৰক্ষীৰ কোনো নিয়ন্ত্ৰণ নাই নেকি বুলি এতিয়া প্ৰশ্ন উত্থাপন হৈছে। স্কুলীয়া সময়ত আৰু দলগাঁও চাৰিআলিত যান-বাহনৰ চলাচল সুচাৰুৰূপে পৰিচালনা কৰিবলৈ প্ৰশাসনক আহ্বান জনাইছে স্থানীয় সচেতন মহলে।

## চৰকাৰী জল জীৱন মিচনে ঢুকি নোপোৱা গেলেকী অঞ্চলৰ এখন গাঁও

# এটা কুঁৱা আৰু এটা অঞ্চলৰ ৰাইজ



**অসম বাৰ্তা, গেলেকী, ১০ মাৰ্চ** ঃ অসম নাগালেণ্ড সীমান্তৱৰ্তী গেলেকীৰ ভিতৰুৱা অঞ্চলৰ এটা কুঁৱাৰ ওপৰতে এতিয়া নিৰ্ভৰশীল স্থানীয় ৰাইজ। বিগত বছৰ বছৰ ধৰি খোৱা পানীৰ একমাত্ৰ উৎস হ'ল গাঁৱৰ মাজত থকা এই একমাত্ৰ কুঁৱাটোৰেই। কুঁৱাটোৰ পানী যথেষ্ট লেতেৰা আৰু দুৰ্গন্ধময় বুলি ৰাইজে জানিব দিছে। নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত গেলেকী ন-পুখুৰী গাঁও পঞ্চায়তৰ ১ নং ৱাৰ্ডৰ ন-বাৰী আদৰ্শ গাঁৱৰ এটা চুবুৰীৰ ৰাইজে এটুপি বিশুদ্ধ খোৱা পানীৰ বাবে বিগত বছৰ বছৰ ধৰি কৰিছে হাহাকাৰ। একপ্ৰকাৰে কবলৈ গ'লে বিশুদ্ধ খোৱা পানী কি বুজি নোপোৱা হ'ল এই অঞ্চলৰ ৰাইজে। জানিব পৰা মতে বিগত বছৰ বছৰ ধৰি উক্ত কুঁৱাৰ লেতেৰা পানী খাই জীৱন অতিবাহিত কৰি আহিছে লোকসকলে। যাৰ বাবে এতিয়া বাৰিষাৰ সময়ত বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাৰ আশংকা বৃদ্ধি পাইছে অঞ্চলটোত। স্থানীয় ৰাইজে জনোৱা মতে এই ঠাইত বিগত সময়ত জল জীৱন মিচন আঁচনিৰ পাইপ সংযোগ কৰিছিল যদিওঁ সকলো ফুটুকাৰ ফেনত পৰিণত হ'ল। শাসনাধিষ্ঠ বিজেপি চৰকাৰখনে উন্নয়নৰ ঢাক ঢোল বজালেও আজিৰ তাৰিখতো যে একাংশ ঠাইত প্ৰকৃত উন্নয়নে ঢুকি পোৱা নাই তাৰেই দৃশ্য প্ৰতিফলন ঘটিছে। গেলেকী ন-পুখুৰী গাঁও পঞ্চায়তৰ ১ নং ৱাৰ্ডৰ অন্তৰ্গত ন-বাৰী আদৰ্শ গাঁৱত। এতিয়া এই সমস্যাৰ সমাধানৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগতে স্থানীয় বিধায়ক দেৱব্ৰত শইকীয়াই কি পদক্ষেপ গ্ৰহণ কৰে সেইয়া হব লক্ষণীয়।

## চালানী প্ৰাৰ্থীক গ্ৰহণ নকৰে বিজনীৰ বিজেপি কৰ্মীয়ে

# বিজনীত বিজেপিৰ প্ৰাৰ্থীত্ব কেন্দ্ৰিক সংঘাত

**অসম বাৰ্তা, বিজনী, ১০ মাৰ্চ** ঃ চিৰাং জিলাৰ সুবাইঝাৰ মণ্ডল বিজেপি কাৰ্যালয়ত বিজনীৰ বাহিৰৰ লোকক প্ৰাৰ্থী প্ৰদান নকৰি স্থানীয় লোকক প্ৰাৰ্থীত্ব দিয়াৰ দাবীত বিজনীত প্ৰতিবাদ নামিল বিজেপি কৰ্মী। বিজেপিৰ সুবাইঝাৰ মণ্ডল কাৰ্যালয়ত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে গ'ল বেক ধ্বনি দিয়ে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনত ২০ নং বিজনী বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী অৰূপ কুমাৰ দে। প্ৰাৰ্থীত্ব প্ৰত্যাশী অৰূপ কুমাৰ দে ইতিমধ্যে ২০ নং বিজনী বিধানসভা সমষ্টিত আৰম্ভ কৰিছে নিজৰ নিৰ্বাচনী প্ৰচাৰ। ইয়াতে ক্ষুণ্ণ হৈ পৰিছে বিজনীৰ বিজেপিৰ নেতৃবৃন্দ কৰ্মকৰ্তা সকল। অৰূপ কুমাৰ দেৰ পৰিৱৰ্তে বিজনীৰ স্থানীয় ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদানৰ দাবী জনায় বিজনীৰ বিজেপিৰ নেতৃবৃন্দ কৰ্মকৰ্তা সকলে।

# ৰহা মীন মহাবিদ্যালয়ৰ ৩৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ১০ মাৰ্চ** ঃ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰহাৰ মীন মহাবিদ্যালয়ব ৩৮ তম্ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানটোত নিমন্ত্ৰিত বিশিষ্ট অতিথি সকলৰ উপৰিও মহাবিদ্যালয়খনব সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষা গুৰু আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। অসম আন্দোলনৰ পাছত গঠন হোৱা অগপৰ প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰৰ দিনতেই ১৯৮৮ চনৰ ৭ মাৰ্চত প্ৰতিষ্ঠা হোৱা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন মীন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসমৰ ৰাজ্যপালৰ আয়ুক্ত সচিব, ভাৰতীয় প্ৰশাসনিক সেৱাৰ জেষ্ঠ বিষয়া মীনাক্ষী সুন্দৰম আৰু অসম পশুপালন আৰু মীন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰঞ্জন কলিতাই। মীন মহাবিদ্যালয়খনৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে মীন মহাবিদ্যালয়ৰ উন্নয়ন কাৰ্যপ্ৰণালীৰ বিষয়ে এক ডকুমেণ্টৰীৰে আৰম্ভ হোৱা সভাৰ আৰম্ভণি আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ ডীন ড° প্ৰদীপ চন্দ্ৰ ভূএঞাঁই। তাৰ পিছতেই মহাবিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিভাগৰ উপ সঞ্চালক ড° ৰাজদ্বীপ দত্তই মহাবিদ্যালয়খনিৰ সুদীৰ্ঘ ৩৮ বছৰৰ পৰিক্ৰমা যাত্ৰাৰ ওপৰত এক ভাষণ আগবঢ়ায়। ৰাজ্যপালৰ ৰাজভৱনৰ সচিব মীনাক্ষী সুন্দৰমে তেওঁৰ ভাষণত মহাবিদ্যালয়খনিত এ আই টেকনলজিৰ ওপৰত এক পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ মহাবিদ্যালয়খনৰ শিক্ষক সমাজক পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এই আই বহুল প্ৰয়োগৰ ফলত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে এ আই টেকনলজি ব্যৱহাৰ কৰিব জানিব লাগিব। এই আই ব্যৱহাৰ কৰিব জানিলেহে আজিকালি প্ৰকৃত শিক্ষিত ব্যক্তি বুলি সমাজত স্বীকৃতি লাভ কৰিব অন্যথা এজন ছাত্ৰ বা ছাত্ৰীক প্ৰকৃততে শিক্ষিত বুলি বিদ্বান সমাজে স্বীকৃতি নিদিব বুলি তেওঁ ভাষণত কয়। আনহাতে ভাৰত চৰকাৰেও বৰ্তমান এই আই টেকনলজি শিক্ষা আজিৰ শিক্ষা ব্যৱস্থাত প্ৰয়োজনীয় বুলি এই শিক্ষাৰ বহুল প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁৰ ভাষণত উল্লেখ কৰে। সভাত ভাষণ দি উপাচাৰ্য ড° নিৰঞ্জন কলিতাই কয় যে ৰহা মীন মহাবিদ্যালয়ে সদায় ছাত্ৰ-ছাত্ৰী সকলৰ গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহাটো সঁচাকৈয়ে এক প্ৰশংসনীয় কাৰ্য। তেওঁ কয় যে শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিত্ব বিকাশ আৰু সমাজ হিতৈষী কাম কৰি সমাজ গঠনতো আগুৱাই আহিব লাগে তেতিয়াহে শিক্ষা গ্ৰহণৰ প্ৰকৃত উদ্দেশ্য সফল হয়। ভৱিষ্যতে মীন মহাবিদ্যালয়খন আৰু অত্যাধুনিক ৰূপত গঢ় দিয়া আৰু এ আই প্ৰযুক্তিৰ ওপৰত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এক পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ সম্পৰ্কেও চিন্তা-চৰ্চা কৰি থকা হৈছে বুলি তেওঁ সভাত প্ৰকাশ কৰে। এই বছৰ মীন মহাবিদ্যালয়ৰ প্ৰায় ৫৯জন ছাত্ৰ-ছাত্ৰীয়ে জিলা মীন উন্নয়ন বিষয়া হিচাপে নিযুক্তি লাভ কৰাটো মহাবিদ্যালয়খনৰ লগতে সকলোৰে বাবে এক গৌৰৱৰ বিষয় বুলি তেওঁ উল্লেখ কৰে। এই সভাৰ লগত সংগতি ৰাখি মীন মহাবিদ্যালয়খনৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহত বিভিন্ন শিতানত স্থান প্ৰাপ্ত প্ৰতিযোগী সকলকো সম্বৰ্ধনা আৰু পুৰস্কাৰ প্ৰদান কৰা হয়।

# পীৰে কামিল হজৰত মৌলানা শ্বেখ গোলাম ৰব্বাণী চাহাবৰ ইন্তেকাল

**অসম বাৰ্তা, ডবকা, ১০ মাৰ্চ** ঃ পীৰে কামিল হজৰত মৌলানা শ্বেখ গোলাম ৰব্বাণী চাহাবৰ ইন্তেকালত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মঙ্গলবাৰে দিনৰ প্ৰায় ১: ৪০ মিনিটত তেওঁ নিজ বাসভৱনত শেষ নিঃশ্বাস ত্যাগ কৰে। তেওঁৰ ইন্তেকালত ধৰ্মীয় আৰু সামাজিক মহলত গভীৰ শোক প্ৰকাশ কৰা হৈছে। মৰহুম মৌলানা ৰব্বাণী চাহাব অঞ্চলটোৰ বাবে এজন অভিভাবক সদৃশ ব্যক্তি আছিল। প্ৰকৃততে তেওঁ আছিল এজন পথপ্ৰদৰ্শক, যাৰ ছাঁত বহু ছাত্ৰ, আলেম আৰু সাধাৰণ লোকে শিক্ষালাভ কৰি সমাজত প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁৰ স্নেহ, উপদেশ আৰু দিকনিৰ্দেশনাই বহু লোকৰ জীৱন আলোকিত কৰিছিল। জানিব পৰা মতে, পঞ্চাশৰ দশকত তেওঁ ভাৰতৰ প্ৰসিদ্ধ ইছলামিক শিক্ষা প্ৰতিষ্ঠান Darul Uloom Deoband ৰ পৰা শিক্ষা সমাপ্ত কৰি নিজ অঞ্চললৈ উভতি আহিছিল। তাৰ পিছতে তেওঁ হোজাই জিলাৰ ৰৌৱাৰপাৰ অঞ্চলত এখন মাদ্ৰাছা প্ৰতিষ্ঠা কৰে, যিখন আজিও এশ্বাতুল ইছলাম ৰৌৱাৰপাৰ মাদ্ৰাছা নামেৰে সুপৰিচিত আৰু বহু শিক্ষাৰ্থীক দ্বীনি শিক্ষা প্ৰদান কৰি আহিছে। ইয়াৰ পিছত তেওঁ নিজৰ জন্মস্থান যমুনা গাঁৱত এখন ছোৱালী মাদ্ৰাছা স্থাপন কৰে। সেই প্ৰতিষ্ঠানত বহু ছোৱালীয়ে ইছলামিক শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰে। তেওঁৰ এই পদক্ষেপে অঞ্চলটোত ছোৱালীৰ দ্বীনি শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মৌলানা ৰব্বাণী চাহাব আছিল অত্যন্ত সৰল, ধৰ্মভীৰু আৰু সমাজসেৱাত নিবেদিতপ্ৰাণ ব্যক্তি। জীৱনৰ বৃহৎ অংশ তেওঁ শিক্ষা বিস্তাৰ, ধৰ্মীয় দিকনিৰ্দেশনা আৰু সমাজ সংস্কাৰৰ কামত ব্যয় কৰিছিল। তেওঁৰ ইন্তেকালত অঞ্চলটোৱে এগৰাকী জ্ঞানী আলেম, আধ্যাত্মিক পথপ্ৰদৰ্শক আৰু সমাজসেৱকক হেৰুৱালে বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। উত্তৰ-পূব ভাৰতৰ এগৰাকী বিশিষ্ট আলিম আৰু পীৰে কামিল হজৰত মৌলানা গুলাম ৰব্বাণী ছাহাবৰ বিয়োগ আমাৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেত আছিল এগৰাকী প্ৰখ্যাত ইছলামী বিদ্বান, আলেম আৰু সমাজৰ পথপ্ৰদৰ্শক। তেখেতৰ ইন্তেকালৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত এক বৃহৎ শূন্যতাৰ সৃষ্টি হৈছে। তেখেতে জীৱনৰ সম্পূৰ্ণ সময় ইছলামৰ শিক্ষা প্ৰচাৰ, সমাজক সঠিক পথত পৰিচালনা আৰু মানুহক নৈতিক মূল্যবোধৰ দিশে আগবঢ়াবলৈ উৎসৰ্গা কৰিছিল। তেখেতৰ জ্ঞান, উপদেশ আৰু দিশ-নিৰ্দেশ বহু লোকৰ জীৱনত আলোকপাত কৰিছিল। তেখেতৰ দৰে এজন বিদ্বান আলিমৰ মৃত্যুৰে সমগ্ৰ উত্তৰ-পূব ভাৰতৰ বাবে গভীৰ শোক আৰু অপূৰণীয় ক্ষতি কঢ়িয়াই আনিছে। তেওঁৰ ইন্তেকালত বহু ছাত্ৰ, অনুগামী আৰু শুভাকাংক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আল্লাহৰ ওচৰত তেওঁৰ মাগফিৰাত কামনা কৰিছে। ইফালে, অসম ৰাজ্যিক জমিয়তৰ সভাপতি মৌলানা মুস্তাক আনফৰ, উত্তৰ নোৱাবিল মিছবাহুল উলুম তহফিজুল কোৰআন আলিয়া মাদ্ৰাছা (আমবাৰী) মাদ্ৰাছা পৰিচালনা কমিটিৰ ফালৰপৰা কপিল উদ্দিন, হোজাই জিলা এমাৰতে শ্বৰয়ীয়াহ ও নদুৱাতুত তামীৰ আৰু যুৱ নদুৱতুত তামীৰৰ ফালৰ পৰা সাঃ সম্পাদক মইন উদ্দিন লস্কৰ, বদৰ উদ্দিন আজমল, ৰেজাউল কৰিম চৌধুৰী সহ বিভিন্ন জনে মৰহুম মৌলানা ৰব্বাণী চাহাবৰ ইন্তেকোলত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে মৰহুমৰ ৰূহৰ মাগফিৰাত কামনা কৰাৰ লগতে পৰিয়ালবৰ্গক এই কঠিন সময়ত ধৈৰ্য্য ধাৰণ কৰাৰ বাবে আল্লাহৰ ওচৰত দোৱা কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স সম্পূৰ্ণ ১০০ বছৰ আছিল। বুধবাৰে দিনৰ ২ বজাত তেওঁৰ নিজ বাস ভৱনৰ ওচৰৰ খেতি পথাৰতত জানাজাৰ নামাজ অনুষ্ঠিত হ'ব।

# মৰিগাঁৱত অৰুণোদয় ৩.০ৰ অধীনত লক্ষাধিক হিতাধিকাৰীয়ে পালে ধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১০ মাৰ্চ** ঃ ৰাজ্যখনৰ মহিলাসকলক সবল কৰাৰ লগতে সামাজিক কল্যাণ আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনি অৰুণোদয় ৩.০ ৰ অধীনত আজি সমগ্ৰ ৰাজ্যৰ লগতে মৰিগাঁও জিলাৰো এক লাখৰো অধিক হিতাধিকাৰীক অতিৰিক্ত অনুদানসহ ৪ মাহৰ মুঠ ৯,০০০ টকাকৈ প্ৰদান কৰা হয়। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কেন্দ্ৰীয়ভাৱে আৰম্ভ কৰা এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি মৰিগাঁও জিলাৰ প্ৰতিটো গাঁও পঞ্চায়ত আৰু পৌৰ এলেকাত সভা অনুষ্ঠিত কৰি আনুষ্ঠানিকভাৱে ধন মোকলাই দিয়া হয়। জাগীৰোডৰ নখোলা বৰনামঘৰ প্ৰাংগণত অনুষ্ঠিত কাৰ্যসূচীত জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈ আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে মৰিগাঁও সদৰ বিহুতলীত আয়োজিত অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামুলী, জ্যেষ্ঠ সাংবাদিক বিৰিঞ্চি শৰ্মা আৰু ভালেমান গণ্যমান্য ব্যক্তি উপস্থিত আছিল। একেদৰে জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰা, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, জিলা পৰিষদৰ সদস্য সুৰেন দাস আৰু কেইবাগৰাকীও ৱাৰ্ড কমিছনাৰ উপস্থিত আছিল। জিলাখনৰ বিভিন্ন স্থানত অনুৰূপ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা আৰু ৰাকেশ ডেকা, সহকাৰী আয়ুক্তসকল, উন্নয়ন খণ্ড বিষয়াসকল আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে অংশগ্ৰহণ কৰে। প্ৰতিটো অনুষ্ঠানতে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়।

## সম্পাদকীয়

# শ্বেয়াৰ বজাৰৰ তীব্ৰ পতন

সোমবাৰে ভাৰতীয় শ্বেয়াৰ বজাৰে এক ঐতিহাসিক ধূসৰ সন্মুখীন হ'ল। বেঞ্চমাৰ্ক সূচক ছেন্‌চেক্সে ২,০০০ পইণ্টতকৈও অধিক হ্ৰাস পোৱাৰ বিপৰীতে নিফটী ৫০ সূচক ২৪,০০০ পইণ্টৰ তলত সোমাই পৰিল। বেংকিং, অৰ্থনৈতিক সেৱা, মিডকেপ আৰু স্মলকেপ খণ্ডসমূহতো একে ধৰণৰ পতন দেখা গ'ল। কেৱল ভাৰততে নহয়, জাপানৰ নিক্কেই, দক্ষিণ কোৰিয়াৰ ক'স্পি, অষ্ট্ৰেলিয়াৰ এএছএক্স ২০০-কে ধৰি গোটেই এছিয়ান বজাৰত এই ধূসৰ ছাঁ পৰিল।

এই ভয়াৱহ পৰিস্থিতিৰ মূল কাৰণ হিচাপে অৰ্থনীতিবিদ আৰু বজাৰ বিশেষজ্ঞসকলে আন্তঃৰ্জাতিক তেলৰ দামৰ উৰ্ধ্বগামী গতিক দায়ী কৰিছে। মধ্যপ্ৰাচ্যত চলি থকা ৰাজনৈতিক অস্থিৰতা আৰু যুদ্ধৰ উত্তেজনাই ব্ৰেণ্ট ক্ৰুড অইলৰ দাম প্ৰতি বাৰেল ১০৫ ডলাৰলৈ নিয়ে গৈছে। ফলস্বৰূপে ভাৰতৰ দৰে তেল আমদানিকাৰক দেশত ইয়াৰ প্ৰভাৱ পোনপটীয়াকৈ পৰিছে। এই পৰিস্থিতিয়ে সাধাৰণ ৰাইজৰ মনত কেইবাটাও প্ৰশ্নৰ জন্ম দিছে। প্ৰথমতে, তেলৰ দাম বৃদ্ধিৰ লগত শ্বেয়াৰ বজাৰৰ এই পতনৰ কি সম্পৰ্ক? উত্তৰ হ'ল, তেলৰ দাম বাঢ়িলে উৎপাদন ব্যস্ত বৃদ্ধি পায়, যাৰ ফলত কোম্পানীসমূহৰ লাভ হ্ৰাস পায়। ইয়াৰোপৰি তেল আমদানি বাবদ দেশৰ বৈদেশিক মুদ্ৰাৰ ভঁৰালত চাপ পৰে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ বজাৰত পৰে।

দ্বিতীয় প্ৰশ্নটো হ'ল, ই কি কেৱল ধনীক শ্ৰেণীৰ লোকৰ বাবেহে ক্ষতিকাৰক নে ইয়াৰ প্ৰভাৱ সাধাৰণ মানুহৰ জীৱনতো পৰিব? উত্তৰ হ'ল, ইয়াৰ প্ৰভাৱ পৰিব। শ্বেয়াৰ বজাৰত যেতিয়া অমানিশা নামে, তেতিয়া প্ৰত্যক্ষভাৱে বিনিয়োগকাৰীসকলেহে লোকচান ভোগে। কিন্তু পৰোক্ষভাৱে, তেলৰ দাম বৃদ্ধিয়ে যেতিয়া মুদ্ৰাস্ফীতি বৃদ্ধি কৰে, তেতিয়া সামগ্ৰীৰ মূল্য বৃদ্ধি ৰূপে ই আমাৰ সকলোৰে জীৱনত সোমাই পৰে। সেয়ে এই পতন কেৱল বিনিয়োগকাৰীৰ বাবেই নহয়, সমগ্ৰ দেশৰ অৰ্থনীতিৰ বাবেও চিন্তাৰ বিষয়।

তৃতীয়তে, বেংকিং খণ্ডত ইমান ডাঙৰ পতন কিয়? কাৰণ হ'ল, অৰ্থনীতিৰ গতি মন্থৰ হ'লে ঋণ পৰিশোধত বিঘিনি ঘটে, যাৰ ফলত বেংকসমূহৰ ঋণ (এনপিএ) বৃদ্ধি পায়। তদুপৰি তেলৰ দাম বৃদ্ধিয়ে উদ্যোগসমূহৰ বিনিয়োগৰ পৰিকল্পনাত বাধাৰ সৃষ্টি কৰে, যাৰ ফলত বেংকৰ ঋণ প্ৰদান ক্ষমতা হ্ৰাস পায়।

এই সময়ছোৱাত বজাৰ অস্থিৰ হৈ থাকে। বিশেষজ্ঞসকলে পৰামৰ্শ দিয়ে যে আতংকিত হৈ বিনিয়োগ উঠাই নিব নালাগে। বৰং দীৰ্ঘম্যাদী বিনিয়োগকাৰীসকলে এই সময়খিনি সুযোগ হিচাপে ল'ব পাৰে, কিন্তু অতি সাৱধানেৰে। যিসকল লোক জোখতকৈ বেছি ঋণ বা মাৰ্জিন ট্ৰেডিংত সোমাইছে, তেওঁলোকৰ বাবে এই সময় অতি সতৰ্কতাৰ। মধ্যপ্ৰাচ্যৰ পৰিস্থিতি আৰু তেলৰ দাম নিয়ন্ত্ৰণলৈ নাহিলে এই অস্থিৰতা কিছুদিন চলি থাকিব পাৰে। চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বাবে এই সময় অতি গুৰুত্বপূৰ্ণ। পৰিস্থিতি মোকাবিলা কৰিবলৈ তেওঁলোক সাজু হৈ আছে নে নাই, সেয়া সময়ে ক'ব। কিন্তু এটা কথা স্পষ্ট—এই ঘটনাই আমাক সোঁৱৰাই দিছে যে বৈশ্বিক অৰ্থনীতি ইমানেই আন্তঃসংযুক্ত যে মধ্যপ্ৰাচ্যৰ এক সংঘৰ্ষই আমাৰ ঘৰৰ ৰান্ধনীশালখনলৈকে জোকাৰণি আনিব পাৰে।

এই পৰিস্থিতিৰ পৰা শিক্ষা লৈ আমি আমাৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাৰ প্ৰয়োজন। তেলৰ দৰে সম্পদত পৰনিৰ্ভৰশীলতা হ্ৰাস কৰি নৱীকৰণযোগ্য শক্তিত গুৰুত্ব দিয়াৰ সময় আহি পৰিছে। তেতিয়াহে ভৱিষ্যতে এনে ধৰণৰ আন্তঃৰ্জাতিক সংকটৰ পৰা কিছু পৰিমাণে ৰক্ষা পৰিব পাৰিম। শেষত, এয়াও মনত ৰখা উচিত যে শ্বেয়াৰ বজাৰৰ উত্থান-পতন অৰ্থনীতিৰ চক্ৰৰ এটি অংশ। ধৈৰ্য আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰে আগবাঢ়িলে অস্থায়ী অৱস্থাৰ পৰা উভতি অহাটো সম্ভৱ।

" গ্ৰাম্য অসমত গৰু, ছাগলী আৰু আন পশোৱে পথৰ কাষত পেলাই দিয়া প্লাষ্টিক খাই অসুখীয়া হোৱা বা মৃত্যু হোৱা ঘটনাও বৃদ্ধি পাইছে। পশুচিকিৎসকসকলৰ মতে, বহু গৰুৰ পেটৰ ভিতৰত কেইবা কিলোগ্ৰাম প্লাষ্টিক জমা থকা অৱস্থাত উদ্ধাৰ হৈছে। কৃষিভূমিত প্লাষ্টিক আৱৰ্জনাই মাটিৰ উৰ্বৰতা নষ্ট কৰে, পানী ধাৰণ ক্ষমতা কমাই দিয়ে আৰু বিভিন্ন ধৰণৰ শস্য, শাক-পাচলি আদি উৎপাদনত নেতিবাচক প্ৰভাৱ পেলায়। ইয়াৰ ফলত অসমৰ কৃষিভিত্তিক অৰ্থনীতি ভাবুকিৰ সন্মুখীন হৈছে। এই ভয়াবহ বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত অসমে এক সুসংগঠিত আৰু বৈজ্ঞানিক ব্যৱস্থাপনা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। কেৱল নিষেধাজ্ঞা ঘোষণা কৰিলেই সমস্যাৰ সমাধান নহ'ব। প্ৰথমে ৰাজ্যজুৰি কঠোৰভাৱে আৱৰ্জনা ব্যৱস্থাপনা শক্তিশালী কৰিব লাগিব। প্ৰতিখন পৌৰসভা আৰু পঞ্চায়ত এলেকাত পৃথকীকৰণ ব্যৱস্থা বাধ্যতামূলক কৰি প্লাষ্টিক আৱৰ্জনাসমূহ পৃথকভাৱে সংগ্ৰহ আৰু পুনঃপ্ৰস্তুতকৰণৰ ব্যৱস্থা গঢ়ি তুলিব লাগিব। "

# প্লাষ্টিক প্ৰদূষণ এক ভয়াৱহ চিন্তন

প্ৰকাশ দত্ত

বিশ্ব সভ্যতাৰ ইতিহাসত প্লাষ্টিকৰ আবিষ্কাৰক এক যুগান্তকাৰী আৱিষ্কাৰ বুলি গণ্য কৰা হয়। বিংশ শতিকাৰ আৰম্ভণিতে আবিষ্কৃত এই কৃত্ৰিম পদাৰ্থই অতি কম সময়ৰ ভিতৰতে মানৱ জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে প্ৰৱেশ কৰিছে। খাদ্য সংৰক্ষণৰ পৰা আৰম্ভ কৰি চিকিৎসা, পৰিবহণ, নিৰ্মাণ, প্ৰযুক্তি আদি সকলো ক্ষেত্ৰতেই প্লাষ্টিক অপৰিহাৰ্য বস্তু হৈ পৰিছে। মানৱ জীৱনত অপৰিহাৰ্য হৈ পৰা এই পদাৰ্থবিধে আজি পৃথিৱীৰ বাবে এক গভীৰ পাৰিবেশিক সংকটৰ ৰূপ লৈছে। প্লাষ্টিক প্ৰদূষণ বৰ্তমান বিশ্বজুৰি এক অন্যতম গুৰুতৰ সমস্যা হিচাপে চিহ্নিত হৈছে, যাৰ প্ৰভাৱ কেৱল পৰিবেশতেই সীমাবদ্ধ নাথাকি ই মানৱ স্বাস্থ্য, অৰ্থনীতি আৰু জীৱন-ব্যৱস্থাকো প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰিছে।

প্লাষ্টিক প্ৰদূষণ বুলিলে সেই পৰিস্থিতিক বুজোৱা হয়, য'ত ব্যৱহৃত প্লাষ্টিক সামগ্ৰী সঠিকভাৱে নিষ্কাশন বা পুনঃব্যৱহাৰ নোহোৱাৰ ফলত মাটি, পানী আৰু বায়ুত সঞ্চিত হৈ পৰিবেশৰ স্বাভাৱিক ভাৰসাম্য নষ্ট কৰে। প্লাষ্টিকৰ অন্যতম ভয়াবহ দিশ হ'ল ই জৈৱিক উপাদানসমূহৰ দৰে সহজে পচি নাযায়। বৈজ্ঞানিকসকলৰ অধ্যয়নৰ জৰিয়তে এটা কথা স্পষ্ট হৈছে যে সাধাৰণ প্লাষ্টিক বেগ বা বটল সম্পূৰ্ণৰূপে ভাঙি যাবলৈ ৪০০ৰ পৰা ১০০০ বছৰ পৰ্যন্ত সময় ল'ব পাৰে।

মানুহৰ অধিক সুবিধাজনক জীৱনধাৰা, সহজ উপভোগ আৰু অস্থায়ী প্ৰয়োজন পূৰণৰ মানসিকতাই প্লাষ্টিকক মানৱ সমাজৰ অবিচ্ছেদ্য অংগ কৰি তুলিছে। কিন্তু এই পদাৰ্থবিধ আজি পৃথিৱীৰ সমগ্ৰ জীৱ আৰু প্ৰাণীকুলৰ ঘাটকৰূপে পৰিগণিত হৈছে। প্লাষ্টিক প্ৰদূষণৰ ভয়াবহতা এতিয়া কেৱল ভৱিষ্যতৰ বাবে আশংকা নমাই অনাই নহয় সমগ্ৰ বিশ্বৰ পৰিবেশ আৰু জনস্বাস্থ্যৰ ওপৰত গভীৰ আঘাত হানিছে।

আন্তঃৰাষ্ট্ৰীয় পৰিবেশ সংস্থাসমূহৰ মতে, বৰ্তমানলৈকে সমগ্ৰ বিশ্বত প্ৰায় ৯ বিলিয়ন টনতকৈ অধিক প্লাষ্টিক উৎপাদন হৈছে। ইয়াৰ ভিতৰত প্ৰায় ৭ বিলিয়ন টন প্লাষ্টিক এতিয়াও পৃথিৱীত উপস্থিত আছে, কিয়নো এইবিলাক সহজে নষ্ট নহয়। এই বিশাল পৰিমাণৰ প্লাষ্টিকৰ প্ৰায় ৮০ শতাংশই মাটি, নদী, সাগৰ আৰু আমাৰ পৰিবেশত জমা হৈছে। প্ৰতি বছৰে প্ৰায় ৮ৰ পৰা ১০ মিলিয়ন টন প্লাষ্টিক সাগৰত প্ৰৱেশ কৰে, যাৰ ফলত সাগৰীয় পৰিবেশ এক অপূৰণীয় ক্ষতিৰ মুখামুখি হৈছে। গৱেষণাৰ জৰিয়তে এটা আচৰিত তথ্য পোহৰলৈ আহিছে যে প্ৰশান্ত মহাসাগৰত সৃষ্টি হোৱা "গ্ৰেট পেচিফিক গাৰ্বেজ পেচ" নামৰ প্লাষ্টিক আৱৰ্জনাৰ স্তূপৰ আকাৰ কেইবাখনো দেশৰ সমান। এই প্লাষ্টিক আৱৰ্জনাই জলজ জীৱন ধ্বংস কৰিছে। বিশ্বজুৰি প্ৰায় ১০ লাখৰো অধিক সাগৰীয় পক্ষী আৰু লক্ষ লক্ষ জলজ প্ৰাণী প্ৰতিবছৰে প্লাষ্টিকৰ বাবে মৃত্যু মুখত পৰে বুলি তথ্য পোৱা যায়। বহু তিমি, কাছ আৰু অনান্য সাগৰীয় প্ৰাণীৰ পেটত প্লাষ্টিক বেগ, বটল আৰু প্লাষ্টিক পেকেট উদ্ধাৰ হৈছে, যাৰ ফলত সিহঁতৰ মৃত্যু ঘটিছে।

আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ তথ্য অনুসৰি প্ৰতিবছৰে বিশ্বত প্ৰায় ৪০০ মিলিয়ন টনৰো অধিক প্লাষ্টিক উৎপাদন কৰা হয়। ইয়াৰ প্ৰায় অৰ্ধেকেই এবাৰ ব্যৱহাৰযোগ্য সামগ্ৰী। উদ্বেগজনক কথাটো হ'ল যে এই বৃহৎ পৰিমাণৰ প্লাষ্টিকৰ ভিতৰত কেৱল প্ৰায় ৯-১০ শতাংশহে পুনঃব্যৱহাৰ কৰা হয়। বাকী অংশ ডাম্পিং গ্ৰাউণ্ড, খোলা মাটি, নদী অথবা সাগৰত গৈ জমা হয়। প্ৰতি বছৰে যদি এনেদৰে মিলিয়ন মিলিয়ন টন প্লাষ্টিক সাগৰত প্ৰৱেশ কৰি থাকে তেনেহ'লে কেইটামান দশকৰ ভিতৰত সাগৰত মাছতকৈ অধিক প্লাষ্টিক থাকিব বুলি বিজ্ঞানীসকলে আশংকা প্ৰকাশ কৰিছে। ইয়াৰ বাবে কেৱল আমাৰ পৰিবেশৰে ক্ষতি নহয়; ই বিশ্বৰ মৎস্য উদ্যোগ, খাদ্য শৃংখল আৰু অৰ্থনীতিতো গভীৰ প্ৰভাৱ পেলাইছে।

প্লাষ্টিকৰ ভয়াবহতাৰ আটাইতকৈ বিপদজনক দিশটো হ'ল মাইক্ৰ'প্লাষ্টিক (Micro plastic)। ডাঙৰ প্লাষ্টিক সামগ্ৰী সময়ৰ সৈতে ভাঙি সৰু সৰু কণাত পৰিণত হয়, যিবোৰ খালী চকুৰে দেখা নাযায় কিন্তু পৰিবেশত সৰ্বব্যাপী হৈ পৰে। বিজ্ঞানীসকলৰ অধ্যয়নত এটা কথা পোহৰলৈ আহিছে যে বৰ্তমান মানুহে বছৰি গড়ে প্ৰায় ৫০ হাজাৰ মাইক্ৰ'প্লাষ্টিক কণা খাদ্য আৰু পানীৰ জৰিয়তে শৰীৰত গ্ৰহণ কৰিছে। সাম্প্ৰতিক গৱেষণাত মানুহৰ ৰক্ত, হাওঁফাওঁ আৰু মাতৃদুগ্ধতো মাইক্ৰ'প্লাষ্টিক পোৱা গৈছে। ইয়াৰ ফলত হৰমনীয় অসন্তুলন, সন্তান জন্মৰ সমস্যাৰ লগতে দীৰ্ঘম্যাদীভাৱে কেঞ্চাৰ আৰু স্নায়ুতন্ত্ৰজনিত ৰোগৰ আশংকা বৃদ্ধি পাইছে বুলি বিজ্ঞানীসকলে সতৰ্ক কৰিছে।

বিশ্বৰ অনান্য দেশবোৰৰ লগতে ভাৰতো এই বিশ্বব্যাপী সংকটৰ পৰা ব্যতিক্ৰম নহয়। ভাৰত বৰ্তমান বিশ্বৰ অন্যতম বৃহৎ প্লাষ্টিক উৎপাদনকাৰী দেশ। ভাৰতীয়সকলে বছৰি জনমুৰি হিচাপত প্ৰায় ২.৮ কিঃগ্ৰাঃ প্লাষ্টিক খৰচ কৰে। দেশখনত প্ৰতিবছৰে প্ৰায় ২০-২৫ মিলিয়ন টনৰো অধিক প্লাষ্টিক আৱৰ্জনা উৎপন্ন হয় বুলি বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত এক বৃহৎ অংশ সঠিকভাৱে সংগ্ৰহ আৰু পুনঃব্যৱহাৰ নোহোৱাৰ ফলত নদী আৰু মাটিত জমা হয়। ব্ৰহ্মপুত্ৰ, গংগা, যমুনা, গোদাৱৰী আদি বৃহৎ নদীসমূহ এতিয়া প্লাষ্টিক আৱৰ্জনাৰ বাহক হৈ সাগৰলৈ গৈছে। ইয়াৰ ফলত ভাৰতীয় উপকূল আৰু সাগৰীয় জীৱন তীব্ৰ সংকটৰ সন্মুখীন হৈছে।

অসমৰ ক্ষেত্ৰত প্লাষ্টিক প্ৰদূষণৰ বাস্তৱতা আৰু অধিক সংবেদনশীল। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ শতাধিক উপনদী অসমৰ জীৱন-ৰেখা। কিন্তু সাম্প্ৰতিক বছৰসমূহত এই নদীসমূহত প্লাষ্টিক আৱৰ্জনাৰ পৰিমাণ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। নগৰীয়া এলেকাৰ লগতে গ্ৰাম্য বজাৰ, হাট-বজাৰ আৰু ধৰ্মীয় সমাৰেশস্থলসমূহত ব্যৱহৃত প্লাষ্টিক বেগ আৰু এবাৰ ব্যৱহাৰযোগ্য সামগ্ৰী প্ৰায়ে নদীত গৈ শেষ হয়। বানপানীৰ সময়ত এই প্লাষ্টিক আৱৰ্জনাই নলা-নৰ্দমা আৰু নদীৰ প্ৰবাহ বাধাগ্ৰস্ত কৰে, যাৰ ফলত বানৰ তীব্ৰতা বৃদ্ধি পায়। বহু বিশেষজ্ঞৰ মতে, অসমত বানৰ ক্ষয়ক্ষতি বৃদ্ধি পোৱাৰ এটা কাৰণ হৈছে প্লাষ্টিক আৱৰ্জনাৰ দ্বাৰা সৃষ্টি হোৱা পানী নিষ্কাশনত বাধা।

গ্ৰাম্য অসমত গৰু, ছাগলী আৰু আন পশোৱে পথৰ কাষত পেলাই দিয়া প্লাষ্টিক খাই অসুখীয়া হোৱা বা মৃত্যু হোৱা ঘটনাও বৃদ্ধি পাইছে। পশুচিকিৎসকসকলৰ মতে, বহু গৰুৰ পেটৰ ভিতৰত কেইবা কিলোগ্ৰাম প্লাষ্টিক জমা থকা অৱস্থাত উদ্ধাৰ হৈছে। কৃষিভূমিত প্লাষ্টিক আৱৰ্জনাই মাটিৰ উৰ্বৰতা নষ্ট কৰে, পানী ধাৰণ ক্ষমতা কমাই দিয়ে আৰু বিভিন্ন ধৰণৰ শস্য, শাক-পাচলি আদি উৎপাদনত নেতিবাচক প্ৰভাৱ পেলায়। ইয়াৰ ফলত অসমৰ কৃষিভিত্তিক অৰ্থনীতি ভাবুকিৰ সন্মুখীন হৈছে।

এই ভয়াবহ বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত অসমে এক সুসংগঠিত আৰু বৈজ্ঞানিক ব্যৱস্থাপনা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। কেৱল নিষেধাজ্ঞা ঘোষণা কৰিলেই সমস্যাৰ সমাধান নহ'ব। প্ৰথমে ৰাজ্যজুৰি কঠোৰভাৱে আৱৰ্জনা ব্যৱস্থাপনা শক্তিশালী কৰিব লাগিব। প্ৰতিখন পৌৰসভা আৰু পঞ্চায়ত এলেকাত পৃথকীকৰণ ব্যৱস্থা বাধ্যতামূলক কৰি প্লাষ্টিক আৱৰ্জনাসমূহ পৃথকভাৱে সংগ্ৰহ আৰু পুনঃপ্ৰস্তুতকৰণৰ ব্যৱস্থা গঢ়ি তুলিব লাগিব। দ্বিতীয়তে, অসমৰ পৰম্পৰাগত পৰিবেশ-বান্ধৱ (eco friendly) সামগ্ৰী যেনে বাঁহ, মৰাপাট, কাগজ আৰু কাপোৰ ব্যৱহাৰক উৎসাহিত কৰি স্থানীয় উদ্যোগ গঢ়ি তুলিব পাৰি, যিয়ে একেলগে পৰিবেশ সংৰক্ষণ আৰু কৰ্মসংস্থাপন সৃষ্টি কৰিব। ইয়াৰ উপৰিও বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত প্লাষ্টিক প্ৰদূষণৰ বৈজ্ঞানিক আৰু সামাজিক দিশ অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক আৰম্ভণিৰ পৰা সচেতন কৰা অতি প্ৰয়োজন। নামঘৰ, মছজিদ, মন্দিৰ আৰু সামাজিক সংগঠনসমূহক লগত লৈ সচেতনতা অভিযান চলালে গ্ৰাম্য সমাজত এই বাৰ্তা অধিক গভীৰভাৱে প্ৰৱেশ কৰিব। আইন প্ৰয়োগৰ ক্ষেত্ৰতো শিথিলতা এৰাই কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে এই সংকট নিয়ন্ত্ৰণ কৰা সম্ভৱ নহ'ব।

প্লাষ্টিক প্ৰদূষণ তথ্য, সংখ্যা আৰু বাস্তৱ ঘটনাৰে প্ৰমাণিত এক ভয়াবহ সত্য। বিশ্বৰ জনবহুল চহৰৰ পৰা আৰম্ভ কৰি আমাৰ গাঁওখনলৈ ইয়াৰ প্ৰভাৱ স্পষ্ট। আজিয়ে যদি আমি সঠিক সিদ্ধান্ত, ইয়াৰ দায়িত্বশীল ব্যৱহাৰ আৰু সুদূৰপ্ৰসাৰী ব্যৱস্থাপনা গ্ৰহণ নকৰোঁ, তেন্তে আগন্তুক প্ৰজন্মই এক বিষাক্ত আৰু বিপদজনক পৃথিৱী উত্তৰাধিকাৰ হিচাপে লাভ কৰিব। সেয়ে প্লাষ্টিক প্ৰদূষণৰ বিৰুদ্ধে যুঁজ কেৱল পৰিবেশ ৰক্ষা নহয়, ই অসমৰ আৰু মানৱ সভ্যতাৰ অস্তিত্ব ৰক্ষাৰ এক অনিবাৰ্য সংগ্ৰাম।

# ভাৰত-ইৰানৰ পূৰ্বৰ ঐতিহাসিক সম্পৰ্ক আৰু বৰ্তমানৰ কূটনৈতিক সমীকৰণ

কে এ মান্নান

ইৰান আৰু ভাৰতৰ সম্পৰ্ক দক্ষিণ এছিয়া আৰু পশ্চিম এছিয়াৰ ৰাজনৈতিক ইতিহাসত এক ব্যতিক্ৰমী অধ্যায়। এই সম্পৰ্ক কেৱল আধুনিক কূটনীতিত গঢ় লৈ উঠা আনুষ্ঠানিক বন্ধন নহয়; বৰঞ্চ ই এক দীঘলীয়া সভ্যতাগত সংযোগ, সাংস্কৃতিক আদান-প্ৰদান আৰু বাস্তৱবাদী কূটনৈতিক বোধৰ ফল। যুগ যুগ ধৰি এই দুয়োখন দেশে পৰস্পৰৰ ভাষা, সাহিত্য, ধৰ্মীয় চিন্তা আৰু বাণিজ্যিক পথৰ জৰিয়তে এক গভীৰ আৰু স্থায়ী সম্পৰ্ক গঢ়ি তুলিছে, যাৰ প্ৰভাৱ আজিও স্পষ্ট।

ইৰান (প্ৰাচীন পাৰস্য) আৰু ভাৰত; এই দুয়োখন দেশ পৃথিৱীৰ অন্যতম প্ৰাচীন সভ্যতাৰ গৰাকী। ইন্দো-ইৰানীয় সভ্যতাৰ ধাৰণাই দেখুৱায় যে দুয়োখন সমাজ একে ভাষাগত আৰু সাংস্কৃতিক পৰম্পৰাৰ পৰা বিকশিত হৈছিল। সংস্কৃত আৰু অৱেষ্টান ভাষাৰ মাজত থকা শব্দগত আৰু দাৰ্শনিক সাদৃশ্য এই কথাৰ প্ৰমাণ। পুৰাতাত্ত্বিক আৰু ঐতিহাসিক তথ্যই দেখুৱায় যে খ্ৰীষ্টপূৰ্ব যুগতেই ভাৰতীয় উপমহাদেশ আৰু পাৰস্যৰ মাজত স্থল আৰু সমুদ্ৰপথে বাণিজ্যিক যোগাযোগ স্থাপন হৈছিল। মচলা, বস্ত্ৰ, মূল্যবান পাথৰ আৰু ধাতুৰ আদান-প্ৰদান কেৱল অৰ্থনৈতিক নহয়, সাংস্কৃতিক সংযোগো শক্তিশালী কৰিছিল।

ইৰান-ভাৰত সম্পৰ্কৰ আটাইতকৈ গভীৰ স্তম্ভ হ'ল ভাষা আৰু সাহিত্য। মধ্যযুগত ফাৰ্ছী ভাষাই ভাৰতৰ ৰাজদৰবাৰ, প্ৰশাসন আৰু বৌদ্ধিক জীৱনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। মোগল যুগত ফাৰ্ছী আছিল ৰাজভাষা, আৰু ভাৰতীয় কবি- লেখকসকলে ফাৰ্ছীত অমূল্য সাহিত্য সৃষ্টি কৰিছিল। এই সাহিত্যিক আদান-প্ৰদানে ভাৰতীয় কাব্যধাৰা, সংগীত আৰু স্থাপত্যক সমৃদ্ধ কৰিলে। আজিও ভাৰতীয় সংস্কৃতিত বহু ফাৰ্ছী শব্দ, শৈলী আৰু চিন্তাধাৰাৰ প্ৰভাৱ পৰিলক্ষিত হয়, যিয়ে এই ঐতিহাসিক সম্পৰ্কৰ গভীৰতা প্ৰকাশ কৰে।

ধৰ্মীয় ক্ষেত্ৰতো ইৰান আৰু ভাৰতৰ সম্পৰ্ক উল্লেখযোগ্য। ইৰানৰ প্ৰাচীন ধৰ্ম জৰথুষ্ট্ৰ ধৰ্মৰ অনুসাৰী বহু লোক ভাৰতলৈ আহি বসতি স্থাপন কৰিছিল, যাৰ ফলত ভাৰতত পাৰ্ছী সমাজ গঢ় লৈ উঠিল। এই সমাজে ভাৰতৰ উদ্যোগ, শিক্ষা আৰু সমাজ সংস্কাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াৰ উপৰিও সুফী ধৰ্মীয় চিন্তাধাৰা আৰু ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ মাজত হোৱা সংলাপে সহনশীলতা আৰু বহুত্ববাদী মানসিকতা গঢ়ি তুলিছিল। এই ধৰ্মীয় সহাবস্থানে দুয়োখন সমাজৰ মাজত মানৱীয় বন্ধন শক্তিশালী কৰিছিল।

ভাৰত স্বাধীন হোৱাৰ পাছত ইৰানৰ সৈতে আনুষ্ঠানিক কূটনৈতিক সম্পৰ্ক গঢ় লৈ উঠে। শীতল যুদ্ধৰ সময়ত বিশ্ব ৰাজনীতি বিভক্ত হৈ থাকিলেও ইৰান আৰু ভাৰতে পাৰস্পৰিক সন্মান আৰু স্বাৰ্থৰ আধাৰত সম্পৰ্ক বজাই ৰাখিছিল। এই সময়ছোৱাত ইৰান ভাৰতৰ বাবে এক গুৰুত্বপূৰ্ণ আঞ্চলিক অংশীদাৰ হৈ উঠিছিল। দুয়োখন দেশে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় মঞ্চত পৰস্পৰৰ স্বাৰ্থ বুজি কূটনৈতিক সমন্বয় বজাই ৰাখিছিল, যিটো আধুনিক ইৰান-ভাৰত সম্পৰ্কৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

বৰ্তমান সময়ত ইৰান-ভাৰত সম্পৰ্কৰ কেন্দ্ৰবিন্দু হৈছে শক্তি সুৰক্ষা আৰু বাণিজ্য। ইৰান বহু বছৰ ধৰি ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ তেল আৰু গেছ যোগানকাৰী দেশ আছিল। ইয়াৰ উপৰিও "চাবাহাৰ বন্দৰ" প্ৰকল্পে এই সম্পৰ্কক এক নতুন কৌশলগত মাত্ৰা প্ৰদান কৰিছে। এই বন্দৰে ভাৰতক পাকিস্তান এৰাই আফগানিস্তান আৰু মধ্য এছিয়ালৈ বাণিজ্যিক পথ প্ৰদান কৰে। চাবাহাৰ কেৱল এটা বাণিজ্যিক প্ৰকল্প নহয়; ই ভাৰতৰ আঞ্চলিক সংযোগ নীতি আৰু ইৰানৰ আঞ্চলিক ভূমিকা শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ উপাদান।

যদিও এই সম্পৰ্ক ঐতিহাসিকভাৱে দৃঢ়, তথাপিও বৰ্তমান সময়ত ই একাধিক প্ৰত্যাহ্বানৰ মুখামুখি। আমেৰিকা-ইৰান উত্তেজনা, আন্তঃৰাষ্ট্ৰীয় নিষেধাজ্ঞা আৰু মধ্যপ্ৰাচ্যৰ অস্থিৰতাই ভাৰত-ইৰান সম্পৰ্কত চাপ সৃষ্টি কৰিছে। ভাৰতৰ বাবে প্ৰধান প্ৰশ্ন হ'ল— কিদৰে একে সময়তে পশ্চিমীয়া শক্তিৰ সৈতে সম্পৰ্ক বজাই ৰাখি ইৰানৰ সৈতে ঐতিহাসিক আৰু কৌশলগত বন্ধন অটুট ৰখা যায়। এই পৰিস্থিতিত ভাৰত বাস্তৱবাদী কূটনীতি অৱলম্বন কৰি সংলাপ আৰু সহযোগিতাৰ পথ খোলা ৰাখিবলৈ চেষ্টা কৰিছে।

ভৱিষ্যতে ইৰান-ভাৰত সম্পৰ্ক বাণিজ্য, পৰিবহণ, শক্তি আৰু সাংস্কৃতিক আদান-প্ৰদানৰ ক্ষেত্ৰত অধিক গভীৰ হোৱাৰ সম্ভাৱনা আছে। আঞ্চলিক সংযোগ, বিকল্প শক্তি উৎস আৰু বহুপাক্ষিক সহযোগিতাই এই সম্পৰ্কক নতুন দিশ দিব পাৰে। ইতিহাসে প্ৰমাণ কৰিছে যে সংকটৰ সময়তো এই সম্পৰ্ক সম্পূৰ্ণৰূপে বিচ্ছিন্ন হোৱা নাই; সেয়ে ভৱিষ্যতেও ই এক স্থায়ী আৰু বহুমাত্ৰিক অংশীদাৰিত্ব হিচাপে আগবঢ়াৰ সম্ভাৱনা অধিক।

ইৰান-ভাৰত সম্পৰ্ক এক দীঘলীয়া সভ্যতাগত ঐতিহ্য আৰু বৰ্তমানৰ বাস্তৱ কূটনৈতিক প্ৰয়োজনৰ সমন্বয়। অতীতৰ ভাষা, সাহিত্য আৰু সাংস্কৃতিক সংযোগে এই সম্পৰ্কক শক্ত ভিতি প্ৰদান কৰিছে, আৰু বৰ্তমানৰ কৌশলগত স্বাৰ্থই ইয়াক নতুন ৰূপ দিছে। সেয়ে ক'ব পাৰি যে ইৰান আৰু ভাৰতৰ সম্পৰ্ক কেৱল দ্বিপাক্ষিক নহয়; ই দক্ষিণ এছিয়া আৰু পশ্চিম এছিয়াৰ সামগ্ৰিক স্থিতিশীলতাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এক গুৰুত্বপূৰ্ণ আঞ্চলিক সমীকৰণ।

# খোমেইনিৰ পতন ভৱিষ্যত পৰিস্থিতি

ড° আৰ কে বেজবৰুৱা

আলী হোছেইন আয়াতুল্লা খোমেইনিৰ মৃত্যুৰ তাৰিখ হঠাতে নিৰ্দিষ্ট হোৱা নাছিল। বহু দিন আগৰে পৰাই তাৰ পৰিকল্পনা আৰু আঁচনি তৈয়াৰ কৰি থোৱা আছিল। অকল খোমেইনিয়েই নহয়, তেওঁৰ সৈতে আন কেইবাজন উচ্চ পৰ্যায়ৰ নেতাক হত্যাৰ আঁচনি আমেৰিকাই কৰি ৰাখিছিল। হঠাতে সুযোগ আহিল ২৮ ফেব্ৰুৱাৰীত। আমেৰিকাৰ দাবী অনুসৰি ইৰানত পৰমাণু বোমা তৈয়াৰ কৰাৰ কাম প্ৰায় সম্পূৰ্ণ হৈছিল। সিদিনা দেশৰ উচ্চ পৰ্যায়ৰ মন্ত্ৰী আৰু সেনা শীৰ্ষ বিষয়াৰ লগত সেই বিষয়ে আলোচনা কৰাৰ বাবে মিলিত হৈছিল। খবৰ পোৱা মাত্ৰকেই আক্ৰমণ হয় আৰু আলী হোছেইন আয়াতুল্লা খোমেইনিৰ লগতে আন ৪০জন লোকৰ মৃত্যু হয়। খোমেইনিৰ মৃত্যুৰ প্ৰতিশোধ ল'বলৈ ইৰানৰ পৰৱৰ্তী শীৰ্ষ নেতৃত্বই ৯খন দেশত দ্ৰোণ, বেলেষ্টিক মিচাইলেৰে আক্ৰমণ কৰে। ইৰানে যদিয়ো দাবী কৰিছিল সেই আক্ৰমণ কেৱল আমেৰিকাৰ সৈনিক ঠিকনাত কৰা হৈছে বুলি, দৰাচলতে, তেওঁলোকৰ কোনো নিৰ্দিষ্ট লক্ষ্য নাছিল বাবে মানুহৰ বাসস্থানতো আঘাত কৰিছিল।

আলী হোছেইন আয়াতুল্লা খোমেইনিৰ বিৰুদ্ধাচৰণ কৰা লোক ইৰানত আছে যদিয়ো তেওঁৰ মৃত্যুৰ পিছত দেশৰ নাগৰিকৰে নিজৰ নেতাৰ কাষত থিয় দিছে। সকলোৱে খোমেইনিৰ হত্যাৰ প্ৰতিশোধৰ বাবে উত্তাল হৈ শ্লোগান দিছে, কান্দিছে। তাৰ মাজতো এচাম নাগৰিক আনন্দিত হৈছে খোমেইনিৰ মৃত্যুত। ইছলামিক নীতিৰে চালিত ইৰানত ইমান দিনে তেওঁলোকৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। তেওঁলোকে বিচাৰে ১৯৭৯ চনৰ আগৰ ইৰান।

ইৰানত ৪০ দিনৰ শোক পালন চলি আছে যদিয়ো যুদ্ধ জাৰি ৰাখিছে। যুদ্ধ বন্ধ নকৰে তেতিয়ালৈকে যেতিয়া প্ৰতিশোধ সম্পূৰ্ণ নহ'ব। বিশেষজ্ঞৰ মতে, আমেৰিকাৰ সৈন্য বাহিনী ৰখা দেশৰ ক্ষতি কৰাৰ লগতে যিবোৰ দেশে আমেৰিকাত ইনভেষ্ট কৰিছে তেনে দেশকো ইৰানে লক্ষ্যত ৰাখিছে। বুৰ্জ খলিফা আক্ৰমণৰ কাৰণ তেনেকুৱাই। তালৈ পৃথিৱীৰ সকলোতকৈ বেছি বিদেশী পৰ্যটক যায় আৰু তাৰ পৰা চৰকাৰে বৃহৎ মুদ্ৰা উপাৰ্জন কৰে।

মধ্যপ্ৰাচ্যৰ একেবাৰে পূৱত অৱস্থিত প্ৰায় ১৬, ৪৮, ০০০ বৰ্গ কিলোমিটাৰ মাটি কালিৰে ত্ৰিভুজাকৃতিৰ বৰ্তমানৰ ইৰান এখন সমৃদ্ধিশালী ৰাষ্ট্ৰ। ইয়াৰ উত্তৰ-পশ্চিম সীমান্তত আছে তুৰস্ক আৰু ইৰাক। দক্ষিণ-পূৱত পাকিস্তান আৰু আফগানিস্তান। মধ্যপ্ৰাচ্যৰ ই দ্বিতীয় সৰ্ববৃহত দেশ। ইৰানৰ উত্তৰত আছে আৰ্মেনিয়া, আজাৰবাইজান, তুৰ্কমেনিস্তান আৰু কাস্পিয়ান সাগৰ। পূৱত আফগানিস্তান। দক্ষিণ দিশত ওমান উপসাগৰ, হৰমুজ প্ৰণালী আৰু পাৰস্য উপসাগৰ।

যোল্ল শতিকাৰ পৰাই ইৰানত জাফৰি ছিয়া ইছলাম ৰাষ্ট্ৰ ধৰ্ম হিচাপে প্ৰচলিত হৈ আহিছে। দেশৰ সংবিধানত ১৯৭৯ চনৰ পৰা ছিয়া ধৰ্মগুৰু সকলক চৰকাৰৰ গুৰুত্বপূৰ্ণ স্থানৰ অধিকাৰ দিয়া হৈছে। প্ৰায় ৯৩ শতাংশ ছিয়া মুছলমান, বাকীখিনি ছুন্নী। ২০০৬ চনৰ তথ্য অনুসৰি ইৰানৰ জনসংখ্যা প্ৰায় ৭, ০০, ৪৯, ২৬২ জন।

খ্ৰীষ্টপূৰ্ব ৬ষ্ঠ শতাব্দীৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি পাৰ্ছিয়া আছিল ইতিহাস প্ৰসিদ্ধ পাৰস্য সাম্ৰাজ্যৰ কেন্দ্ৰ স্থল। 'পাৰ্ছ' আছিল গ্ৰীক সকলে দিয়া নাম। 'পাৰ্ছ'ৰ পৰাই ইউৰোপীসকলে তাক পাৰ্ছিয়া বুলি কৈছিল। কিন্তু তাৰ অধিবাসীয়ে সেই নামেৰে চিনাকি দিয়া নাছিল। সেই সময়ত তাত আছিল আৰ্য্য গোষ্ঠীৰ মানুহৰ বসতি। আৰ্য্যগোষ্ঠী সম্ভূত শব্দ 'ইৰান' বা ইৰন্ নামেৰ এৰোঁলোকে নিজৰ পৰিচয় দিছিল।

বিভিন্ন উত্থান পতনৰ মাজেৰে ইৰানৰ ৰাজতন্ত্ৰ আগবাঢ়ি গৈ আছিল। ১৫০১ চনৰ আগলৈ ইৰানত ৰাজতন্ত্ৰৰ প্ৰচলন আছিল। ১৫০১ চনৰ পৰা ইৰান শ্বাহৰ অধীনলৈ যায়। কিন্তু ১৯৭৯ চনত ইৰানত ইচলামিক গণঅভ্যুত্থান ঘটে আৰু ইছলামীক প্ৰজাতন্ত্ৰৰ স্থাপন হয়। ইৰান আৰু আমেৰিকাৰ সৌহাদ্যপূৰ্ণ মাজত মিতিৰালি হৈছিল উনৈশ শতিকাৰ মাজ ভাগৰ পৰা। আজি আমেৰিকাই ইৰানৰ জনসাধাৰণক শাসন পৰিবৰ্তনৰ বাবে যেনেদৰে আহ্বান জনাইছে, ঠিক তেনেকুৱাই শাসনৰ পৰিবৰ্তন কৰাইছিল। মহম্মদ মচাদ্দেঘৰ শাসনৰ শেষ কালছোৱাত আমেৰিকাই ইৰানৰ সামৰিক অভ্যুত্থানত সমৰ্থন দিছিল। মহম্মদ ৰেজা পহ্লৱিয়ে সামৰিক অভ্যুত্থানৰ সহায়ত আমেৰিকাৰ সমৰ্থনত শাসনত বহিছিল। সেই সময়ত ৰাজনৈতিক ভাৱে আমেৰিকা ইৰানৰ মিত্ৰ হৈ উঠিছিল। ১৯৭৯ চনৰ ইৰানীয় বিপ্লৱে পৰিস্থিতি সলনি কৰি দিলে। ১৯৮০ৰ পৰা ইৰান আৰু আমেৰিকাৰ মাজত সকলো ধৰণৰ আনুষ্ঠানিক সম্পৰ্ক ছেদ কৰা হয়। শেষত হৈ ইৰানৰ সৰ্বোচ্চ নেতা আলি খোমেইনিয়ে ২০১৮ চনত আমেৰিকাৰ লগত প্ৰত্যক্ষ বাৰ্তালাপো নিষিদ্ধ কৰিলে।

১৯৯৫ চনত আমেৰিকাই ইৰানৰ ওপৰত অৰ্থনৈতিক বাধা আৰোপ কৰিছিল। তাৰ কাৰণ আছিল ইৰানে আমেৰিকাৰ প্ৰভুত্বৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰা। অৱশেষ ২০১৫ চনৰ আমেৰিকাৰ 'জইণ্ট কম্প্ৰেহেন্সিভ প্লেন অৱ এ'ন'ৰ বাবে দুয়ো দেশৰ মাজত হোৱা আলোচনাত ইৰানে পৰমাণু অস্ত্ৰ নিৰ্মাণ নকৰাৰ বাবে সন্মত হয়। ফলত ২০১৬ চনৰ পৰা ইৰানৰ ওপৰৰ অৰ্থনৈতিক নিষেধ প্ৰত্যাহাৰ কৰা হয়। কিন্তু ২০১৮ চনত ট্ৰাম্পে পুনৰ বাধা দিবলৈ ধৰে। ইৰানে বহু ক্ষেত্ৰত আমেৰিকাৰ স্বৰ্ত মানি লৈছিল। শেষত যেতিয়া ইৰানে বেলাষ্টিক ক্ষেপণাস্ত্ৰ তৈয়াৰ কৰা কাৰ্য্যটো আমেৰিকাই বাধা প্ৰদান কৰিছিল। বৰ্তমানেও ইৰানৰ ওপৰত ৯২টা নিষেধাজ্ঞা আছে বুলি জনা যায়। চাবলৈ গ'লে এখন সাৰ্বভৌম ৰাষ্ট্ৰই কাৰো এনেকুৱা নিয়ন্ত্ৰণৰ চাপত নাথাকে বা থাকিব নোৱাৰে। প্ৰতিক্ৰিয়া ঘটিবই।

এই প্ৰতিক্ৰিয়াই এতিয়া জন্ম দিছে অসংখ্য ঘটনা আৰু বিদ্ৰোহী কাৰ্য্যকলাপৰ। কিছু সংখ্যক খোমেইনি সমৰ্থকৰ হাতত পাকিস্তানৰ আমেৰিকান কনচুলেট জ্বলি গৈছে। চৰকাৰ প্ৰশাসনৰ হাতত দহ জনৰ অধিক লোকৰ প্ৰাণ গৈছে। পাকিস্তানৰ গতি কি হ'ব সেয়া ভৱিষ্যতে ক'ব। যি দেশতে ছিয়া আছে মুছলমান আছে, সকলোতে আমেৰিকান দূতাবাস বন্ধ কৰাৰ চেষ্টা চলাই আছে। ভাৰতো প্ৰভাৱান্বিত হৈছে। সূত্ৰ মতে, প্ৰিয়ংকা বাদ্ৰা, মেহবুবা মুফতি আৰু আচাদুদ্দিন ৱেচি ভাৰতৰ মুছলমানৰ মনত প্ৰতিবাদৰ জাগৰণ অনাত সফল হোৱা বুলি জানিব পৰা গৈছে।

নতুন শীৰ্ষ পদাধিকাৰ বাছনিৰ বাবে প্ৰস্তুতি চলাই থকাৰ কথা ইৰানে জানিব দিছে। কোন কেতিয়া হ'ব শীৰ্ষ নেতা সেয়া ইৰানৰ বাবে ডাঙৰ কথা নহয়, যুদ্ধহে ডাঙৰ। কিন্তু ইৰানে কিমান দিন যুদ্ধ অব্যাহত ৰাখিব সেইয়া নিৰ্ভৰ কৰিছে তেওঁলোকৰ হাতত থকা অস্ত্ৰ ভাণ্ডাৰে। হুটী, হামাচ আদি সংগঠনৰ কঁকাল ভঙা। বন্ধুদেশ ৰাছিয়া নিজেই চাৰি বছৰ ধৰি ইউক্ৰেইনৰ লগত যুঁজ বাগৰ কৰি ভাগৰি পৰিছে। চীন প্ৰত্যক্ষ যুদ্ধত নাথাকে। বন্ধু তুৰ্কীয়ে ইৰানৰ সৈতে আছে বুলি ঘোষণা কৰিছে। লগে লগে ইজৰাইলে তাক দ্বিতীয় শত্ৰু ৰূপে চিহ্নিত কৰিছে। ভাৰত ইজৰাইল বন্ধু, ইপানৰো শত্ৰু নহয়। যুদ্ধৰ দুদিন আগতেই প্ৰধান মন্ত্ৰী মোডীয়ে নেতান্যাহুৰ সংসদত ভাষণ দি আহিছে। সেই ফালৰ পৰা চাবলৈ গ'লে ভাৰতে কোনো কাৰণতেই ইৰানৰ হৈ মাত নামাতে। অলপ আগতে সম্পূৰ্ণ হোৱা উচ্চ স্তৰীয় বৈঠকত কি আলোচনা কৰা হৈছে, তাক জনা নাযায় যদিও প্ৰধান মন্ত্ৰী মোডীয়ে ইউ এ ই ত হোৱা আক্ৰমণৰ নিন্দা কৰিছে আৰু সকলো সময়তে ইউ এ ই ৰ কাষত থকাৰ কথা ব্যক্ত কৰিছে। এই কথাত ইৰানৰ প্ৰতি প্ৰেমৰ ভাৱ ৰখা ভাৰতৰ নাগৰিক আৰু নেতাসকল যে সন্তুষ্ট নহ'ব, সি নিশ্চিত। এই পৰ্যন্ত ৰাষ্ট্ৰ সংঘৰ ফালৰ পৰা কোনো প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। হয়তো আমেৰিকাৰ নিৰ্দেশলৈ ৰৈ আছে। আমেৰিকাৰ কামেই হৈছে পৃথিৱীৰ সকলো দেশৰ ওপৰত দপ্‌দপনি অব্যাহত ৰখা আৰু আগে আগে নিজৰ সিদ্ধান্ত বখানি যোৱা। কিছু সময় পূৰ্বে ট্ৰাম্পে কৈছিল যে ইৰানৰ নতুন নেতাই যুদ্ধ সমাপ্ত কৰাৰ কথা ভাবিছে। গতিকে তেওঁৰ ওচৰলৈ প্ৰস্তাৱ যাব লাগে। কথাটো সকলোৱে হজম কৰিব পৰা নাই। 'অপাৰেচন সিন্দুৰ'ও ট্ৰাম্পে বন্ধ কৰা বুলি দাবী কৰিছিল।

যুদ্ধ সকলোৰে বাবে কাম্য নহয়। কিন্তু তাক বন্ধ কৰিবলৈও সহজ নহয়। যোৱা ৰাতি বাংলাদেশৰ সৈন্যই ভাৰতৰ সীমান্তত আতংক সৃষ্টি কৰিছে। গতিকে ভাৰত সকলো সময়তে সতৰ্ক হৈ থকা উচিত। খোমেইনিৰ পতনৰ পিছত পৃথিৱীৰ যে ভৱিষ্যত আৰু অধিক উত্তপ্ত হ'ব সেয়া নিশ্চিত। যদিহে ইৰানৰ হাতত ইতিমধ্যে পৰমাণু বোমা প্ৰস্তুত হৈ উঠিছে, তাক এৰি নিদিবলৈ ইৰানে দ্বিতীয় বাৰ চিন্তা নকৰে। গতিকে, পৃথিৱীয়ে আৰু এবাৰ পৰমাণু শক্তিৰ ধ্বংস চাবলৈ যেন প্ৰস্তুতি চলাইছে।

### মহিলাৰ বস্ত্ৰ খুলি খুঁটাত বান্ধি বৰ্বৰ অত্যাচাৰ এদল উন্মাদ লোকৰ

# সোপাধৰাৰ সন্দেহ, নলবাৰীৰ মুকালমুৱাত ভয়ংকৰ কাণ্ড

**অসম বাৰ্তা, দৌলাশাল, ১০ মাৰ্চ ঃ** নলবাৰী জিলাৰ মুকালমুৱাত সংঘটিত হৈছে ভয়ংকৰ ঘটনা। মুকালমুৱা থানাৰ পৰা এক কিলোমিটাৰ নিলগত অৱস্থিত সাপ্তাহিক বজাৰত আজি সংঘটিত হৈছে বৰ্বৰোচিত অমানৱীয় ঘটনা। সোপাধৰাৰ সন্দেহত এগৰাকী মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাৰ ওপৰত জঁপিয়াই পৰে এদল উন্মাদ লোক। মুকালমুৱাৰ মঙ্গলবৰীয়া সাপ্তাহিক বজাৰত একাংশ উন্মাদ লোকৰ ভয়ংকৰ আক্ৰমণৰ বলি হয় এগৰাকী দুৰ্ভগীয়া মহিলা। আজি পুৱা ১০ মান বজাত মুকালমুৱাৰ সাপ্তাহিক বজাৰত সোপাধৰাৰ সন্দেহত এগৰাকী মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাক একাংশ উন্মাদ তথা অমানৱীয় লোকে ভয়ানকভাৱে অত্যাচাৰ চলায়। মঙ্গলবৰীয়া বজাৰৰ সহস্ৰাধিক ক্ৰেতা-বিক্ৰেতাৰ উপস্থিতিত মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাগৰাকীৰ ওপৰত একাংশ উন্মাদ পুৰুষে জঁপিয়াই পৰি মহিলাগৰাকীক বাঁহ, লাঠি, টাঙোন আদিৰে গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰে। ইমানেই নহয় মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাগৰাকীৰ কাপোৰ পৰ্য্যন্ত ফালি উন্মাদ পুৰুষসকলে আসুৰিক তৃপ্তিত মাতাল হোৱা দেখা যায়। পৰৱৰ্তী সময়ত মহিলাগৰাকীক বজাৰৰ মাজত থকা খুঁটা এটাত বান্ধি ধাৰাসাৰ আক্ৰমণ চলাই পাশৱিক পৰিচয় দাঙি ধৰে। উন্মাদ লোকসকলৰ নিৰ্দয় আচৰণ প্ৰত্যক্ষ কৰি বহু সংখ্যক লোকে মহিলাগৰাকীক উদ্ধাৰ কৰাৰ বিপৰীতে অসহায় হৈ নিজৰ নিজৰ মবাইলৰ কেমেৰাত বন্দী কৰে সমগ্ৰ ঘটনাটো। উন্মাদ লোক সকলৰ নৃশংস আক্ৰমণত মহিলাগৰাকী ধৰাশায়ী হৈ মুমূৰ্ষু হৈ পৰে। পৰৱৰ্তী সময়ত ঘটনা সংক্ৰান্তত মুকালমুৱা আৰক্ষী উপস্থিত হৈ মহিলাগৰাকীক হৃদয়হীন মানুহৰ মাজৰ পৰা উদ্ধাৰ কৰি মুকালমুৱা মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। উন্মাদ লোকৰ আক্ৰমণত ধৰাশায়ী মহিলাগৰাকীৰ অৱস্থা গুৰুতৰ হোৱাত সংকটজনক অৱস্থাত মহিলাগৰাকীক ততাতৈয়াকৈ নলবাৰী মেডিকেল কলেজ হস্পিটাললৈ প্ৰেৰণ কৰে। মুকালমুৱাৰ সাপ্তাহিক বজাৰৰ অমানৱীয় সমগ্ৰ ঘটনাটো মুহূৰ্ততে সামাজিক মাধ্যমত বনজুইৰ দৰে বিয়পি পৰে। বাতৰি লিখা পৰ্য্যন্ত মানসিকভাৱে বিকাৰগ্ৰস্ত মহিলাগৰাকী কামৰূপ জিলাৰ হাজো থানা এলেকাধীন অঞ্চলৰ বুলি খবৰ লাভ কৰা গৈছে যদিও মহিলাগৰাকীৰ প্ৰকৃত পৰিচয় উদ্ধাৰ হোৱা নাই। বাতৰি যুগুত কৰা পৰ্য্যন্ত ঘটনা সংক্ৰান্তত মুকালমুৱা আৰক্ষীয়ে কোনোধৰণৰ গোচৰ ৰুজু কৰা নাই যদিও আৰক্ষীয়ে ঘটনা সংক্ৰান্তত নিজাববীয়া গোচৰ ৰুজু কৰিব বুলি জানিব পৰা গৈছে। এইক্ষেত্ৰত মুকালমুৱা অঞ্চলৰ একাংশ সচেতন ব্যক্তিয়ে ঘটনা সংক্ৰান্তত মুকালমুৱা আৰক্ষীক গোচৰ ৰুজু কৰি ভাইৰেল ভিডিঅ' সমূহৰ জৰিয়তেই দুৰ্বৃত্তক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

# ৰহাত ১২ মাৰ্চত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ন-পুৰণি সতীৰ্থ সন্মিলন

**অসম বাৰ্তা, ৰহা, ১০ মাৰ্চ ঃ** বৰ্ষ ১৯৭৮চনৰ ১২ মাৰ্চত স্থাপিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ৪৮সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ন পুৰণি সতীৰ্থ সন্মিলন উল্লহ মালহেৰে পালনৰ বাবে ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, নগাঁও জিলা সমিতিৰ উদ্যোগত আৰু ৰহা আঞ্চলিক সমিতিৰ আতিথ্যত অহা ১২মাৰ্চত ৰহা ক্ৰীড়া সন্থা ভৱনত অনুষ্ঠিত হব লগা ৪৮সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ন-পুৰণি সতীৰ্থ সন্মিলন বাবে ব্যাপক প্ৰস্তুতি চলাই থকাৰ লগতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মা, সাধাৰণ সম্পাদক হেমন্ত দাস আৰু ৰহা আঞ্চলিক সমিতিৰ সভাপতি ৰুবুল মুদৈ, সাধাৰণ সম্পাদক গুনেন্দ্ৰ ডেকাই জানিব দিয়া অনুসৰি ১২ মাৰ্চত পুৱা পতাকা উত্তোলন কৰিব জিলা সমিতি সভাপতি প্ৰবাল শৰ্মা, স্মৃতি তৰ্পন কৰিব সাধাৰণ সম্পাদক হেমন্ত দাসে। সতীৰ্থ স্মৰণ কৰিব নগাঁও জিলা সমিতিৰ উপদেষ্টা হৰি প্ৰসাদ ৰাজখুৱাই আৰু বৃক্ষ ৰোপণ কৰিব ক্ৰমে ৰহা সমজিলা আয়ুক্ত ডঃ অংকীতা বৰা, ৰহা সমজিলা আৰক্ষী অধীক্ষক সোণমণি শইকীয়া, ৰহা মহাবিদ্যালয় ৰ অধ্যক্ষ ডঃ বেদ কুমাৰ চলিহা আৰু ৰহা মীন মহাবিদ্যালয় ৰ ডীন ডঃ প্ৰদীপ চন্দ্ৰ ভূঞাই। অঃজাঃ যুঃছাঃপঃ নগাঁও জিলা সমিতিৰ ৰক্ত ভড়াঁল উদ্বোধন কৰিব নগাঁও যুটিয়া স্বাস্থ্য সঞ্চালক (ভাৰপ্ৰাপ্ত) ডঃ পঞ্চম বৰা। তাৰ পাছত উলিওৱা হব বাৰেৰহণীয়া সাংস্কৃতিক শুভাযাত্ৰা। সাংস্কৃতিক শুভাযাত্ৰাৰ উদ্বোধন কৰিব নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা আৰু শুভাযাত্ৰাত উপস্থিত থাকিব বিশিষ্ট অভিনেতা যতীন বৰা, বিশিষ্ট কণ্ঠশিল্পী কৃষ্ণমণি নাথ। সাংস্কৃতিক শুভাযাত্ৰাৰ পাছত দুপৰীয়া ১.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা ন-পুৰণি সতীৰ্থ সন্মিলন। নগাঁও জিলা সমিতি সভাপতি প্ৰবাল শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হব লগা ন পুৰণি সতীৰ্থ সন্মিলনৰ উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, নগাঁও জিলা সমিতিৰ উপদেষ্টা প্ৰদীপ শইকীয়াই। সন্মিলনত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকিব অঃজাঃ যুঃছাঃপঃৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বনিয়া, প্ৰাক্তন সাধাৰণ সম্পাদক কনক হাজৰিকা, সাংগঠনিক সম্পাদক দীপমণি বৰা, শিক্ষা সম্পাদক গীতাৰ্থ শইকীয়া আৰু কাৰ্যনিৰ্বাহক সদস্য দেৱাশিস দাস। সন্ধ্যা ৫ বজাত নগাঁও জিলা সমিতিৰ যুটীয়া সম্পাদক নীলোৎপল হাজৰীকাৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটিৰ সফল সমাপ্তি ঘটিব।

# দৈমুখীয়া আৰু চেঙেলীজানত দুটা নৱনিৰ্মিত স্বাস্থ্য উপ-কেন্দ্ৰ উদ্বোধন মন্ত্ৰী ৰূপেশ গোৱালাৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১০ মাৰ্চ ঃ** গ্ৰাম্য স্তৰত স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে তিনিচুকীয়া জিলাৰ হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ দৈমুখীয়া আৰু চেঙেলীজান অঞ্চলত নতুনকৈ নিৰ্মিত দুটা স্বাস্থ্য উপ-কেন্দ্ৰৰ ভৱন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই জিলা আৰু খণ্ড পৰ্যায়ৰ স্বাস্থ্য বিষয়াসকলৰ উপস্থিতিত এই স্বাস্থ্য কেন্দ্ৰ দুটা উদ্বোধন কৰে। এই কেন্দ্ৰ দুটা দুয়োটা অঞ্চলৰ প্ৰাথমিক স্বাস্থ্য পৰিকাঠামো উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। প্ৰতিটো কেন্দ্ৰ ৫২ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে আৰু আধুনিক সুবিধাৰে সজ্জিত এই স্বাস্থ্য কেন্দ্ৰসমূহে গ্ৰাম্য জনসাধাৰণক প্ৰয়োজনীয় স্বাস্থ্যসেৱা আগবঢ়োৱাত বিশেষ সহায় কৰিব বুলি আশা কৰা হৈছে। এই কেন্দ্ৰ দুটাই ওচৰ-চুবুৰীয়া গাঁৱৰ বাসিন্দাসকলক সহজে চিকিৎসা সেৱা লাভ কৰাৰ সুযোগ দিয়াৰ লগতে দূৰৱৰ্তী চিকিৎসালয়ৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় কৰিব। এই প্ৰকল্পসমূহ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য পৰিকাঠামো অভিযান (PM-ABHIM)ৰ অধীনত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে। ২০২১ চনত আৰম্ভ হোৱা এই ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে স্বাস্থ্য উপ-কেন্দ্ৰসমূহক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীত কৰাৰ লগতে দেশজুৰি প্ৰাথমিক স্বাস্থ্য পৰিকাঠামো শক্তিশালী কৰা। দৈমুখীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত বিছাকপি ট্ৰলী লাইনত নিৰ্মাণ কৰা দৈমুখীয়া গাঁও স্বাস্থ্য উপ-কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী ৰূপেশ গোৱালাই কয় যে নতুনকৈ উদ্বোধন কৰা স্বাস্থ্য কেন্দ্ৰসমূহে তৃণমূল স্তৰত উন্নত আৰু সহজলভ্য স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দৃঢ় অঙ্গীকাৰ প্ৰতিফলিত কৰিছে। তেওঁ আশা প্ৰকাশ কৰে যে এই কেন্দ্ৰসমূহে অঞ্চলটোৰ হাজাৰ হাজাৰ বাসিন্দাক উপকৃত কৰাৰ লগতে গ্ৰাম্য স্বাস্থ্য ব্যৱস্থাক অধিক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। তেওঁ নৱনিৰ্মিত দৈমুখীয়া গাঁও স্বাস্থ্য উপ-কেন্দ্ৰটোৰ চৌহদৰ পকী বেৰ নিৰ্মাণ কৰিবলৈ শেহতীয়াকৈ পুঁজি আবণ্টন দিয়া বুলিও উল্লেখ কৰে। দৈমুখীয়াত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত তিনিচুকীয়া জিলাৰ ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মিনাক্ষী হাজৰিকা, ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈ, দৈমুখীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী দীপমালা কৰ্মকাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী গিৰিধৰ নন্দ, সাংবাদিক তথা স্থানীয় বাসিন্দা অভিজিৎ খাটনিয়াৰ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি, স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

### অপপ্ৰচাৰক বিশ্বাস নকৰিবলৈ ৰাইজলৈ আহ্বান

# ডবকাত সোপাধৰাৰ আতংক

**অসম বাৰ্তা, ডবকা, ১০ মাৰ্চ ঃ** শেহতীয়াকৈ হোজাই জিলাৰ ডবকা অঞ্চলত সোপাধৰাৰ অপপ্ৰচাৰৰ কেন্দ্ৰ কৰি এক আতঙ্কজনক পৰিস্থিতিৰ সৃষ্টি হোৱা দেখা গৈছে। ডবকা আৰু ইয়াৰ ওচৰ পাজৰৰ বহু কেইখন গাঁও এলেকাত এই বিষয়টো লৈ ব্যাপক আলোচনা আৰু উৎকণ্ঠাৰ সৃষ্টি হৈছে। সামাজিক মাধ্যমত বিভিন্ন ধৰণৰ ভিডিঅ বিয়পি পৰাৰ পাছতেই সাধাৰণ ৰাইজৰ মাজত ভয় আৰু সন্দেহৰ পৰিবেশ গঢ়ি উঠিছে। কিছু সচেতন ৰাইজে জনোৱা অনুসৰি নিশা হ'লেই বহু গাঁৱত গাঁওবাসী সকলো দলবদ্ধ হৈ গুৱা ফিৰা কৰা দেখা গৈছে। বহু ঠাইত মানুহে হাতে হাতে লাঠি, টচ লাইট আৰু বিভিন্ন ধৰণৰ সামগ্ৰী লৈ নিজৰ নিজৰ গাঁৱৰ চাৰিওফালে পহৰা দিয়া আৰম্ভ কৰিছে। অলপো সন্দেহজনক শব্দ, কুকুৰৰ ভুকনি বা চিঞৰ-বাখৰ শুনিলেই গাঁওবাসী সকলো একেলগে ওলাই আহে আৰু সন্দেহজনক ব্যক্তি বিছাৰি ফুৰে। ইফালে সামাজিক মাধ্যমত কিছুমান ভিডিঅ'ত "সোপাধৰা ধৰা পৰিল" বুলি প্ৰচাৰ হোৱা দেখা গৈছে যদিও এই ঘটনাৰ কোনো সত্যতা এতিয়াও স্পষ্ট হোৱা নাই। কিছুমান বিডিঅ বিভিন্ন ঠাইৰ নাম উল্লেখ কৰি ভুৱা প্ৰচাৰ কৰা হৈছে বুলিও সন্দেহ প্ৰকাশ কৰিছে স্থানীয় সচেতন মহলে। ফলত অপপ্ৰচাৰে সাধাৰণ ৰাইজৰ মাজত ভয়ৰ পৰিবেশ অধিক বৃদ্ধি কৰিছে। স্থানীয় সমাজ সচেতন ৰাইজে এতিয়ালৈকে ডবকা বা ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত খোপাধৰা ধৰা পৰাৰ কোনো নিশ্চিত ঘটনা হোৱা নাই বুলি জানিব দিয়ে। সচেতন ৰাইজে জনসাধাৰণক সামাজিক মাধ্যমত বিয়পি পৰা অপপ্ৰচাৰক বিশ্বাস নকৰিবলৈ আহ্বান জনাইছে। সন্দেহজনক কোনো লোক দেখা পালে নিজে আইন হাতত নলৈ তৎক্ষণাৎ আৰক্ষীক খবৰ দিবলৈও আহ্বান জনাইছে। সমাজ সচেতন ব্যক্তিসকলে সাধাৰণ ৰাইজক এই বিষয়ত সকলোকে সংযম বজাই ৰাখিবলৈ আহ্বান জনাইছে। তেওঁলোকৰ মতে বহু সময়ত অপপ্ৰচাৰৰ ফলতেই নিৰ্দোষী লোক সন্দেহৰসস্বিকাৰ হৈ আক্ৰমণৰ সন্মুখীন হব লগিয়া হয়। ইতিপূৰ্বে ৰাজ্যৰ বিভিন্ন ঠাইত গুজৱৰ ভিত্তিত জনতাই আইন হাতত লৈ অনাকাংক্ষিত ঘটনা সংঘটিত হোৱা নজিৰো আছে। সেয়েহে সত্যতা নিশ্চিত নকৰাকৈ কোনো খবৰ বা ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ নকৰিবলৈ সকলোকে সতৰ্ক কৰা হৈছে। বৰ্তমান ডবকা অঞ্চলত খোপাধৰাৰ গুজৱে মানুহৰ মাজত আতঙ্কৰ পৰিবেশ সৃষ্টি কৰিছে যদিও বাস্তৱত ইয়াৰ সত্যতা এতিয়াও স্পষ্ট হোৱা নাই।

### আউনীআটী সত্ৰৰ বেতৰ বিচনীৰ প্ৰশিক্ষণ

# জিআইটেগ অভিযানত মহিলা সেনানী

**অসম বাৰ্তা, উজনী মাজুলী, ১০ মাৰ্চ ঃ** ঐতিহাসিক শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ ৩৫০ বছৰ পুৰণি হস্তশিল্প বেতৰ বিচনীৰ জি আই টেগ অৰ্জনৰ প্ৰচেষ্টাত এইবাৰ জড়িত হৈছে মহিলাও। মহিলা উদ্যমিতাৰ অন্যান্য নিদৰ্শন দাঙি ধৰি মাজুলী নতুন বোকোৰা গাঁৱৰ দহগৰাকী মহিলাই বেতৰ বিচনী তৈয়াৰ কৰা শিকিবৰ বাবে অহা ১৫ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব লগীয়া প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব। স্বেচ্ছাসেৱী সংগঠন "মাজুলীৰ সাহিত্য" এই অপূৰ্ব হস্তশিল্প বিধৰ উদ্যোগীকৰণৰ লগতে ইয়াৰ জি আই টেগ অৰ্জনৰ বাবে অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ পৃষ্ঠপোষকতাত ২০২৫ চনৰ পৰা লৈ অহা পদক্ষেপ অনুসৰি এইবছৰ এটি ২০ দিনীয়া প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰিছে। যোৱা বছৰ ডিচেম্বৰ মাহত চৰাইচোং উৎসৱত আৰম্ভণি কৰি থোৱা এই বেতৰ বিচনী তৈয়াৰ প্ৰশিক্ষণ কৰ্মশালাৰ পূৰ্ণাংগ কুৰিদিনীয়া প্ৰশিক্ষণ অহা ১৫ মাৰ্চৰ পৰা আৰম্ভ হ'ব। এই প্ৰশিক্ষণত মুঠ ২০ গৰাকী শিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিব। উল্লেখযোগ্য, এই কুৰিজনৰ ভিতৰত ১০ গৰাকীয়েই মহিলা হোৱাতো অন্যতম উৎসাহ জনক খবৰ। সমানে দুঠাইত ৰূপায়িত হ'বলগীয়া প্ৰশিক্ষণৰ নতুন বোকোৰা গাঁৱৰ প্ৰশিক্ষণথলীত মহিলা কেইগৰাকীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিব। উল্লেখযোগ্য, পূৰ্বে প্ৰশিক্ষণ গ্ৰহণ কৰাৰ লগতে আউনীআটী সত্ৰৰ বিশিষ্ট কেইবাগৰাকী জ্যেষ্ঠ শিল্পীক মাজুলীৰ সাহিত্যই ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগত আবেদন কৰি মুঠ সোত্তৰ গৰাকী শিল্পীক আৰ্টিচেন কাৰ্ড প্ৰদান কৰাইছে। তেনে কাৰ্ড প্ৰাপক শিল্পীৰ দ্বাৰা এই প্ৰশিক্ষণ সমূহ পৰিচালিত হ'ব। তেনে কাৰ্ড প্ৰাপক তথা ইতিপূৰ্বে প্ৰশিক্ষণ সম্পন্ন কৰা মহিলা শিল্পীৰ দ্বাৰা বোকোৰা গাঁৱৰ প্ৰশিক্ষণ পৰিচালিত হ'ব। ১৫ মাৰ্চৰ দিনা পুৱাবেলা ভকতিদুৱাৰ জ্যোতি ৰঙ্গঘৰত প্ৰথমটো প্ৰশিক্ষণ আৰম্ভ হোৱাৰ বিপৰীতে আবেলি বোকোৰা গাঁৱৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ ঘটিব। আৰম্ভ অনুষ্ঠানত স্থানীয় বিশিষ্ট ব্যক্তিৰ লগতে অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ বিষয়াসকলৰ অংশগ্ৰহণ সম্ভাৱনা আছে।

# থেকেৰাগুৰি বিহু বাকৰিত ঢকুৱাখনা বিধানসভা সমষ্টিভিত্তিত অৰুণোদয় আঁচনি ৩.০ৰ মুকলি সভা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১০ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাউলধোৱা গাঁও পঞ্চায়তৰ থেকেৰাগুৰি বিহু বাকৰিত হেজাৰ হেজাৰ মহিলাক লৈ অনুষ্ঠিত হয় অৰুণোদয় আঁচনি ৩.০ মুকলিৰ ঢকুৱাখনা বিধানসভা সমষ্টি ভিত্তিত এখন বৃহৎ সভা। মহিলাসকলৰ একাউণ্টত অৰুণোদয় আঁচনিৰ ৯ হেজাৰ কৈ টকা সোমাৱাত উৎফুল্ল হৈ পৰে মহিলাসকল। গুৱাহাটীত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয়ভাৱে এই অৰুণোদয় আঁচনিৰ ৩.০ৰ ধন অনুষ্ঠানিকভাৱে মুকলি কৰে। এই সন্দৰ্ভত তেওঁ প্ৰদান কৰা ভাষণ শ্ৰৱণ কৰি সভাত অংশগ্ৰহণকাৰী মহিলাসকলে মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। বিধায়ক নৱ কুমাৰ দলেয়ে ভাষণ প্ৰসংগত মহিলা সৱলিকৰণত বিজেপি চৰকাৰে সবাতোকৈ অধিক গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰে। অনুষ্ঠানটোত ঢকুৱাখনা সম জিলা আয়ুক্ত অপূৰ্ব কুমাৰ নাথ, খণ্ড উন্নয়ন বিষয়া জিম্পী শইকীয়া, চাউলধোৱা গাঁও পঞ্চায়তৰ সভানেত্ৰী পিংকুমণি হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, নিৰ্বাচিত প্ৰতিনিধি, সমাজকৰ্মী উপস্থিত থাকে।

# তৃণমূল স্তৰত স্বাস্থ্যসেৱা শক্তিশালী কৰিবলৈ আশা কৰ্মীক মোবাইল ফোন প্ৰদান



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১০ মাৰ্চ ঃ** তৃণমূল স্তৰত স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে আজি তিনিচুকীয়া জিলাৰ শদিয়া আৰু ডুমডুমা বিধানসভা সমষ্টিত আশা (ASHA) কৰ্মী আৰু তেওঁলোকৰ পৰ্যবেক্ষকসকলৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। ৰাজ্য চৰকাৰৰ এই পদক্ষেপে তৃণমূল পৰ্যায়ত স্বাস্থ্যসেৱা প্ৰসাৰৰ ক্ষেত্ৰত নতুন গতি সঞ্চাৰ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ডাঙৰী সামূহিক কেন্দ্ৰত অনুষ্ঠিত এক অনুষ্ঠানত স্থানীয় বিধায়ক বলিন চেতিয়াই মোবাইল ফোন বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত আশা কৰ্মী আৰু পৰ্যবেক্ষকসকলক মুঠ ৩৯৮টা মোবাইল ফোন বিতৰণ কৰা হয়। এই ব্যৱস্থাই তৃণমূল স্তৰৰ স্বাস্থ্যকৰ্মীসকলৰ মাজত যোগাযোগ অধিক সুসংগঠিত কৰাৰ লগতে স্বাস্থ্য বিভাগৰ সৈতে তৎকালীন তথ্য প্ৰেৰণ, সমন্বয় আৰু দূৰৱৰ্তী অঞ্চলসমূহত স্বাস্থ্যসেৱা অধিক কাৰ্যকৰীভাৱে আগবঢ়োৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ডুমডুমা মাৰোৱাৰী পঞ্চায়তী ভৱনত অনুষ্ঠিত আন এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালাই সমষ্টিটোৰ আশা কৰ্মীসকলৰ মাজত ২১৬টা মোবাইল ফোন বিতৰণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তৃণমূল স্তৰত কৰ্মৰত স্বাস্থ্যকৰ্মীসকলক আধুনিক যোগাযোগ সঁজুলিৰে সজ্জিত কৰাটো জনস্বাস্থ্য ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ইয়াৰ ফলত স্বাস্থ্যসেৱা অধিক দ্ৰুত আৰু ফলপ্ৰসূভাৱে জনসাধাৰণৰ কাষ চাপিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখ্য যে, দুয়োটা বিধানসভা সমষ্টিত মিলি মুঠ ৬১৪টা মোবাইল ফোন বিতৰণ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ দৰে বিভিন্ন উদ্যোগৰ অধীনত ৰাজ্য চৰকাৰে প্ৰাথমিক স্বাস্থ্যসেৱা ব্যৱস্থাক আধুনিক আৰু অধিক কাৰ্যকৰী কৰাৰ বাবে অব্যাহত প্ৰচেষ্টা অব্যাহত ৰাখিছে। দুয়োটা অনুষ্ঠানতে জিলা আৰু খণ্ড পৰ্যায়ৰ স্বাস্থ্য বিষয়াসকল উপস্থিত থাকি কাৰ্যসূচীসমূহ সফলভাৱে সম্পন্ন কৰাত সহযোগ আগবঢ়ায়।

# মঙলদৈত জন শিক্ষণ সংস্থান ব'ৰ্ডৰ সভা সম্পন্ন

**অসম বাৰ্তা, মঙলদৈ, ১০ মাৰ্চ ঃ** জন শিক্ষণ সংস্থান, দৰঙৰ ব'ৰ্ডৰ বাৰ্ষিক সভাখন আজি ইয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। দৰঙৰ জিলা উন্নয়ন আয়ুক্ত দেবজিৎ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতেজন শিক্ষণ সংস্থান, দৰঙৰ সঞ্চালক শ্বেখ মহম্মদ আমীনে ব'ৰ্ডৰ সদস্য সকলক চা-চিনাকি কৰাই দিয়ে। ভাৰত চৰকাৰৰ স্কীল ডেভেলপমেণ্ট কাৰ্যসূচীৰ অধীনত চলিত বৰ্ষত জিলাখনত যুৱক-যুৱতী সকলৰ উপৰিও জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানত অধ্যয়নৰত শৈক্ষিক যুৱক-যুৱতী সকলকো সামৰি লৈ বিভিন্ন বৃত্তিমূলক কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষকৈ খাদ্য প্ৰস্তুত কৰণ বিভিন্ন হস্তশিল্প, বয়ন, কাপোৰ চিলাই, বিউটি এণ্ড ৱেলনেছ, মৌ পালন, মৎস্য পালন, মোবাইল ফোন ৰিপায়াৰিং, কম্পিউটাৰ, গ্ৰাফিক ডিজাইন, পুতলা, আগৰবাতি, মমবাতি প্ৰস্তুত কৰণ আদি বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদানেৰে যুৱক যুৱতী সকলক স্ব-নিৰ্ভৰ কৰি তোলাত সহায়ক হোৱা বিষয়ত গুৰুত্ব আৰোপ কৰিবলৈ ব'ৰ্ডৰ সদস্য সকলে দিহা পৰামৰ্শ আগবঢ়ায়। জিলা উন্নয়ন আয়ুক্ত দেবজিৎ বৰুৱাই প্ৰতিটো ট্ৰেডৰ বিপৰীতে পাৰদৰ্শী প্ৰশিক্ষণ নিয়োগ কৰি প্ৰশিক্ষণ প্ৰদানৰ পৰামৰ্শ দিয়ে যাতে নিৱনুৱা সকলে প্ৰশিক্ষণ গ্ৰহণ কৰি উঠি নিজাববীয়াকৈ সংস্থাপিত হ'ব পাৰে। ব'ৰ্ডৰ বৈঠকখনত সদস্য লীড বেংক মেনেজাৰ কিশোৰী ৰাম, মহিলা উদ্যোগী লীনা ডেকা বৰুৱা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ আৰিফা বেগম, শিক্ষা বিভাগৰ মৌচুমী চহৰীয়া, পংকজ সিং, ৰেচম বিভাগৰ আছাদ আলী, মাষ্টাৰ ট্ৰেইনাৰ কৃষ্ণ শইকীয়া, নয়ন দাস আদি উপস্থিত থাকে।

# বৰপেটা নাৰী কল্যাণ মঞ্চৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১০ মাৰ্চ ঃ** বৰপেটা জিলাৰ এটি উল্লেখযোগ্য নাৰী সংগঠন 'বৰপেটা নাৰী কল্যাণ মঞ্চ'ৰ উদ্যোগত ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী উদযাপন কৰা হয়। তদুপলক্ষে মঞ্চৰ সভাপতি দেৱলতা মেধিৰ সভাপতিত্বত বৰপেটা টাউন এথ্‌লেটিক ক্লাবৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বৰপেটা নাৰী কল্যাণ মঞ্চ'ৰ সম্পাদিকা ছায়াদেৱী দাসে। সভাৰ আৰম্ভণিতে মঞ্চৰ সদস্যসকলে ৰচক, সুৰকাৰ প্ৰদীপ মিশ্ৰৰ 'সৱে মিলি গাৱ আমি বৰপেটা নাৰী কল্যাণ মঞ্চ-জয় গান- শীৰ্ষক গীতটি পৰিবেশন কৰে। সভাত বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পদুমী তালুকদাৰ, কবি ছায়াৰাণী মেধি আৰু নিৰ্দ্দিষ্ট বক্তা হিচাপে বিদ্যালয় পৰিদৰ্শক নিয়তি পাঠকে নাৰী দিৱসৰ তাৎপৰ্যৰ ওপৰত তত্ত্ব গধুৰ বক্তব্য প্ৰদান কৰে। তদুপৰি সভাত বিশিষ্ট সুৰকাৰ-গীতিকাৰ প্ৰদীপ মিশ্ৰদেৱ আৰু বৰপেটা নাৰী কল্যাণ মঞ্চ'ৰ উপদেষ্টা ৰঞ্জন কুমাৰ দাসেও বক্তব্য প্ৰদানেৰে আনুষ্ঠানটি জীপাল কৰি তোলে। কাৰ্যসূচী মতে কবিতা পাঠ কৰে ক্ৰমে-মীনা কুমাৰী তালুকদাৰ, তৃপ্তীধাৰা পাঠক, মঞ্জু হালৈ, বন্দনা দাস, নৰ্মদা পাঠক, নিবেদিতা দাস, কলেজীয়া ছাত্ৰী তথা উদীয়মান আবৃত্তিকাৰ আৰিছা ভূঞাই আৰু নিজৰা চৌধুৰীয়ে গীত পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। অন্তত অসম সংগীতেৰে অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

# ফাকু উৎসৱ পালন আৰু সুখী জনগণ ন্যাস গঠন

**অসম বাৰ্তা, নিমাতীঘাট, ১০ মাৰ্চ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু সুমজিৎ দত্তৰ সোঁৱৰণত যোৱা ৪ মাৰ্চত এ আৰ বিতুল ফেন্চ ছ'চাইটি, অসমৰ সৌজন্যত ফাকু উৎসৱ ২০২৬ চাৰিগাঁও বৰ নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটোত সাধাৰণ শ্ৰেণীৰ জনতাৰ বাবে এক ন্যাস গঠন কৰা হয়। অনুপম দত্তৰ পৰিচালনাত উদ্বোধন কৰা অনুষ্ঠানটোত ন্যাসৰ প্ৰথম পুঁজি হিচাপে এটা ৰিজাৰভাৰ চাৰিগাঁও বৰ নামঘৰলৈ প্ৰদান কৰাৰ লগতে আৰ্থিকভাৱে দুৰ্বল পাঁচ গৰাকী ব্যক্তিক এহেজাৰকৈ এককালীন সাহায্য প্ৰদান কৰা হয়। সমাজকৰ্মী অৰুন দত্ত, ৩১ নং গাঁও পঞ্চায়তৰ সদস্যা অনিমা দত্ত, ৰজত দত্ত, এ আৰ বিতুল ফেন্চ ছচাইটিৰ সভাপতি উপেন শইকীয়াৰ প্ৰমুখ্যে স্থানীয় আন বহু সংখ্যক ব্যক্তি উক্ত অনুষ্ঠানটোত উপস্থিত থাকে।

# পথালিপাহাৰ টোলগেটত পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বান্দৰদেৱা, ১০ মাৰ্চ ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী ১৫নং ৰাষ্ট্ৰীয় ঘাই পথৰ পথালিপাহাৰ টোল গেটত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই টোল গেটৰ ডিভাইডাৰত খুন্দা মাৰে AS07 J 6514 নম্বৰৰ swift Dzire বাহনে। ঘটনাস্থলীতে তিনিজন লোক নিহত হোৱাৰ খবৰ পোৱা গৈছে আৰু দুৰ্ঘটনাগ্ৰস্ত বাহনখনত এটি কন্যা শিশুও আছিল বুলি জানিব পৰা গৈছে। নিহত কেইগৰাকী লখিমপুৰ জিলাৰ মেৰবিল লক্ষ্মণবড়ি গাঁৱৰ দীপাংকৰ হাজৰিকাৰ পৰিয়াল বুলি জানিব পৰা গৈছে।

# উত্তৰ গুৱাহাটীত নিঃস্বাৰ্থ মঞ্চ অসমৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** উত্তৰ গুৱাহাটীস্থিত ৰজাদুৱাৰ ক্লাব আৰু লাইব্ৰেৰী প্ৰাঙ্গনত নিস্বাৰ্থ মঞ্চ অসমৰ উদ্যোগত ৰবিবাৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানটোত সমাজৰ বিভিন্ন স্তৰৰ মহিলাসকলৰ উপস্থিতিত নাৰী অধিকাৰ, সমতা আৰু সুৰক্ষাৰ বিষয়ত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে সমাজসেৱিকা ৰেণু দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নিস্বাৰ্থ মঞ্চ অসমৰ সম্পাদিকা প্ৰণতি বৰুৱাই। তেওঁ নিজৰ বক্তব্যত কয় যে নাৰী অধিকাৰ আন্দোলন, সমতা আৰু মুক্তিৰ বাবে চলা ঐতিহাসিক সংগ্ৰামৰ স্মৃতিতেই আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত লিংগ সমতা, নাৰী ক্ষমতায়ন, প্ৰজনন অধিকাৰ আৰু নাৰী ওপৰত সংঘটিত হোৱা হিংসা-নিৰ্যাতনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। নিস্বাৰ্থ মঞ্চ অসমৰ সভানেত্ৰী উষা দেৱীয়ে নিজৰ বক্তব্যত পক্ষপাতহীন সমাজ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰি মহিলাসকলক ৰাজনীতি, সমাজ আৰু বিভিন্ন প্ৰতিষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কবি, সাহিত্যিক আৰু লেখিকা অৰুন্ধুতী শৰ্মাই বক্তব্য দাঙি ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত মহিলাসকলৰ অৱদানৰ বিষয়ে আলোকপাত কৰে। আন বক্তাসকলৰ ভিতৰত ললিতা বৰুৱা, ননী নাথ, মুনু বৰকাকতি, মাকনি বৰকাকতি, থুলী নেৱাৰ, কনকলতা বৰুৱা, গংগা ভৰালী বৰ্মন, বিচিত্ৰা ভৰালী আৰু হিমা হাজৰিকা আদিয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত উদ্যোগী মহিলা আল্পনা বেজবৰুৱা, পিংকী মহন্ত, স্বপ্না ভৰালী আৰু প্ৰতিভা বৰাৰ লগতে ৮০ বছৰ উৰ্ধৰ্বৰ কেইবাজনো মহিলাক সম্বৰ্ধনা জনোৱা হয়। সাংস্কৃতিক অনুষ্ঠানৰ অংশ হিচাপে সুৰমা নাথ, পাৰ্ণিকা দাস, ইজুমণি বৰুৱা আৰু প্ৰণিতা তালুকদাৰে গীত পৰিবেশন কৰে। সভানেত্ৰীৰ ভাষণত নাৰীসকলক একত্ৰিত হৈ সমাজত সংঘটিত অন্যায়ৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিবলৈ আৰু সমাজ তথা ৰাষ্ট্ৰ গঠনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। শতাধিক ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সভাখনত শেষত শলাগৰ শৰাই আগবঢ়ায় নিস্বাৰ্থ মঞ্চ অসমৰ সম্পাদিকা প্ৰণতি বৰুৱাই। সভানেত্ৰীৰ ভাষণৰ পিছতে সভা ভংগ ঘোষণা কৰা হয়।

## অসমৰ আটাইতকৈ দীঘল উৰণ সেতু 'মহাৰাজ পৃথু'

কৰে। প্ৰায় ৫.৪ কিলোমিটাৰ (কিছুমান উৎসত ৫.৫ কিলোমিটাৰ বুলি উল্লেখ) দৈৰ্ঘ্যৰ এই চাৰি লেনযুক্ত উৰণ সেতুখনে নুনমাটি-দীঘলীপুখুৰী (বা আমবাৰী-চানমাৰি-বামুণীমৈদাম) সংযোগ কৰি গুৱাহাটীৰ যান-বাহন চলাচলক অধিক সুচাৰু কৰিব বুলি আশা কৰা হৈছে। প্ৰায় ৮৫০ কোটি টকা (কিছুমান উৎসত ৮৮৮ কোটি) ব্যয়ত নিৰ্মিত এই সেতুৰ নিৰ্মাণ কাম ২০২৩ চনৰ শেষৰ ফালে আৰম্ভ হৈছিল আৰু মাত্ৰ ২৮ মাহৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিল। সেতুখনত মুঠ ১২২টা খুঁটা আছে। ইয়াৰ জৰিয়তে পুৰণি চানমাৰি উৰণ সেতুৰ সৈতেও সংযোগ স্থাপন কৰা হৈছে, যাৰ ফলত নুনমাটি, আমবাৰী, চানমাৰি, বামুণীমৈদাম, ৰাজগড়, গুৱাহাটী ক্লাব আদি গুৰুত্বপূৰ্ণ অঞ্চলৰ মাজত যোগাযোগ ব্যৱস্থা উন্নত হ'ব। উদঘাটন অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে, "বখতিয়াৰ খিলজীক পৰাজিত কৰা মহাৰাজ পৃথুৰ নামত উৎসৰ্গিত এই সেতুখন আজি ৰাইজৰ বাবে মুকলি কৰিলোঁ। ১৪ মাৰ্চৰ পৰা যান-বাহন চলাচল আৰম্ভ হ'ব। প্ৰথম তিনিদিন ৰাইজে খোজকাঢ়ি পাৰ হ'ব পাৰিব।" তেওঁ আৰু উল্লেখ কৰে যে, ইতিমধ্যে ৪.২ কিলোমিটাৰ কাম সম্পূৰ্ণ হৈছে আৰু পৰৱৰ্তী সময়ত ৰাজগড় আৰু গুৱাহাটী ক্লাবলৈ অতিৰিক্ত বাহু সংযোজন কৰা হ'ব। ইয়াৰ উপৰি বি বৰুৱা ৰোড, নেহৰু ষ্টেডিয়াম আদি অঞ্চলৰ বাবে ই বিশেষ সুবিধা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে সেতু নিৰ্মাণৰ সময়ত হোৱা বাধাৰ কথাও উল্লেখ কৰি কয় যে, বাঁওপন্থীসকলে আৰু জুবিন গাৰ্গে আন্দোলন কৰিছিল যদিও পিছত বুজি উঠিছিল। গছ কটাৰ বিষয়ত তেওঁ কয় যে, ৭২টা গছৰ ভিতৰত ৬৮টা জীয়াই আছে আৰু মাত্ৰ ৪টাৰ অৱস্থা কিছু বেয়া। তেওঁ গুৱাহাটীবাসীৰ ধৈৰ্য্যৰ প্ৰশংসা কৰি কয় যে, চানমাৰি উৰণ সেতু ২৫ দিন বন্ধ ৰখাৰ পিছতো ৰাইজে একো অভিযোগ নকৰিলে, কাৰণ তেওঁলোকে উন্নয়নৰ গুৰুত্ব বুজি পাইছে। মুখ্যমন্ত্ৰীয়ে অসমৰ ইতিহাস আৰু বীৰসকলক স্মৰণ কৰি কয় যে, "এটা জাতিয়ে নিজৰ জন্মকথা আৰু প্ৰতিষ্ঠাৰ যুঁজ মনত ৰাখিব লাগিব। মহাৰাজ পৃথুৰ পৰাক্ৰম আৰু সাহসে উত্তৰ ভাৰতক অত্যাচাৰী মুছলমান শাসকৰ পৰা ৰক্ষা কৰিছিল। উন্নয়নৰ লগতে ইতিহাসকো সংৰক্ষণ কৰিব লাগিব।" আনহাতে, তেওঁ ঘোষণা কৰে যে, ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিলচৰত ৬০০ কোটি টকাৰ আন এখন উৰণ সেতুৰ শিলান্যাস কৰিব। গুৱাহাটীৰ বাহিৰতো বহুতো উৰণ সেতুৰ কাম চলি আছে আৰু চাইকেল ফেক্টৰী উৰণ সেতু বিহুৰ আগে-পাছে মুকলি হ'ব। এই উৰণ সেতুখনে গুৱাহাটীৰ যান-জঁট হ্ৰাস কৰি নগৰৰ উন্নয়নত নতুন মাত্ৰা যোগ কৰিব বুলি ৰাজনৈতিক আৰু সামাজিক মহলে অভিহিত কৰিছে।

## ৰাইজৰ দল-কংগ্ৰেছ মিত্ৰতাৰ সম্ভাৱনা শেষ

সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ দলৰ সৈতে সম্ভাব্য মিত্ৰতাৰ কথা সম্পূৰ্ণৰূপে নাকচ কৰি দিছে। তেওঁ অভিযোগ কৰিছে যে কংগ্ৰেছে ৰাইজৰ দলক "ঠগিছে" আৰু বিশ্বাসঘাতকতা কৰিছে। মঙলবাৰে শিৱসাগৰত সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে কয় যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে এতিয়ালৈকে তেওঁক এবাৰো ফোন কৰা নাই। "কংগ্ৰেছে আমাক ঠগিলে। মিত্ৰতা হ'ব বুলি ৩০টা সমষ্টিৰ পৰা ১৩টা সমষ্টিলৈ নমাই আনিলে, তথাপি আমাক নিমন্ত্ৰণ নকৰাকৈ আন দলসমূহৰ সৈতে আলোচনা কৰি মিত্ৰতাৰ কথা পাতিলে। আমি কি বুজিম?" — তেওঁ ক্ষোভ প্ৰকাশ কৰে। অখিল গগৈয়ে স্পষ্ট কৰে যে মিত্ৰতাৰ আলোচনাত ধিং বিধানসভা সমষ্টি মূল বিবাদৰ কাৰণ হৈ পৰিছে। কংগ্ৰেছে এই সমষ্টি ৰাইজৰ দলক এৰি নিদিয়াৰ বাবে মিত্ৰতা ভাঙি পৰিছে। গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনৰ "দাম্ভিকতা"ৰ বাবেই এই অৱস্থা হৈছে বুলি তেওঁ অভিযোগ কৰে। যি পাঁচটা সমষ্টিত মিত্ৰতাৰ কথা চলি আছিল, তাৰ ভিতৰত কংগ্ৰেছে প্ৰাৰ্থী ঘোষণা কৰি ৰাইজৰ দলৰ প্ৰতি সচেতন নহোৱাৰ প্ৰমাণ দিছে। তেওঁ লগতে কয়, "গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনে সিদ্ধান্ত লৈছে। বাকীবোৰ মানুহে আমাৰ লগত কথা পাতি আছে যে এইটো বেয়া হৈছে, আমি আপোনালোকক এৰিব নোৱাৰোঁ। কিন্তু গৌৰৱ গগৈয়ে এটাও ফোন কৰা নাই।" লুৰীণজ্যোতি গগৈৰ সৈতে মিত্ৰতা সন্দৰ্ভত কোনো আলোচনা নোহোৱা বুলি উল্লেখ কৰি অখিল গগৈয়ে সাংবাদিকসকলক কয় যে লুৰীণজ্যোতি গগৈ কংগ্ৰেছৰ পক্ষত নে ৰাইজৰ দলৰ পক্ষত সেয়া তেওঁৰ সিদ্ধান্ত। "আমাকতো খেদি উলিয়াই দিছে। এতিয়া আমি যি মন যায় তাকেই কৰিব পাৰোঁ। তথাপি আমি ধৈৰ্য ধৰি কথা পাতি আছোঁ।" মিত্ৰতা নহ'লে ৰাইজৰ দলৰ বাবে "বিৰাট সম্ভাৱনাৰ দুৱাৰ খোল খাইছে" বুলি অখিল গগৈয়ে কয়। বহু ডাঙৰ ডাঙৰ প্ৰাৰ্থীয়ে তেওঁলোকৰ সৈতে যোগাযোগ কৰিছে। "মিত্ৰতা নহ'লে আমাৰ দল ডাঙৰ হ'ব।" তেওঁ আশা প্ৰকাশ কৰে যে ৰাইজৰ দলে স্বতন্ত্ৰভাৱে নিৰ্বাচনত শক্তিশালী প্ৰতিদ্বন্দ্বিতা কৰিব। এতিয়া মিত্ৰতাক লৈ কোনো আশা-নিৰাশা নাই বুলি কৈ অখিল গগৈয়ে নিজৰ সমষ্টিত ৰাইজৰ মাজত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। মিত্ৰতা সন্দৰ্ভত চূড়ান্ত উত্তৰ যদি কোনোবাই দিব পাৰে তেন্তে সেয়া গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনেহে দিব পাৰিব বুলি তেওঁ মন্তব্য কৰে। এই ঘটনাই বিৰোধী শিবিৰত বিভাজন স্পষ্ট কৰিছে আৰু বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰত্যাহ্বানৰ সম্ভাৱনাক দুৰ্বল কৰিছে।

## চৰ্ত সাপেক্ষে কংগ্ৰেছত চামিল হ'বলৈ প্ৰস্তুত

দলক ৰকিবুল হুছেইনে "মুছলিম লীগ"লৈ পৰিণত কৰিছে আৰু অন্য সকলো সংখ্যালঘু নেতাক মূৰ দাঙিবলৈ নিদিয়ে। গুৱাহাটীত সংবাদমেলত বদৰুদ্দিন আজমলে কয় যে, "কংগ্ৰেছ দল যেতিয়ালৈকে শেষ নহয়, ৰকিবুল হুছেইনে ক্ষান্ত নহ'ব। তেওঁ কংগ্ৰেছক মুছলিম লীগ বনাই দিছে।" আজমলে অভিযোগ কৰে যে, কংগ্ৰেছৰ পৰা ছিদ্দিক আহমেদ, ৰছিদ মণ্ডল, শ্বেৰমান আলী আদি বহু মুছলমান নেতাক বাহিৰ কৰি দিয়া হৈছে। তেওঁৰ মতে, কংগ্ৰেছত এতিয়া এজন মাত্ৰ শক্তিশালী মুছলমান নেতা আছে—ৰকিবুল হুছেইন। তেওঁ অন্য কোনো শক্তিশালী সংখ্যালঘু নেতাক দলত মূৰ দাঙিবলৈ নিদিয়ে। "সকলোৱেই জানে যে সেইজন ৰকিবুল হুছেইন চাহাব" - বুলি আজমলে মন্তব্য কৰে। আজমলে লগতে কয় যে, উজনি অসমৰ হিন্দু প্ৰধান অঞ্চলত কংগ্ৰেছৰ সাংগঠনিক ভেটি অতি দুৰ্বল। লুৰীণজ্যোতি গগৈক তেৰখন আসন দিয়াৰ কথা উল্লেখ কৰি তেওঁ কয়, "ভাল কথা যে দিছে, কিন্তু কিয় দিছে? কাৰণ কংগ্ৰেছে এখনো আসনত জয়লাভ কৰিব নোৱাৰে।" তেওঁৰ দাবী অনুসৰি, সংখ্যালঘু প্ৰধান অঞ্চলত প্ৰায় ২০-২২খন আসন আছে। অখিল গগৈয়েও মুছলিম অঞ্চলত প্ৰতিদ্বন্দ্বিতা কৰিব, কংগ্ৰেছে মুছলিম অঞ্চলত প্ৰাৰ্থী দিব, এ আই ইউ ডি এফেও দিব- ফলত শেষত বিজেপিয়েই লাভৱান হ'ব। আজমলে এক গুৰুত্বপূৰ্ণ ঘোষণা কৰি কয় যে, যদি কংগ্ৰেছে এ আই ইউ ডি এফৰ মূল ইছ্যুসমূহ গ্ৰহণ কৰে তেন্তে দলটো চৰ্তসাপেক্ষে কংগ্ৰেছত চামিল হ'বলৈ সম্পূৰ্ণ প্ৰস্তুত। "আমাৰ এক নম্বৰ শত্ৰু বিজেপি। ৰাহুল গান্ধী আৰু গৌৰৱ গগৈয়ে ভাবে যে এ আই ইউ ডি এফ থকাৰ বাবেই তেওঁলোকৰ ক্ষতি হৈ আছে। তেন্তে আমি এদিনতে দল বন্ধ কৰি দিম। আমাৰ ইছ্যুসমূহ লৈ লওক, লিখিত গেৰাণ্টি দিয়ক," বুলি আজমলে কয়। তেওঁ লগতে জনায় যে, এই প্ৰস্তাৱ লৈ ৰাহুল গান্ধী আৰু গৌৰৱ গগৈলৈ ব্যক্তিগত চিঠি লিখিছে যদিও এতিয়ালৈকে কোনো জবাব পোৱা নাই। এই মন্তব্য আৰু প্ৰস্তাৱে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন মোৰ আনিছে। বিজেপিৰ বিৰুদ্ধে বিৰোধী ঐক্য গঢ়ি তোলাৰ প্ৰচেষ্টাৰ মাজতে এ আই ইউ ডি এফ আৰু কংগ্ৰেছৰ মাজত থকা দূৰত্ব আৰু অবিশ্বাস স্পষ্ট হৈ পৰিছে। নিৰ্বাচনৰ আগতে এনে বিস্ফোৰক মন্তব্যই সংখ্যালঘু ভোটাৰৰ মাজতো নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

## ৪০ লাখ অৰুণোদয় হিতাধিকাৰীৰ একাউণ্টত

একাউণ্টত ৩৬০০ কোটি টকা ধন হস্তান্তৰ কৰা হ'ল। প্ৰত্যেক হিতাধিকাৰীয়ে ৯ হাজাৰ টকাকৈ লাভ কৰিলে, যিটো ৰাজ্য চৰকাৰৰ ইতিহাসত একদিনতে সৰ্বাধিক ডাইৰেক্ট বেনিফিট ট্ৰান্সফাৰ (ডিবিটি)ৰ ৰেকৰ্ড। মঙলবাৰে পুৱা ১০: ৩০ বজাত ৰাজ্যজুৰি ৩৮০০খন সভাৰ আয়োজন কৰা হয়। এই সভাসমূহ প্ৰত্যেক পঞ্চায়ত, কাৰ্বি আংলং আৰু ডিমা হাচাওৰ এম এ চি অঞ্চল, বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ ভি চি ডি চি অঞ্চল আৰু নগৰসমূহৰ ৱাৰ্ডত অনুষ্ঠিত হয়। সভাসমূহত অগণন লোকৰ সমাগম হোৱাৰ লগতে হিতাধিকাৰীসকলে ডিবিটিৰ জৰিয়তে ৯ হাজাৰ টকাকৈ লাভ কৰে। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা ক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। তেওঁ এই অনুষ্ঠানক ঐতিহাসিক বুলি অভিহিত কৰি কয় যে, এই আঁচনিয়ে মহিলাসকলৰ আৰ্থিক সুৰক্ষা আৰু সন্মান বৃদ্ধি কৰিছে। এই ৯ হাজাৰ টকাৰ ভিতৰত জানুৱাৰীৰ পৰা এপ্ৰিললৈকে চাৰিমাহৰ নিয়মীয়া মাহিলী ১২৫০ টকাকৈ (মুঠ ৫০০০ টকা) আৰু ৰঙালী বিহুৰ উপহাৰ স্বৰূপে অতিৰিক্ত ৪০০০ টকা অন্তৰ্ভুক্ত হৈ আছে। পূৰ্বতে ২০ ফেব্ৰুৱাৰীত এই ধন বিতৰণৰ কথা আছিল যদিও পিছত ১০ মাৰ্চলৈ স্থানান্তৰিত কৰি পৰিমাণ বৃদ্ধি কৰা হয়। অৰুণোদয় আঁচনি ২০২০ চনত ক'ভিড কালত আৰম্ভ হৈছিল। প্ৰথমে ১৮ লাখ মহিলাক মাহে ৮৩০ টকাকৈ দিয়া হৈছিল। এতিয়া হিতাধিকাৰীৰ সংখ্যা ৪০ লাখলৈ বৃদ্ধি পাইছে আৰু মাহিলী অনুদান ১২৫০ টকালৈ উন্নীত হৈছে। এতিয়ালৈকে আঁচনিখনৰ অধীনত মুঠ ১৭ হাজাৰ কোটি টকা ব্যয় কৰা হৈছে। অসমত মহিলা ভোটাৰৰ সংখ্যা পুৰুষতকৈ অধিক। নিৰ্বাচনৰ পূৰ্বে এই বৃহৎ আৰ্থিক সাহায্যক বহুতে নিৰ্বাচনী ৰণনীতি বুলি অভিহিত কৰিছে। বিহাৰৰ দৰে অতীতৰ উদাহৰণ উল্লেখ কৰি কোৱা হৈছে যে, এনে আঁচনিয়ে মহিলা ভোটাৰক আকৰ্ষণ কৰাত সফল হ'ব পাৰে। অৱশ্যে নিৰ্বাচনী আচৰণ বিধি জাৰি হোৱাৰ পিছত হিতাধিকাৰী আঁচনিৰ ধন বিতৰণত নিষেধাজ্ঞা থাকে। সেয়ে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ আগতে এই ধন আগতীয়াকৈ বিতৰণ কৰা হৈছে। বিপক্ষ দলসমূহে ইয়াক ভোটাৰক প্ৰলোভিত কৰাৰ প্ৰচেষ্টা বুলি সমালোচনা কৰিছে। এই ব্যয়ৰ লগতে চৰকাৰে চলিত বছৰৰ জানুৱাৰীৰ পৰা মাৰ্চলৈকে ৮৯০০ কোটি টকা ঋণ লোৱাৰ কথাও উল্লেখযোগ্য। মুখ্যমন্ত্ৰীয়ে বিজেপি পুনৰ ক্ষমতালৈ আহিলে অৰুণোদয়ৰ মাহিলী অনুদান অধিক বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই পদক্ষেপে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তাপ সৃষ্টি কৰিছে। বিধানসভা নিৰ্বাচন মাৰ্চ-এপ্ৰিল ২০২৬ত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে, আৰু এই আৰ্থিক সাহায্যই নিৰ্বাচনী ফলাফলত প্ৰভাৱ পেলাব পাৰে।

## ১১ৰ পৰা ১৫ মাৰ্চৰ ভিতৰত

প্ৰাৰ্থীৰ চূড়ান্ত তালিকা নিৰ্ধাৰণ কৰিব। সম্ভৱতঃ ব'হাগ বিহুৰ আগতেই নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে। মঙলবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে নিৰ্বাচন আয়োগে যদি নিৰ্বাচনৰ তাৰিখ পিছুৱাই দিয়ে, তেন্তে বিজেপিয়ে তৃতীয় পৰ্যায়ৰ 'জন আশীৰ্বাদ যাত্ৰা' অনুষ্ঠিত কৰিব। অন্যথা নিৰ্বাচনৰ সমান্তৰালভাৱে এই যাত্ৰা অব্যাহত ৰখা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছ দলক তীব্ৰ কটাক্ষ কৰে। বিশেষকৈ কংগ্ৰেছৰ দুজন প্ৰধান নেতা গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনক লক্ষ্য কৰি তেওঁ কয়, "যেতিয়ালৈকে এওঁলোক কংগ্ৰেছত থাকিব, সিমানেই বিজেপিৰ লাভ হ'ব।" তেওঁ এই তুলনা কৰে ৰাহুল গান্ধীৰ সৈতে, যেনেকৈ ৰাহুল গান্ধী কংগ্ৰেছত থকাৰ বাবে নৰেন্দ্ৰ মোদী সদায় প্ৰধানমন্ত্ৰী হৈ থাকে। তেওঁ অভিযোগ কৰে যে 'জন আশীৰ্বাদ যাত্ৰা'ৰ সময়ত কংগ্ৰেছে কেইবাটাও ঠাইত ব্যাঘাত সৃষ্টিৰ চেষ্টা কৰিছে। সনাতনী, জনজাতীয়, হিন্দু আৰু অসমীয়া (হিন্দু আৰু মুছলমান উভয়) লোক থকা অঞ্চলত কংগ্ৰেছৰ কোনো স্থিতি নাই বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে 'অৰুণোদয় আঁচনি'ৰ সফলতাৰ কথা উল্লেখ কৰি কয় যে এই আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে প্ৰায় ৪০ লাখ মহিলা হিতাধিকাৰীৰ বেংক একাউণ্টত ৩৬০০ কোটি টকা হস্তান্তৰ কৰিব। প্ৰত্যেক হিতাধিকাৰীয়ে চাৰি মাহৰ বাবে একত্ৰিতভাৱে ৯০০০ টকা লাভ কৰিব, যিটো ডাইৰেক্ট বেনিফিট ট্ৰেন্সফাৰ (DBT)ৰ জৰিয়তে প্ৰদান কৰা হ'ব। তেওঁ স্পষ্ট কৰে যে এই আঁচনি নিৰ্বাচনৰ সৈতে জড়িত নহয়, বৰঞ্চ ইয়াক অতি নিয়ন্ত্ৰিতভাৱে কাৰ্যকৰী কৰা হৈছে। হিতাধিকাৰী নিৰ্বাচনৰ মাপকাঠী অনুসৰি হয়— যেনে বিধৱা, দিব্যাংগ, পৰিয়ালত কৰ্কট ৰোগী থকা আদি। যোৱা ছয় বছৰ ধৰি এই আঁচনি চলি আহিছে আৰু ইয়াৰ জৰিয়তে তিনিখন নিৰ্বাচনত বিজয় লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। ২৮ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা 'জন আশীৰ্বাদ যাত্ৰা'ত মুখ্যমন্ত্ৰীয়ে প্ৰথম পৰ্যায়ত ১২০০ কিলোমিটাৰ যাত্ৰা কৰিছে আৰু দৈনিক ১৪ ঘণ্টাকৈ জনসাধাৰণৰ সৈতে সময় কটাইছে। যাত্ৰাত ৯০০ কিলোমিটাৰতকৈ অধিক দূৰত্ব অতিক্ৰম কৰি ৩২টা বিধানসভা সমষ্টিত লাখ লাখ লোকৰ সৈতে মত বিনিময় কৰা হৈছে। এই যাত্ৰাই বিজেপিৰ নিৰ্বাচনী প্ৰচাৰক নতুন গতি প্ৰদান কৰিছে বুলি দলীয় নেতৃত্বই আশা প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগৰ তাৰিখ ঘোষণাৰ পিছতহে চূড়ান্ত প্ৰচাৰ আৰম্ভ হ'ব।

## বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ

প্ৰাৰম্ভিকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন চৰকাৰে অসম চৰকাৰক ১৪৪ কোটি টকা বিজ্ঞান নগৰী নিৰ্মাণৰ বাবে আগবঢ়ায় যদিও বৰ্তমানলৈ প্ৰায় ৩০০কোটি টকা ব্যয়ৰে নিৰ্মিত বিজ্ঞান নগৰী পৰিসৰ হিচাপত কলিকতা বিজ্ঞান নগৰীতকৈ বহুগুণ ডাঙৰ বুলি উল্লেখ কৰি যুৱ প্ৰজন্ম আৰু ছাত্ৰ ছাত্ৰীসকলক বিজ্ঞান নগৰী দৰ্শন কৰি পৃথিৱীখন, মহাকাশ আৰু বিশ্বব্ৰহ্মাণ্ডৰ ওপৰত জ্ঞান আহৰণ কৰিবলৈ অনুৰোধ জনায়। লগতে মুখ্যমন্ত্ৰীয়ে মাজুলী, আমিনগাঁও, কলিয়াবৰ, বঙাইগাঁও, শিলচৰত নতুনকৈ স্থাপন হ'ব লগা বিজ্ঞান কেন্দ্ৰৰো আধাৰশিলাৰ শুভাৰম্ভ কৰি অসমত বিজ্ঞানৰ ছাত্ৰ ছাত্ৰীসকলক অধিক সুবিধাৰ্থে যোৱা দহ বছৰত অবিৰামভাৱে অভিযান্ত্ৰিক কলেজ, মেডিকেল কলেজ, বিজ্ঞান প্ৰযুক্তিৰ প্ৰতিষ্ঠান স্থাপন কৰা হৈছে বুলি উল্লেখ কৰে। চন্দ্ৰপুৰত ভাৰতীয় মহাকাশ গবেষণা সংস্থা চমুকৈ ISRO কেন্দ্ৰ স্থাপন হব বুলি মত প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই উক্ত ISRO কেন্দ্ৰত ছাত্ৰ ছাত্ৰীসকলে মহাকাশ বিজ্ঞানৰ বিষয়ে গৱেষণা কৰিবলৈ সুযোগ লাভ কৰিব পাৰিব বুলি মন্তব্য ৰাখে। বিজ্ঞান নগৰীত লাচিত বৰফুকনে শৰাইঘাটৰ যুদ্ধত কেনেদৰে যুঁজিছিল তাৰ বিৱৰণ অত্যাধুনিক প্ৰযুক্তিৰে প্ৰদৰ্শন কৰাৰ লগতে ডিজিটেল এডভেঞ্চাৰ, ভাৰ্চুৱেল ৰিয়েলিটি, ধেমালিৰ মাজেৰে বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান বীথিকা, গোলকৰ জ্ঞান, অগ্নি-থিয়েটাৰ প্ৰদৰ্শনৰ ব্যৱস্থা থকা বিজ্ঞান নগৰীত লৰা ছোৱালীৰ জন্মদিনৰ দিনা পিতৃ-মাতৃ সকলে সন্তানক উক্ত বিজ্ঞান নগৰীত দৰ্শনৰ সুবিধা কৰি জন্মদিনৰ উপহাৰ যাচিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুৰোধ জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই উত্তৰপূৰৰ বিজ্ঞানৰ ক্ষেত্ৰখনত নতুন যুগৰ সূচনা হল বুলি মত প্ৰকাশ কৰি অসমৰ ২১৯টা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ছাত্ৰ ছাত্ৰীসকলক ৰাষ্ট্ৰীয় বিজ্ঞান কংগ্ৰেছ কেন্দ্ৰলৈ প্ৰেৰণ কৰি থকাৰ ফলত বহু ছাত্ৰ ছাত্ৰীয়ে পুৰস্কিত হোৱাৰ লগতে উপকৃত হৈছে বুলি কয়। যোৰহাট বিজ্ঞান কেন্দ্ৰ, কোকৰাঝাৰ বিজ্ঞান কেন্দ্ৰ, লখিমপুৰ বিজ্ঞান কেন্দ্ৰ, লক্ষ্মীমপুৰ বিজ্ঞান কেন্দ্ৰ, নলবাৰী বিজ্ঞান কেন্দ্ৰ কেইটা হিমন্ত বিশ্বৰ শৰ্মাই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা সময়তে আৰম্ভ হৈছিল যদিও বৰ্তমান উক্ত বিজ্ঞান কেন্দ্ৰ কেইটাৰ কাম সম্পন্ন হয় বুলি উল্লেখ কৰে। উল্লেখ্য যে অসম সংগীতেৰে আৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত ভাৰত চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ অধ্যক্ষ এ ডি চৌধুৰী, ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় অসমৰ অধীক্ষক সুজয় মজুমদাৰ, লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তী, বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞান বিভাগৰ সচিব পল্লৱ গোপাল ঝাৰ লগতে দুইশতাধিক স্থানীয় ব্যক্তি উপস্থিত থাকে।

## মধ্যপ্ৰাচ্যৰ যুদ্ধৰ প্ৰভাৱত দেশত ৰন্ধন গেছৰ সংকট

ব্যাঘাতৰ বিষয়ে বিস্তৃত আলোচনা হয়। ভাৰতে নিজৰ এলপিজিৰ প্ৰায় দুই-তৃতীয়াংশ আমদানি কৰে মধ্যপ্ৰাচ্যৰ পৰা, আৰু হৰমুজ প্ৰণালীৰ জৰিয়তে যোগান ধৰা এই শৃংখলত যুদ্ধৰ প্ৰভাৱত ব্যাঘাতৰ ফলত দেশজুৰি ঘৰুৱা আৰু বাণিজ্যিক খণ্ডত যোগানৰ অভাৱ দেখা দিব পাৰে বুলি আশংকা কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰি অত্যাৱশ্যকীয় সামগ্ৰী আইন (Essential Commodities Act, ১৯৫৫)ৰ অধীনত বিশেষ নিৰ্দেশ জাৰি কৰিছে, যাতে শক্তি বজাৰত কোনো ধৰণৰ অভাৱ নহয় আৰু ঘৰুৱা গ্ৰাহকৰ যোগান নীৰৱচ্ছিন্ন হৈ থাকে। পেট্ৰ'লিয়াম মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে, দেশৰ সকলো শোধনাগাৰ আৰু পেট্ৰ'কেমিকেল ইউনিটসমূহক এলপিজি উৎপাদন উল্লেখযোগ্যভাৱে বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰ'পেন, বিউটেন আদি গুৰুত্বপূৰ্ণ হাইড্ৰ'কাৰ্বন উপাদানসমূহক পেট্ৰ'কেমিকেল উৎপাদনৰ পৰিৱৰ্তে এলপিজি পুললৈ স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰা হৈছে। এই পদক্ষেপৰ ফলত ঘৰুৱা ব্যৱহাৰৰ বাবে ৰন্ধন গেছৰ যোগান অব্যাহত ৰখাত সহায় হ'ব। ইয়াৰ উপৰিও প্ৰাকৃতিক গেছৰ বিতৰণৰ বাবে অগ্ৰাধিকাৰ ভিত্তিক কাঠামো কাৰ্যকৰী কৰা হৈছে। নতুন নিৰ্দেশ অনুসৰি পাইপলাইনৰ জৰিয়তে যোগান ধৰা ঘৰুৱা পাইপড নেচাৰেল গেছ (PNG) আৰু পৰিবহণৰ বাবে ব্যৱহাৰ কৰা কম্প্ৰেছড নেচাৰেল গেছ (CNG)ক ১০০ শতাংশ নিশ্চিত যোগান দিয়া হ'ব। অন্যান্য খণ্ডৰ ক্ষেত্ৰত যোৱা ছমাহৰ গড় খৰচৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট সীমা নিৰ্ধাৰণ কৰি যোগান নিয়ন্ত্ৰণ কৰা হ'ব। ভাৰতীয় তেল নিগম লিমিটেড (IOC), ভাৰত পেট্ৰ'লিয়াম নিগম লিমিটেড (BPCL) আৰু হিন্দুস্তান পেট্ৰ'লিয়াম নিগম লিমিটেড (HPCL)ৰ দ্বাৰা জাৰি কৰা এক যৌথ বিবৃতিত কোৱা হৈছে যে, ঘৰুৱা গ্ৰাহক আৰু জৰুৰীকালীন সেৱা খণ্ডৰ বাবে পৰ্যাপ্ত এলপিজি মজুত নিশ্চিত কৰিবলৈ মন্ত্ৰালয়ে উৎপাদন বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰিছে। বিবৃতিটোত উল্লেখ কৰা হৈছে যে, বৰ্তমানৰ ভূ-ৰাজনৈতিক পৰিস্থিতি আৰু এলপিজিৰ সম্ভাব্য নাটনিৰ প্ৰতি লক্ষ্য ৰাখি ঘৰুৱা গ্ৰাহকৰ উপৰিও চিকিৎসালয়, শিক্ষানুষ্ঠান আৰু অন্যান্য অত্যাৱশ্যকীয় অঘৰুৱা খণ্ডলৈ প্ৰয়োজন অনুসৰি যোগান ধৰা হ'ব। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ তেল বিপণন কোম্পানীসমূহৰ তিনিজন কাৰ্যবাহী সঞ্চালকৰ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিয়ে বিভিন্ন আবেদন পৰ্যালোচনা কৰি অগ্ৰাধিকাৰ অনুসৰি এলপিজি যোগানৰ সিদ্ধান্ত ল'ব। চৰকাৰে স্পষ্ট কৰিছে যে, এই সকলো পদক্ষেপৰ লক্ষ্য হৈছে জনসাধাৰণৰ ৰন্ধন গেছৰ যোগান নীৰৱচ্ছিন্ন ৰখা আৰু যিকোনো ধৰণৰ অভাৱ ৰোধ কৰা। চৰকাৰী সূত্ৰসমূহে জনাইছে যে, ভাৰতে ইতিমধ্যে তেল আমদানিৰ উৎস বৈচিত্ৰ্যকৰণ কৰি ৰাশিয়া, আমেৰিকা, পশ্চিম আফ্ৰিকা আদি অঞ্চলৰ পৰা যোগান বৃদ্ধি কৰাৰ প্ৰচেষ্টা চলাই আছে, যদিও হৰমুজ প্ৰণালীৰ ব্যাঘাতৰ ফলত স্বল্পম্যাদীয় সংকটৰ আশংকা অব্যাহত আছে। জনসাধাৰণক আতংকিত নহ'বলৈ আহ্বান জনোৱা হৈছে আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা বুলি আশ্বাস দিয়া হৈছে।

## পাৰস্পৰিক বদলি প্ৰক্ৰিয়াত বৃহৎ সংশোধন, দুবছৰীয়া

গুৰুত্বপূৰ্ণ সংশোধন আনিছে। নতুনকৈ নিযুক্ত শিক্ষকসকলকো এতিয়া পাৰস্পৰিক বদলিৰ বাবে আৱেদন জনোৱাৰ অনুমতি দিয়া হৈছে আৰু পূৰ্বৰ দুবছৰীয়া সময়সীমাৰ বাধ্যবাধকতা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হৈছে। অৰ্থাৎ এবাৰ বদলি হোৱাৰ পিছত পুনৰ আৱেদন কৰিবলৈ শিক্ষকসকলে দুবছৰ অপেক্ষা কৰাৰ প্ৰয়োজন আৰু নাই। শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰৰ স্বাক্ষৰিত এক জাননীযোগে এই নতুন নিৰ্দেশনা প্ৰকাশ কৰা হৈছে। জাননী অনুসৰি পাৰস্পৰিক বদলি কেৱল সম-মৰ্যাদাৰ (same status) শিক্ষকসকলৰ মাজতে হ'ব আৰু সমগ্ৰ প্ৰক্ৰিয়াটো বিভাগীয় অনলাইন প'ৰ্টেলৰ জৰিয়তে সম্পন্ন কৰিব লাগিব। এই ব্যৱস্থাৰ ফলত স্কুলসমূহত ছাত্ৰ-শিক্ষকৰ অনুপাতত কোনো প্ৰভাৱ নপৰাকৈ শৈক্ষিক বাতাবৰণ অটুট ৰখাৰ লক্ষ্য ৰখা হৈছে। এই সংশোধনৰ মূল উদ্দেশ্য হৈছে শিক্ষকসকলক নিজৰ পছন্দৰ ঠাইত কাম কৰাৰ সুযোগ প্ৰদান কৰা, যাতে তেওঁলোকে মানসিক চাপমুক্ত হৈ শ্ৰেষ্ঠ শিক্ষা প্ৰদান কৰিব পাৰে। বিশেষকৈ নতুনকৈ নিযুক্তি পোৱা আৰু ঘৰৰ পৰা দূৰৈৰ জিলাত কৰ্মৰত শিক্ষকসকলৰ বাবে এই সিদ্ধান্ত অতি উপকাৰী হ'ব। অসম চৰকাৰৰ ২০২০ চনৰ শিক্ষক নিযুক্তি আৰু বদলি আইনৰ অন্যান্য নিয়ম-কানুন পূৰ্বৰ দৰেই বাহাল থাকিব। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকৰ লগতে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ক এই নতুন নিৰ্দেশনা তৎক্ষণাত কাৰ্যকৰী কৰিবলৈ দায়িত্ব দিয়া হৈছে। সামাজিক মাধ্যমত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই সিদ্ধান্তক স্বাগতম জনাই কয়, "অসম চৰকাৰে শিক্ষকৰ পাৰস্পৰিক বদলি প্ৰক্ৰিয়া সৰল কৰি তুলিছে। নতুনকৈ নিযুক্তি পোৱা শিক্ষকসকলে এতিয়া পাৰস্পৰিক বদলিৰ বাবে আৱেদন কৰিব পাৰিব আৰু বদলিৰ পিছত পুনৰ আৱেদনৰ পূৰ্বৰ দুবছৰৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। এই সংস্কাৰে ছাত্ৰ-ছাত্ৰীৰ বাবে গুণগত শিক্ষা সুনিশ্চিত কৰাৰ লগতে শিক্ষকসকলৰ সুবিধা বৃদ্ধি কৰিব।" এই পদক্ষেপে শিক্ষক সমাজত উৎসাহৰ সৃষ্টি কৰিছে। অনলাইন প'ৰ্টেলৰ জৰিয়তে স্বচ্ছ আৰু সহজ প্ৰক্ৰিয়াই শিক্ষকসকলক অধিক নমনীয়তা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

## অশোক শৰ্মাসহ কেইবা গৰাকী কংগ্ৰেছ কৰ্মীক

সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ত নলবাৰী বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তথা প্ৰাক্তন বিধায়ক অশোক শৰ্মাসহ কেইবাগৰাকী নেতা-কৰ্মীক আৰক্ষীয়ে আটক কৰে। সোমবাৰে নিশা প্ৰায় ১২ঃ৪৫ বজাত নলবাৰী সদৰ থানাৰ আৰক্ষীয়ে অশোক শৰ্মাক আটক কৰে। ইয়াৰ আগতে দিনৰ ভাগত কংগ্ৰেছৰ ১২ জন কৰ্মীক আটক কৰা হৈছিল। পিছত মঙলবাৰে দিনৰ ভাগত অশোক শৰ্মাসহ ১১ জনক মুক্তি দিয়া হয় যদিও জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক পৰাগ চক্ৰৱৰ্তীক এতিয়াও মুক্তি দিয়া হোৱা নাই। কংগ্ৰেছৰ অভিযোগ অনুসৰি, মুখ্যমন্ত্ৰীৰ "জন আশীৰ্বাদ যাত্ৰা"ৰ সময়ত বিজেপি কৰ্মীয়ে কংগ্ৰেছ নেতা-কৰ্মীক লক্ষ্য কৰি আক্ৰমণ চলায়। বিশেষকৈ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক পৰাগ চক্ৰৱৰ্তীক নলবাৰী ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ৰ সন্মুখৰ এখন প্ৰেছ দোকানৰ পৰা টানি উলিয়াই আনি প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। এই আক্ৰমণৰ পিছতে কংগ্ৰেছ কৰ্মীসকলে ন্যায় বিচাৰি থানাত প্ৰতিবাদ কৰে। প্ৰতিবাদৰ সময়ত অশোক শৰ্মাই সাংবাদিকৰ আগত কয় যে, "মুখ্যমন্ত্ৰীৰজন আশীৰ্বাদ যাত্ৰাত কংগ্ৰেছৰ কোনো লোকে প্ৰতিবাদ কৰে নেকি, সেইটোৱেই বিজেপিৰ পালি নেতাসকলে বিচাৰি ফুৰিছিল।" তেওঁ লগতে অভিযোগ কৰে যে, কেৱল প্ৰলোভন আৰু ভাবুকিৰে মানুহক যাত্ৰালৈ অনা হৈছে আৰু বাহিৰৰ মানুহক সোমাব নিদিয়া হৈছে। "বিজেপিয়ে গণতন্ত্ৰক হত্যা কৰাৰ যি ষড়যন্ত্ৰ ৰচনা কৰিছে, তাৰ আজি প্ৰমাণ পোৱা গ'ল" বুলি তেওঁ মন্তব্য কৰে। কংগ্ৰেছে অভিযোগ কৰিছে যে, বিজেপি কৰ্মীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে যদিও আৰক্ষীয়ে এতিয়ালৈকে গোচৰ ৰুজু কৰা নাই। প্ৰতিবাদকাৰীসকলক টানি-চোঁচৰাই থানালৈ লৈ যোৱাৰ অভিযোগও উঠিছে। অশোক শৰ্মাই কয় যে, এই ঘটনাই বিজেপিৰ শাসনকালত বিৰোধী দলৰ অস্তিত্ব থাকিব নোৱাৰে বুলি প্ৰমাণ কৰিছে। এই ঘটনাই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে আৰু দুয়োপক্ষৰ মাজত পাৰস্পৰিক অভিযোগ-প্ৰত্যুত্তৰ অব্যাহত আছে।

## অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ তাৰিখ সন্দৰ্ভত

বিধানসভা নিৰ্বাচন ২০২৬ক লৈ প্ৰচাৰিত বিভিন্ন ভুৱা আৰু উৰাবাতৰি সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে। বিশেষকৈ ১৫ মাৰ্চত নিৰ্বাচনী অধিসূচনা (notification) জাৰি হ'ব আৰু ৯ এপ্ৰিলত এদিনীয়াকৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব বুলি চৰ্চিত হোৱা খবৰসমূহক ভিত্তিহীন বুলি ঘোষণা কৰা হৈছে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা এক বিবৃতিত উল্লেখ কৰিছে যে, বৰ্তমানলৈ ভাৰতৰ নিৰ্বাচন আয়োগে (Election Commission of India) অসম বিধানসভা নিৰ্বাচনৰ কোনো আনুষ্ঠানিক তাৰিখ বা সময়সূচী ঘোষণা কৰা নাই। এনে যিকোনো তথ্য কেৱল অনুমানভিত্তিক আৰু অপ্ৰমাণিত। নিৰ্বাচন আয়োগৰ আধিকাৰিক ঘোষণাৰ জৰিয়তে হে জনসাধাৰণে সঠিক আৰু নিৰ্ভৰযোগ্য তথ্য লাভ কৰিব পাৰিব। বিবৃতিটোত আৰু কোৱা হৈছে যে, সামাজিক মাধ্যমত এনে ভুৱা বাতৰি প্ৰচাৰৰ ফলত ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। গতিকে সকলোকে অনুৰোধ জনোৱা হৈছে যে, যিকোনো তথ্য প্ৰচাৰ বা শ্বেয়াৰ কৰাৰ আগতে তাৰ শুদ্ধতা পৰীক্ষা কৰক আৰু উৰাবাতৰি বিয়পোৱাৰ পৰা বিৰত থাকক। নিৰ্বাচন সন্দৰ্ভত কোনো সম্ভাব্য তাৰিখ বা সময়সূচী এতিয়ালৈকে আয়োগে প্ৰকাশ কৰা নাই। উল্লেখ্য যে, অসম বিধানসভাৰ বৰ্তমানৰ ম্যাদ ২০২৬ চনৰ মে' মাহত শেষ হ'ব। বিভিন্ন উৎস অনুসৰি নিৰ্বাচন মাৰ্চ-এপ্ৰিল মাহত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে যদিও আনুষ্ঠানিক ঘোষণা এতিয়াও অপেক্ষমাণ। নিৰ্বাচন আয়োগে ৰাজ্যৰ প্ৰস্তুতি পৰ্যালোচনা কৰি আছে আৰু উপযুক্ত সময়ত সময়সূচী ঘোষণা কৰিব। জনসাধাৰণক আহ্বান জনোৱা হৈছে যে, কেৱল আধিকাৰিক উৎস যেনে নিৰ্বাচন আয়োগৰ ৱেবচাইট বা CEO অসমৰ অফিচিয়েল একাউণ্টৰ পৰা তথ্য লওক আৰু ভুৱা খবৰৰ প্ৰভাৱত নপৰক।

## প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী বীৰেন সিং ইংতিৰ

কৰে। তেওঁৰ বয়স হৈছিল ৯০ বছৰ (কিছুমান উৎসত ৮১ বছৰ বুলি উল্লেখ আছে যদিও অধিকাংশতে ৯০ বছৰ)। ১৯৪৫ চনৰ ২ মাৰ্চত কাৰ্বি আংলং জিলাৰ বাৰহেগাঁৱত জন্ম গ্ৰহণ কৰা বীৰেন সিং ইংতিয়ে ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন বিশিষ্ট নেতা হিচাপে দীৰ্ঘদিন ধৰি ৰাজনৈতিক জীৱন অতিবাহিত কৰিছিল। তেওঁ ডিফু (অটোনমাছ ডিষ্ট্ৰিক্ট) লোকসভা সমষ্টিৰ পৰা একাধিকবাৰ সাংসদ নিৰ্বাচিত হৈছিল। বিভিন্ন উৎস অনুসৰি তেওঁ ৫ বাৰকৈ (১৯৭৭, ১৯৮৪, ২০০৯ আৰু ২০১৪ত দুবাৰ) লোকসভালৈ নিৰ্বাচিত হৈছিল যদিও কিছুমান প্ৰতিবেদনত ৭ বাৰকৈ উল্লেখ আছে। কেন্দ্ৰীয় চৰকাৰত ৰাজ্যিক মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰা ইংতিয়ে বিভিন্ন মন্ত্ৰণালয়ত কাম কৰিছিল আৰু কাৰ্বি আংলং তথা অসমৰ জনজাতীয় অঞ্চলৰ উন্নয়নৰ বাবে বিশেষ অৱদান আগবঢ়াইছিল। সোমবাৰে ডিফুৰ নিজৰ বাসভৱনত অসুস্থ হৈ পৰাৰ পিছত তেওঁক গুৱাহাটীলৈ আনি চিকিৎসা দিয়া হৈছিল। তথাপি মংগলবাৰে পুৱা প্ৰায় ৭: ৪৬ বজাত তেওঁৰ দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত অসমৰ ৰাজনৈতিক মহলত গভীৰ শোকৰ ছাঁ পৰিছে। কংগ্ৰেছ দলৰ লগতে বিভিন্ন ৰাজনৈতিক নেতা আৰু সংগঠনে শোক প্ৰকাশ কৰিছে। তেওঁৰ আত্মাৰ সদগতি কামনা কৰা হৈছে।

### হাৰাশাস্তি হৈছে মগনীয়াৰ লগতে মানসিক বিকাৰগ্ৰস্থ ৰোগী

## বিলাসীপাৰা লক্ষ্মীগঞ্জত সোপাধৰাৰ আতংক

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ১০ মাৰ্চ** ঃ ৰাজ্যৰ লগতে নামনি অসমৰ চৌদিশে বৰ্তমান সোপাধৰাৰ আতংকই বিৰাজ কৰা পৰিলক্ষিত হৈছে। ব্যতিক্ৰম নহয় ধুবুৰী জিলা। যোৱা কিছুদিন ধৰি সামাজিক মাধ্যমত চৌদিশে সোপাধৰাৰ বিভিন্ন ভিডিঅ' আপলোড কৰা দেখা গৈছে। যাৰফলত প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ নিজৰ ল'ৰা-ছোৱালীক লৈ যেন এক উৎকণ্ঠাত দিন কটাইছে। কিন্তু কোনো এটা ঘটনাৰ প্ৰকৃত সত্য এতিয়া লৈকে জানিব পৰা যোৱা নাই। কেৱলমাত্ৰ সামাজিক মাধ্যম আৰু মানুহৰ মুখে মুখে বিয়পি পৰিছে এই সোপাধৰাৰ আতংক। তাৰ মাজেদি ঠায়ে ঠায়ে নানা মানসিক বিকাৰগ্ৰস্থ ৰোগীক নানা মানসিক আৰু শাৰীৰিক হাৰাসাস্থি কৰা দেখা যায়। ইয়াৰ ওপৰত চকু দিবলৈ অনুৰোধ জনাইছে সচেতন মহলে। যোৱা কালি ৰাতি তেনে এক ঘটনাই চৰ্চাৰ বিষয় হৈ পৰিছে বিলাসীপাৰা সম জিলাৰ অন্তৰ্গত লক্ষ্মীগঞ্জ গাঁও পঞ্চায়তৰ কোটেৰ গাঁৱত। পৰিয়ালৰ লোকে জনোৱা মতে কালি ৰাতি ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ ৰমজান মাহ উপলক্ষে কোটেৰগাঁৱৰ আক্কেল আলীৰ লৰা ৰাখিবুল ইছলামৰ ঘৈণীয়েক হাছিনা বেগম পিছৰাতি ৰোজাৰ চেহৰী তৈয়াৰ কৰাৰ বাবে পৃথক পাকঘৰত ভাত বনোৱাৰ বাবে যোৱাত পিছফালৰ পৰা কোনো দুষ্কৃতিকাৰিয়ে ঘৈণীয়েক হাছিনা বেগমক কান্ধত এটা ইনজেকশ্বনৰ ছিৰিঞ্জেৰে হানি দিয়াত এটা চিঞৰ মাৰি লগে লগে অচেতন হৈ পৰে। স্বামী ৰাখিবুল ইছলাম লগে লগে ৰন্ধা ঘৰত আহি ঘৈনিয়েক হাছিনা বেগম সংজ্ঞাহীন অৱস্থাত পৰি থকা লক্ষ্য কৰে। ঘৰৰ চাৰিওফালে হুলস্থুল হোৱাত ওচৰ চুবুৰীয়াই বিলাসীপাৰাৰ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰায় যদিও প্ৰায় ১২ ঘণ্টা উকলি যোৱাত এতিয়া লৈকে সুস্থিৰ হোৱা নাই সংজ্ঞাহীন হাছিনা বেগম। পিছলৈ উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰ অসামৰিক চিকিৎসালয় লৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। এই ঘটনা পুৱাৰ ভাগত বিয়পি পৰাত সমগ্ৰ লক্ষ্মীগঞ্জ অঞ্চলত সোপাধৰাৰ আতংকই যেন দুগুণ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। এয়া আচলতে সমাজত এক উৰা বাতৰি নে ইয়াৰ আৰত কোনো ৰহস্য লুকাই আছে আৰক্ষীৰ তদন্তত প্ৰকৃত সত্য উদঘাটন কৰিবলৈ দাবি জনাইছে সচেতন মহলে।

## ধেমাজি ফাইন আৰ্ট একাডেমীৰ সাফল্যত উৎফুল্ল ধেমাজিবাসী

**অসম বাৰ্তা, ধেমাজি, ১০ মাৰ্চ** ঃ ধেমাজি জিলাৰ অন্যতম অগ্ৰণীন অনুষ্ঠান ফাইন আৰ্ট একাডেমীৰ বৃহৎ সফলতা। অসম চাৰু কাৰু কলা পৰিষদ গুৱাহাটীৰ অধীনত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ত চলি থকা চিত্ৰকলা শিক্ষনৰ অগ্ৰগনী প্ৰতিষ্ঠানে এইবেলি ধেমাজি ফাইন আৰ্ট একাডেমীৰ বাৰ্ষিক পৰীক্ষাত সৰ্বমুঠ ২১২ গৰাকি ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হয়। ইয়াৰে ২০৮ গৰাকী ছাত্ৰ ছাত্ৰীয়ে ডিচটিংচন সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সমগ্ৰ ধেমাজিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে বিগত বহু বছৰে ধেমাজি ফাইন আৰ্ট একাডেমিয়ে জিলাখনৰ তিনিটাকৈ স্থানত নিয়মীয়া শিক্ষন প্ৰদান কৰি আহিছে। ধেমাজি সদৰ, চিলাপথাৰ আৰু নৰোৱাস্থানত শিক্ষন প্ৰদান কৰা ধেমাজি ফাইন আৰ্ট একাডেমিয়ে অতি কম খৰচত চিত্ৰ কলা শিক্ষন প্ৰদান কৰি মানৱ সম্পদ গঢ়ি আহিছে। বিগত বহু বছৰ ধৰি প্ৰতিষ্ঠান টোৰ সঞ্চালক সূৰ্য বৰুৱা আৰু ৰজনী সন্দিকৈ নেৰানেপেৰা প্ৰচেষ্টাক শলাগিছে সমগ্ৰ ধেমাজিয়ে।

সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰাখিবলৈ আল্লাহৰ ওচৰত দোৱা প্ৰাৰ্থনা

# হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সমূহীয়া ইফতাৰ মেহফিলত সাংবাদিক-শিক্ষাবিদ-বুদ্ধিজিৱীৰ অংশগ্ৰহণ

**অসম বাৰ্তা, বটদ্ৰৱা, ১০ মাৰ্চ ঃ** বিশ্ব শান্তি সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ প্ৰতীক পৱিত্ৰ ৰমজান মাহত সমূহীয়াকৈ ইফতাৰ মেহফিলৰ আয়োজন কৰিছে হয়বৰগাঁও প্ৰেছ ক্লাবে। হিংসা, বিদ্বেষ আঁতৰাই সকলোৰে মনত একেশ্বৰবাদী ভাৱ ধাৰণাৰে মানুহে সদায় পৰমেশ্বৰক স্মৰণ কৰা উচিত। আজি যেন এয়াই অনুভৱ হৈছে নগাঁও জিলাৰ হয়বৰগাঁও প্ৰেছ ক্লাৱৰ পৱিত্ৰ ৰমজান মাহৰ সমূহীয়া ইফতাৰ মেহফিলৰ আৰাধনা থলীত উপস্থিত থাকি। প্ৰতি বছৰে হিন্দু মুছলমানৰ সহযোগত এনেদৰে ব্যতিক্ৰমী ৰূপত ইফতাৰ পাৰ্টী অনুষ্ঠিত কৰি সদাশয় ৰাইজৰ মাজত একতাৰ সমল বিতৰণ কৰি আহিছে হয়বৰগাঁও প্ৰেছ ক্লাবে! এই বেলি সোণাই একাডেমী চিনিয়ৰ চেকেণ্ডেৰী স্কুলত হয়বৰগাঁও প্ৰেছ ক্লাবে অনুষ্ঠিত কৰিছে পৱিত্ৰ ইফতাৰ মেহফিলৰ। হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সভাপতি দিব্যজ্যোতি বৰুৱা, সম্পাদক মোস্তাফা কামাল, উপদেষ্টা ডাঃ কামাল হাছান আৰু প্ৰেছ ক্লাৱৰ সমূহ কৰ্মকৰ্তাৰ সহযোগত অনুষ্ঠিত হোৱা ইফতাৰ মেহফিলত জুৰীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° আলবিন মোস্তাক, শিঙিমাৰী হস্পিতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ আছিকুজ্জামান, ধিং হস্পিতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ বাহাৰুল ইছলাম, ভকতগাঁও পঞ্চায়তৰ সভাপতি বাহাৰুল ইছলাম, সোণাই একাডেমীৰ অধ্যক্ষ ড° ছাহজাহান আহমেদ, জিনিয়াছ একাডেমীৰ অধ্যক্ষ মোজাক্কিৰ হোছেইন, শিক্ষাবিদ ছিদ্দিক আলী, প্ৰধানমন্ত্ৰী ভাৰতীয়জন ঔষধি কেন্দ্ৰৰ স্বত্বাধিকাৰী হাফিজুৰ ৰহমান, নগাঁও মাৰ্কাজ একাডেমীৰ জ্যেষ্ঠ শিক্ষক বাহাৰুল ইছলাম, মৈৰাবাৰীৰ জ্যেষ্ঠ সাংবাদিক ছাইফুল ইছলাম, বেবেজীয়াৰ জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকা, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিক আব্দুল মতিন চৌধুৰী, জুৰীয়া প্ৰেছক্লাৱৰ সভাপতি প্ৰাঞ্জল শইকীয়া, চলচলি গাঁৱৰক্ষী বাহিনীৰ সভাপতি হোছেইন আলী পৰধানী, প্ৰৱক্তা আলহাজ মীৰান হাদী আহমেদ, বিমল সূত্ৰধৰ, আবুল কালাম আজাদকে আদি কৰি দুশৰো অধিক গণ্য মান্য বিশিষ্ট ব্যক্তি যোগদান কৰিছে। পৱিত্ৰ ৰমজান মাহ উপলক্ষে হয়বৰগাঁও প্ৰেছক্লাৱৰ সমূহীয়া ইফতাৰ মেহফিলত সোণাইঘাট চলচলি হাফিজীয়া মাদ্ৰাছাৰ প্ৰধান শিক্ষক হাফিজ ৰফিকুল ইছলামে পৱিত্ৰ কোৰান শ্বৰীফ পাঠ কৰি বিশ্ব শান্তিৰ বাবে একতা আৰু ভাতৃত্ববোধ অটুট ৰাখিবলৈ সকলোক আহ্বান জনাই পৰম কৰুণাময় আল্লাহৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰা সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সম্পাদক মোস্তাফা কামালে।

# লংকাত কন্যা সন্তানৰ শিক্ষাৰ প্ৰয়োজনীয়তা বিষয়ক সজাগতা সভা

**অসম বাৰ্তা, লংকা, ১০ মাৰ্চ ঃ** সমাজত কন্যা সন্তানৰ শিক্ষাৰ গুৰুত্ব সম্বন্ধে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে লংকাৰ ২ নং শ্যামবাড়ী প্ৰাথমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। "কন্যা সন্তানৰ শিক্ষাৰ প্ৰয়োজনীয়তা" শীৰ্ষক এই সভাখন লংকাৰ কৃষ্ণ বৰা বি.এড কলেজৰ বি.এড দ্বিতীয় বৰ্ষৰ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ উদ্যোগত আয়োজন কৰা হয়। এই অনুষ্ঠানতিত কৃষ্ণ বৰা বি.এড কলেজৰ মহিলা কোষ, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ লগতে মডাৰ্ণ গুৰুকুল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু লংকা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰশিক্ষাৰ্থী সকলৰ সহযোগিতাত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কৃষ্ণ বৰা বি.এড কলেজৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান। সভাৰ সভাপতি দায়িত্ব পালন কৰে ২ নং শ্যামবাড়ী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰূপ ৰঞ্জন নাথ ডাঙৰীয়াই। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লংকা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ নাৰায়ণ দেৱনাথ, লংকাৰ লস্কৰ পাঞ্চালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বুৰহান উদ্দিন, কৃষ্ণ বৰা বি.এড কলেজৰ অধ্যাপিকা ড° সাথী দে আৰু শ্যামবাড়ী গাঁৱৰ গাঁওবুঢ়া নজৰুল হক। এই সভাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজৰ উপস্থিতিৰ লগতে যথেষ্ট সঁহাৰি দেখা যায়। সভাৰ আৰম্ভণিতে আয়োজকসকলে কন্যা সন্তানৰ শিক্ষাৰ গুৰুত্ব সম্বন্ধে উপস্থিত সকলোকে অৱগত কৰে লগতে অনুষ্ঠানৰ অংশ হিচাপে শিক্ষক প্ৰশিক্ষাৰ্থী সকলে এখন নাট প্ৰদৰ্শন কৰে। ইয়াৰোপৰি, বক্তাসকলে নিজৰ বক্তব্যত কয় যে, এখন উন্নত আৰু সচেতন সমাজ গঢ়ি তুলিবলৈ কন্যা সন্তানক শিক্ষা প্ৰদানৰ বাহিৰে অন্য বিকল্প নাই। শিক্ষিত নাৰী সমাজ সকলো ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে আৰু পৰিয়াল তথা দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বক্তাসকলে লগতে কয় যে বহু ক্ষেত্ৰত আজিও কন্যা সন্তানৰ শিক্ষাক লৈ সমাজত কিছু ভুল ধাৰণা আৰু অৱহেলা দেখা যায়। সেই ধাৰণাসমূহ দূৰ কৰি কন্যা সন্তানক সমান শিক্ষাৰ সুযোগ প্ৰদান কৰাটো অত্যন্ত প্ৰয়োজনীয়। অভিভাৱকসকলক তেওঁলোকে আহ্বান জনায় যে তেওঁলোকে নিজৰ কন্যাসকলক নিয়মিতভাৱে বিদ্যালয়লৈ পঠিয়াই শিক্ষাৰ সুযোগ লাভ কৰাবলৈ আগ্ৰহী হ'ব লাগে। সভাত বাল্যবিবাহ প্ৰতিৰোধ, বিদ্যালয় ত্যাগৰ সমস্যা হ্ৰাস কৰা আৰু কন্যা সন্তানক আত্মবিশ্বাসী কৰি তোলাৰ ক্ষেত্ৰতো আলোচনা কৰা হয়। উপস্থিত শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন উদাহৰণৰ জৰিয়তে কন্যা সন্তানৰ শিক্ষাই কেনেদৰে এখন সুস্থ আৰু উন্নত সমাজ গঢ়ি তুলিব পাৰে সেয়া ব্যাখ্যা কৰে। এই ধৰণৰ সজাগতামূলক অনুষ্ঠান সমাজত কন্যা সন্তানৰ শিক্ষাৰ প্ৰতি ইতিবাচক মনোভাব গঢ়ি তোলাত যথেষ্ট সহায়ক হ'ব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰে।

বৰেণ্য ব্যক্তি, ৰেডিঅ' ঘোষক ঘোষিকা, শ্ৰোতা, সাংবাদিক দিগন্ত শৰ্মালৈ "যুৱ সাংবাদিকতা" বঁটা

# সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘৰ প্ৰতিষ্ঠা দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচী

**অসম বাৰ্তা, জাঁজী, ১০ মাৰ্চ ঃ** অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ'প্ৰেমী শ্ৰোতাৰ মাজত গঢ় উঠা "সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ, অসম"ৰ প্ৰথম বৰ্ষৰ প্ৰতিষ্ঠা দিৱসটি অহা ১৫ মাৰ্চত ধেমাজী জিলাৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। আনহাতে অনুষ্ঠানত অসমৰ বিভিন্ন ৰেডিঅ' কেন্দ্ৰৰ বিষয়া কৰ্মচাৰী ব্যক্তি সকলে অংশ গ্ৰহণ কৰিব। ইয়াৰোপৰি ধেমাজী আৰু লক্ষীমপুৰ জিলাৰ ব্যক্তি সকল উপস্থিত থাকিব অনুষ্ঠানটিত। প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচী অনুসৰি পুৱা চাফাই, পতাকা উত্তোলন, গছপুলি ৰূপন, বন্তী প্ৰজ্বলন, সভা আৰু বঁটা প্ৰাপ্তসকলক বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। বঁটা প্ৰাপ্তসকল গ্ৰহণ কৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাৰ্তিক সূত্ৰধৰক "অনুপ্ৰেৰণা বঁটা", অনুষ্ঠান কাৰ্য্যবাহী বিষয়া ঋতুপৰ্ণ দাসক "নাট্যপ্ৰভাকৰ বঁটা, জিণ্টী ৰাণী ডেকাক "বাতৰি পৰিবেশকা বঁটা, পৰিস্মীতা দিহিঙীয়াক "বাতৰি পৰিবেশকা বঁটা" আৰু বিনীতা ডেকা, ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা বিন্দু ৰাজখোৱা, গোপা হাজৰিকা, যোৰহাট কেন্দ্ৰৰ গায়ত্ৰী দেৱী, মৃনালী দত্ত শইকীয়া, পূৰবী ভট্টাচাৰ্য, তেজপুৰ কেন্দ্ৰৰ ত্ৰৈলোক্য বৰা, ৰূপালী বৰাক "জনপ্ৰিয় ঘোষিকা বঁটা" প্ৰদান কৰাৰ লগতে শিৱসাগৰ জিলাৰ জাঁজী খাটোৱাল গাঁৱৰ প্ৰণৱ কুমাৰ দত্তক "আকাশবাণীৰ সৰ্বশ্ৰেষ্ঠ জনপ্ৰিয় তথা অনুৰাগী শ্ৰোতা বন্ধু বঁটা", টিয়ক জগদুৱাৰ লক্ষ্মী মন্দিৰ পথৰ ৰুণু বৰগোহাই বৰাক "সংগীত শিল্পী বঁটা", টিয়ক জগদুৱাৰৰ লক্ষ্মীমন্দিৰ পথৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াক "অনুৰাগী শ্ৰোতা বন্ধু" বঁটা, আনহাতে উৎকৃষ্ট সাংবাদিক বঁটা লাভ কৰিছে ধেমাজী জিলাৰ মাছখোৱাৰ "অসমীয়া প্ৰতিদিন"ৰ সংবাদদাতা বীৰেন কোঁৱৰ, শিৱসাগৰ জিলাৰ চাৰিংৰ "দৈনিক জনমভূমি" কাকতৰ সংবাদদাতা পদ্মলোচন খনিকৰ। সমান্তৰাল ভাবে "যুৱ সাংবাদিক বঁটা" লাভ কৰিছে "অসম বাৰ্তা" কাকতৰ জাঁজীৰ সংবাদদাতা দিগন্ত শৰ্মা, গৌৰীসাগৰৰ "নিয়মীয়া বাৰ্তা" কাকতৰ সংবাদদাতা মৃগাংক হাজৰিকা আৰু ধেমাজী মাছখোৱাৰ "নিয়মীয়া বাৰ্তা" কাকতৰ সংবাদদাতা মিণ্টু শইকীয়া। উক্ত সভা খনত ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্য্যবাহী জিণ্টু চেতিয়াক "প্ৰয়োজক বঁটা" প্ৰদান কৰিব সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমে।

অসম ভিত্তিত সন্মান লাভ

# গহপুৰৰ বালিজান বিলতীয়াৰ ৰ'জী ৰাণী দত্তৰ কৃতিত্ব

**অসম বাৰ্তা, গহপুৰ, ১০ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ ভাষা শিক্ষণ পাঠ্যক্ৰমৰ ২০২৫—২০২৬ বৰ্ষৰ পৰীক্ষাৰ ঘোষিত ফলাফলত গহপুৰ সমজিলাৰ বালিজান বিলতীয়াৰ ৰ'জী ৰাণী দত্তই অসমৰ ভিতৰত দ্বিতীয় সৰ্বাধিক নম্বৰ লাভ কৰি কৃতিত্ব অৰ্জন কৰাৰ লগতে সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেই উপলক্ষে কালি গুৱাহাটীৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক শৈক্ষিক অভিনন্দন অনুষ্ঠানত তেওঁক আনুষ্ঠানিকভাৱে ভাবে সন্মান জনোৱাৰ লগতে পুৰস্কৃত কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা, সম্পাদক দেৱজিৎ বৰা আৰু উচ্চ শিক্ষা সমন্বয়কগৰাকী উপস্থিত থকা গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানটোত ৰ'জী ৰাণী দত্তক বঁটা, গামোচা, সম্বৰ্ধনা-পত্ৰ আদিৰে সন্মানিত কৰা হয়। ভাষণ প্ৰসংগত বক্তাসকলে ভাষা আৰু সাহিত্যৰ বিকাশত এনে পাঠ্যক্ৰমসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰে। ৰ'জী ৰাণী দত্তৰ এই প্ৰাপ্তিৰ বাবে গহপুৰৰ সাহিত্যপ্ৰেমী ৰাইজে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। ৰ'জী ৰাণী দত্ত বালিজান বিলতীয়া নিবাসী তথা ছয়দুৱাৰ উন্নয়ন খণ্ডৰ কম্পিউটাৰ সহায়ক সৌৰভ হাজৰিকাৰ সহধৰ্মিণী।

# 'দেওবৰীয়া বাৰ্তা'ৰ উদ্যোগত আন্তজাতিক নাৰী দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ মাৰ্চ ঃ** প্ৰত্যেক বছৰৰ দৰে এইবছৰো 'আমাৰ দেওবৰীয়া বাৰ্তা ছান দে নিউজ'ৰ উদ্যোগত হোটেল চান ভিউ প্ৰাঙ্গণত আন্তৰাষ্ট্ৰীয় নাৰী দিৱস পালন কৰা হয়। কৰ্নাটকৰ লগতে, অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ডিফু, মণিপুৰ, ধুবুৰী, আদি জিলাৰ পৰা অহা কেইবাগৰাকীও উদ্যমী মহিলাক ৰাজহুৱা সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰধান সম্পাদক দীপজ্যোতি শইকীয়াই আঁতধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বি বৰুৱা কেঞ্চাৰ ইনষ্টিটিউচনৰ প্ৰাক্তন সঞ্চালক ড° অমল চন্দ্ৰ কটকীৰ লগতে ড° বীৰেন্দ্ৰ নাথ পাটগিৰি, বিশিষ্ট সমাজ সেৱক ড° নাৰায়ণ ৰাড়ু কাকতী, শিক্ষাবিদ প্ৰতুল চন্দ্ৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক মাইনী মহন্ত আদিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰি বিশিষ্ট কেইবাগৰাকী মহিলাক সম্বৰ্ধনা জনোৱা হয়। অসমীয়া সাহিত্য জগতৰ যথাক্ৰমে জাগীৰোডৰ জ্যেষ্ঠ লেখিকা অকন দেৱীক জীৱনযোৱা সাধনা বঁটা, আৰু ডিফুৰ মঞ্জু হাজৰিকা, ঐতিহ্য মণ্ডিত পালি ভাষাৰ গবেষক তথা বিশিষ্ট শিক্ষাবিদ লক্ষ্যহীৰা শ্যাম, জাগীৰোডৰ প্ৰতিভা দেওৰজা,




মামনী গোস্বামী, মুকুতামালা বৰুৱা, বীনা শৰ্মা, তথ্য চিত্ৰ নিৰ্মাতা অৰাজিতা চৌধুৰী কলিতা, জীৱজন্তু প্ৰেমী আভাৰানী হাজৰিকা, সাংবাদিক কৰবী কাকতী, শিল্পী অঞ্জলি গোস্বামী, প্ৰথম অসমীয়া মহিলা ৰে'ল কৰ্মী বীনা শৰ্মা, গোলকগঞ্জৰ মীনাক্ষী ৰয় ডাকুৱা, কৰবী ডেকা, ফুলজ্যোতি গোস্বামী, ৰঞ্জিতা গোস্বামী, মনিপুৰৰ জাহ্নৱী বৰুৱা, কৰ্নাটকৰ বিশিষ্ট শিক্ষাবিদ ড° সৰস্বতী কালাসাদক আৰু ৰেনুমালা চাংমাইক জীৱনযোৱা সাধনা বঁটা আৰু পোন প্ৰথমবাৰৰ বাবে মানৱ সেৱাৰ বাবে 'ফ্লোৰেন্স নাইটিংগেল বঁটা ২০২৬' প্ৰদান কৰা হয় বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ নাছিং কৰ্মৰত নমিতা দাসক প্ৰদান কৰা হয়। এই বঁটা প্ৰদান কৰে বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ডাঃ অমল চন্দ্ৰ কটকীয়ে। অনুষ্ঠানত ক্ৰমে নৃত্যশিল্পী প্ৰতীক্ষা কাশ্যপ আৰু শিৱাঙ্গী নাথৰ সত্ৰীয়া নৃত্য, বিদিশা শৰ্মাৰ পাশ্বত্য সংগীত, অঞ্জলি গোস্বামী, অনিন্দিতা নাথ, আল্পনা বৰা, আভাৰানী হাজৰিকা আৰু বিশ্বনাথ দাসৰ গীত মাতে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# অৰুনোদয় ৩.০ৰ অধীনত মাৰ্ঘেৰিটাত মুঠ ২৮,৬২২ গৰাকী হিতাধিকাৰীয়ে লাভ কৰিলে ৯,০০০ টকা



**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১০ মাৰ্চ ঃ** ৰাজ্যৰ বাকী অংশৰ লগতে আজি মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ অন্তৰ্গত সামুকজান গাঁও পঞ্চায়তত অৰুণোদয় ৩.০ বিশেষ আৰ্থিক সাহায্য বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ৰাজ্যজোৰা কাৰ্যসূচীৰ অংশ হিচাপে প্ৰদান কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লাইভ ভাষণো উপস্থিত হিতাধিকাৰীসকলে প্ৰত্যক্ষ কৰে। অনুষ্ঠানত উপস্থিত থাকে ৮৩-মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা লগতে মাৰ্ঘেৰিটাৰ সম-জিলা আয়ুক্ত ৰাহুল ডলে, ৰোহিত কুমাৰ যাদৱ, মাৰ্ঘেৰিটা উন্নয়ন খণ্ড, গাঁও পঞ্চায়তৰ সভাপতি, পঞ্চায়ত সম্পাদক, বিভিন্ন বিভাগৰ বিষয়া, হিতাধিকাৰী আৰু সংবাদ মাধ্যমৰ সদস্য সকল। মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ অধীনত মুঠ ২৮, ৬২২ হিতাধিকাৰীক অৰুনোদয় ৩.০ৰ অধীনত সামৰি লোৱা হৈছে। এই আঁচনিৰ অধীনত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি যোগ্য মহিলা হিতাধিকাৰীয়ে প্ৰত্যক্ষ সুবিধা স্থানান্তৰৰ জৰিয়তে প্ৰতিমাহে ১২৫০ টকা লাভ কৰাৰ লগতে চাৰি মাহ সামৰি ৯,০০০ অতিৰিক্ত আৰ্থিক সাহায্য লাভ কৰে। মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন গাঁও পঞ্চায়ত, পৌৰৱাৰ্ড আৰু ভিচিডিচি এলেকাত একেলগে এই কাৰ্যসূচীৰ আয়োজন কৰি যোগ্য হিতাধিকাৰীক বিতৰণৰ সুবিধা প্ৰদান কৰা হয়।

# অসম কলেজ শিক্ষক সংস্থাৰ আন্তৰ্জাতিক নাৰী দিৱস পালন

**অসম বাৰ্তা, নিমাতীঘাট, ১০ মাৰ্চ ঃ** অসম কলেজ শিক্ষক সংস্থাৰ যোৰহাট মণ্ডল, মহিলা কোষৰ উদ্যোগত আৰু বাহনা মহাবিদ্যালয়ৰ মহিলা কোষৰ সহযোগত ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰে। অনলাইন মাধ্যমেৰে অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে আদৰণী ভাষণ প্ৰদান কৰে যোৰহাট মণ্ডল, অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি ড° হেমন্ত বৰাই। তেওঁ নাৰী দিৱসৰ তাৎপৰ্যৰ লগতে নাৰীৰ উত্তৰণৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰে। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্যা ড° মানসী বৰতামুলীয়ে নাৰীৰ প্ৰতিভা আৰু ব্যক্তিত্ব বিকাশৰ কাৰণে আত্মবিশ্বাসৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰে। সমল ব্যক্তি চন্দ্ৰমা গুণগুণ শইকীয়াই সাম্প্ৰতিক সময়ত নাৰীৰ বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা আৰু ভৱিষ্যতে ল'বলগীয়া সজাগতা সম্পৰ্কে উল্লেখ কৰে। যোৰহাট মণ্ডলৰ মহিলা কোষৰ সহকাৰী সম্পাদিকা ড° সংগীতা দাসে অনুষ্ঠানত শলাগ জনায়। বাহনা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° সৰলা দাসে আঁত ধৰা অনুষ্ঠানত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড° ক্ষীৰোদ শইকীয়া, যোৰহাট মণ্ডলৰ উপসভাপতি ড° ৰবীন শইকীয়া, সম্পাদক ড° কল্যাণ দাস, বাহনা মহাবিদ্যালয়ৰ বিভাৰাণী দাস, ড° পাপৰি নেওগ বৰা, ড° ৰীমা ৰাভা আৰু বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাই অংশ গ্ৰহণ কৰে।

# বকোৰ ২ নং মাকেলীত "জাতীয় মহিলা পৰিষদ" কামৰূপ জিলা সমিতিৰ উদ্যোগত নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বকো, ১০ মাৰ্চ ঃ** সমগ দেশতে ৮ মাৰ্চ তাৰিখে পালন কৰে আন্তৰ্জাতিক নাৰী দিৱস। এই লৈ অসম মুলুকৰ কামৰূপ জিলাৰ বকোত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন "জাতীয় মহিলা পৰিষদ"ৰ উদ্যোগত নাৰী দিৱস উদযাপন কৰা হয়। জাতীয় মহিলা পৰিষদৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত ২নং মাকেলী বড়োপাৰা আঞ্চলিক সমিতিৰ সহযোগত ৰাজহুৱা খেলপথাৰত আয়োজন কৰে নাৰী দিৱসৰ কাৰ্য্যসূচী। জাতীয় মহিলা পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভানেত্ৰী অদিতি কলিতা আৰু সম্পাদিকা বৰষা কলিতা আৰু মাকেলী আঞ্চলিক সমিতিৰ সভানেত্ৰী হিৰুমণি দাস বসুমতাৰী আৰু সম্পাদিকা বিনিতা কলিতাই জনোৱা অনুসৰি, নাৰী সুৰক্ষা আৰু সাৱলীকৰণৰ ওপৰত আলোকপাত কৰিবলৈ আয়োজন কৰা হৈছে নাৰী দিৱসৰ কাৰ্য্যসূচী। ইফালে নাৰী দিৱসৰ কাৰ্য্যসূচীত বিশিষ্ট সমাজকৰ্মী থুলেশ্বৰ বড়ো, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি মদন দাস, উপদেষ্টা যোগেন বৰ্মন, বিত্ত সম্পাদক জগদীশ দাস, সদৌ অসম কলিতা জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ধৰ্মেন্দ্ৰ কলিতা, পলাশবাৰী আঞ্চলিক সমিতিৰ সভাপতি অমল শৰ্মা আৰু সম্পাদক কনক দাসৰ উপৰিও বহু কেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। নাৰী দিৱসৰ কাৰ্য্যসূচীত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, নাৰী দিৱসৰ তাৎপৰ্য্যৰ ওপৰত আলোকপাত, মহিলাৰ দৌৰ প্ৰতিযোগিতা আৰু বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা আয়োজন কৰা হয়।

# খণ্ড সমন্বয়ক ক্ষীৰোদ পখৰেলৰ দেহাৱসান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১০ মাৰ্চ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান ওদালগুৰি জিলাৰ খৈৰাবাৰী খণ্ডৰ খণ্ড সমন্বয়ক ক্ষীৰোদ পখৰেলৰ দেওবাৰে দেহাৱসান ঘটে। উল্লেখযোগ্য যে খৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত খৈৰাবাৰী খণ্ডত কৰ্মৰত ক্ষীৰোদ পখৰেলে খৈৰাবাৰী টাউনৰ ট্ৰেইন ষ্টেচন সমীপত কৰ্মসূত্ৰে ভাৰাতীয়া হিচাপে আছিল। দেওবাৰে হঠাৎ নিজ ভাৰাঘৰৰ কোঠাত তেজেৰে ৰাঙলীহৈ মৃত অৱস্থাত খৈৰাবাৰী আৰক্ষী প্ৰশাসনে উদ্ধাৰ কৰে। ভাৰাঘৰৰ মালিক পক্ষই জনোৱা অনুসৰি ক্ষীৰোদ পখৰেলে ৰাতিপুৱাৰ ৮ মান বজাত বিছনাৰ পৰা উঠিছিল। তাৰ পাচত দিনতো কোনো ধৰণৰ খবৰ নাই। আবেলি ৫ মান বজাত ঘৰৰ মালিকে মাত লগোৱাত কোনো ধৰণৰ প্ৰতুত্তৰ নহত সন্দেশ উপজিল আৰু তৎক্ষনত আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ স্থানীয় লোকৰ লগতে একে কৰ্মস্থলীৰ সহকৰ্মীৰ সৈতে ক্ষীৰোদ পখৰেলক দুৱাৰ আৰু খিৰিকী বন্ধৰ অৱস্থাত ভাৰাঘৰৰ কোঠাৰ পৰা উদ্ধাৰ কৰে আৰু ততাতয়াকৈ খৈৰাবাৰী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। তাৰ পিছতেই আৰক্ষীয়ে ওদালগুৰি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰি পোষ্টমৰ্তম কৰি আজি পৰিয়ালৰ হাতত মৃতদেহ অৰ্পন কৰে। ক্ষীৰোদ পখৰেল বহুদিনৰ পৰা শাৰীৰিক ভাৱে অসুস্থ অনুভৱ কৰি আছিল যাৰ ফলত শুভাকাংক্ষী সকলে প্ৰেচাৰ ষ্ট্ৰোক আৰু কাঁহ কফহে ঘটনা সংঘটিত হোৱা বুলি সন্দেশ কৰিছে। মৃতুৰ সময়ত পত্নী আৰু ৬ বছৰীয়া কন্যাক এৰিথৈ যায়। ক্ষীৰোদ পখৰেলৰ মৃত্যুত ওদালগুৰি জিলা মিছন পৰিচালনা ইউনিটৰ লগতে মজবাট, ৰৌতা, ওদালগুৰি, ভেৰগাঁও, কলাইগাঁও আৰু খৈৰাবাৰী খণ্ড মিছন পৰিচালনা ইউনিতে শোক প্ৰকাশ কৰে।

# উত্তৰ গুৱাহাটীত নিস্বাৰ্থ মঞ্চ, অসমৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** উত্তৰ গুৱাহাটীস্থিত ৰজাদুৱাৰ ক্লাব আৰু লাইব্ৰেৰী প্ৰাঙ্গনত নিস্বাৰ্থ মঞ্চ অসমৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানটোত সমাজৰ বিভিন্ন স্তৰৰ মহিলাসকলৰ উপস্থিতিত নাৰী অধিকাৰ, সমতা আৰু সুৰক্ষাৰ বিষয়ত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে সমাজসেৱিকা ৰেণু দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নিস্বাৰ্থ মঞ্চ অসমৰ সম্পাদিকা প্ৰণতি বৰুৱাই। তেওঁ নিজৰ বক্তব্যত কয় যে নাৰী অধিকাৰ আন্দোলন, সমতা আৰু মুক্তিৰ বাবে চলা ঐতিহাসিক সংগ্ৰামৰ স্মৃতিতেই আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হয়। এই দিৱসত লিংগ সমতা, নাৰী ক্ষমতায়ন, প্ৰজনন অধিকাৰ আৰু নাৰী ওপৰত সংঘটিত হোৱা হিংসা-নিৰ্যাতনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। নিস্বাৰ্থ মঞ্চ অসমৰ সভানেত্ৰী উষা দেৱীয়ে নিজৰ বক্তব্যত পক্ষপাতহীন সমাজ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰি মহিলাসকলক ৰাজনীতি, সমাজ আৰু বিভিন্ন প্ৰতিষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কবি, সাহিত্যিক আৰু লেখিকা অৰুন্ধুতী শৰ্মাই বক্তব্য দাঙি ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত মহিলাসকলৰ অৱদানৰ বিষয়ে আলোকপাত কৰে। আন বক্তাসকলৰ ভিতৰত ললিতা বৰুৱা, ননী নাথ, মুনু বৰকাকতি, মাকনি বৰকাকতি, থুলী নেৱাৰ, কনকলতা বৰুৱা, গংগা ভৰালী বৰ্মন, বিচিত্ৰা ভৰালী আৰু হিমা হাজৰিকা আদিয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত উদ্যোগী মহিলা আল্পনা বেজবৰুৱা, পিংকী মহন্ত, স্বপ্না ভৰালী আৰু প্ৰতিভা বৰাৰ লগতে ৮০ বছৰ উৰ্ধ্বৰ কেইবাজনো মহিলাক সম্বৰ্ধনা জনোৱা হয়। সাংস্কৃতিক অনুষ্ঠানৰ অংশ হিচাপে সুৰমা নাথ, পাৰ্ণিকা দাস, ইজুমণি বৰুৱা আৰু প্ৰণিতা তালুকদাৰে গীত পৰিবেশন কৰে। সভাপতিৰ ভাষণত নাৰীসকলক একত্ৰিত হৈ সমাজত সংঘটিত অন্যায়ৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিবলৈ আৰু সমাজ তথা ৰাষ্ট্ৰ গঠনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। শতাধিক ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সভাখনত শেষত শলাগৰ শৰাই আগবঢ়ায় নিস্বাৰ্থ মঞ্চ অসমৰ সম্পাদিকা প্ৰণতি বৰুৱাই। সভাপতিৰ ভাষণৰ পিছতে সভা ভংগ ঘোষণা কৰা হয়।

আৰক্ষীৰ মূৰত পৰিল ৭টা চিলাই

# লাহৰীঘাটত আৰক্ষীক আক্ৰমণৰ ঘটনা

**অসম বাৰ্তা, লাহৰীঘাট, ১০ মাৰ্চ ঃ** লাহৰীঘাটত আৰক্ষীক আক্ৰমণ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আচামীৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত এজন আৰক্ষী জোৱান। ঘটনাটো সংঘটিত হয় লাহৰিঘাট আৰক্ষী থানাৰ অন্তৰ্গত আমৰাগুৰি গাঁৱত। উল্লেখ্য যে, অমৰাগুৰি গাঁৱত ওৱাৰেণ্টৰ আচামি ইমৰাণ হুছেইনক ধৰিবলৈ যোৱাত ছিৰাজুল ইছলাম নামৰ আৰক্ষী কনিষ্টবলক ইটাৰে প্ৰহাৰ কৰে আচামী ইমৰাণ হুছেইনে। ইটাৰে প্ৰহাৰ কৰাত আৰক্ষী জোৱান ছিৰাজুল ইছলামৰ মূৰত সাতটাকৈ ছিলাই দিব লগীয়া হয়। আৰক্ষীক আক্ৰমণকাৰী ইমৰান হুছেইনক ইতিমধ্যে লাহৰীঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আঘাতপ্ৰাপ্ত আৰক্ষী জোৱানজন চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। এজন কৰ্তব্যৰত আৰক্ষী জোৱানক প্ৰহাৰ কৰা ঘটনাই অঞ্চলটোজুৰি সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। ঘটনা সন্দৰ্ভত অঞ্চলটোৰ সচেতন মহলে গৰিহণা দিয়াৰ লগতে অপৰাধী ইমৰাণ হুছেইনক কঠোৰ শাস্তিৰ দাবী জনায়।

# শ্ৰীৰামপুৰত অৰুণোদয় আঁচনিৰ শুভ উদ্বোধন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১০ মাৰ্চ ঃ** অসমৰ মুখ্যমন্ত্ৰী যি, সময়ত গুৱাহাটী কেন্দ্ৰীয় অনুষ্ঠানত উপস্থিত আছে। ঠিক একে সময়তে গোঁসাই গাওঁ মহকুমাৰ শ্ৰীৰামপুৰৰ ভিচিডিৰ কাৰ্যালয়ৰ, সন্মুখত এক বিশালজন - সমাগত শ্ৰী ৰামপুৰ ভিচিডিৰ অন্তৰ্গত ৭৫০জন হিতাধিকাৰীৰ প্ৰতি জনক ৯০০০ (ন হেজাৰ)টকা হিতাধিকাৰীৰ একিউণ্টত জমা হৈছে বুলি মুখ্য অতিথি তথা বিপিফৰ শ্ৰীৰামপুৰ ব্লকৰ সম্পালক মজিবৰ ৰহমানে প্ৰকাশ কৰে। ভিচিডিৰ সভাপতিত্বত পৰিচালিত সভাখনতমুখ্য অতিথি জনে কয় যে, আজিৰ এই বিশেষ দিনটোত অৰুণোদয় ৩.০ৰ অধীনত ৩৯, ৭ লাখ হিতাধিকাৰীক ৯, ০০০ টকাকৈ প্ৰদান কৰা হৈছে। উল্লেখ্য যে ২০২০ চনৰ আগষ্ট মাহত প্ৰথম পৰ্যায়ত অৰুণোদয় আঁচনি মুকলি কৰা হৈছিল। গুৰুত্বপূৰ্ণ বিষয় হ'ল, এই আচঁনিৰ দ্বাৰা ঘৰ খনৰ মহিলা সবলীকৰণৰ, তৃতীয় লিংগৰব্যক্তি, দিব্যাংগ, বিধবা মহিলা, অতিকৈ দৰিদ্ৰ মহিলাৰ, গুৰুতৰ ৰোগত আক্ৰান্ত ব্যক্তিৰ বাবে বেংক একাউণ্ট পোনে পোনে আৰ্থিক সাহায্য হস্তান্তৰ কৰাৰ প্ৰদ্ধতি। প্ৰণিধানযোগ্য যে এই আচঁনি দেশৰ ভিতৰত ৰাজ্য চৰকাৰৰ পুজিৰে পৰিচালিত (DBT )এক অন্যতম প্ৰদ্ধতি। Direct Benefit transfer, ই হিতাধিকাৰিৰ কল্যাণ হিচাপে পৰিগণিত হৈছে। আজিৰ এই বিশেষ দিনটোত গুৱাহাটীত কেন্দ্ৰীয় অনুষ্ঠানৰ লগতে শ্ৰী ৰামপুৰ ভিচিডি চিৰ অনুৰূপ কাৰ্যসুচিত, শ্ৰীৰামপুৰ ভিচিডিচিৰ সভাপতি পেনিহাছ হেম্ব্ৰম, হাতীধুৱা উন্নয়ন খণ্ডৰ অভিযন্তা ৰাজিৱ দাস, যোগেশ বৰ্মণ আৰু স্থানীয় সমাজ সচেতন ব্যক্তি সকল উপস্থিত থাকি সভাখন সাফল্য মণ্ডিত কৰি তোলে।

২৫টা পঞ্চায়ত এলেকা অতিক্ৰম কৰি বৃহৎ ইফটাৰ পাৰ্টি ৰাইজৰ দলৰ

# ধিং সমষ্টিৰ তাতিকটাৰ পৰা ৰাইজৰ দলৰ জনজাগৰণ যাত্ৰা

**অসম বাৰ্তা, ভূৰাগাঁও, ১০ মাৰ্চ ঃ** আজি ৰাইজৰ দলৰ উদ্যোগত ধিং সমষ্টিৰ অন্তৰ্গত তাঁতিকটাৰ পৰা এক জনজাগৰণ যাত্ৰা আৰম্ভ কৰি সমগ্ৰ ধিং সমষ্টিত এক কাৰ ৰেলীৰে চমক সৃষ্টি কৰে দল টোৰ কৰ্মী সকলে। ২০২৬ৰ নিৰ্বাচনত ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ কবলৰ পৰা ধিং সমষ্টিক উদ্ধাৰ কৰা লক্ষ্যৰে এই জনজাগৰণ যাত্ৰা আজি শুভাৰম্ভ কৰে ৰাইজৰ দলৰ ধিং সমষ্টিৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে। উল্লেখ্য যে যোৱা ২০ বছৰে ধিং সমষ্টিটো এ আই ইউ ডি এফৰ দখলত আছে। বিগত ২০ বছৰত সমষ্টিটোৰ উন্নয়ন একেবাৰে স্তব্ধ হৈছে। ৰাইজৰ দলৰ ধিং সমষ্টিৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে সংবাদ মাধ্যমত আজি প্ৰতিক্ৰীয়া প্ৰকাশ কৰি কয় যে- যোৱা ২০ বছৰে কেৱল ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ সহায়ত সংখ্যালঘু ভোটাৰ সকলক আভুৱা ভাৰি দল টোৱে সমষ্টিটো দখল কৰি আহিছে। ক্ৰমে ২০০৬, ২০১১ আৰু ২০১৬ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীক পৰাজিত কৰি এ আই ইউ ডি এফে দখল কৰিছিল সমষ্টিটো। যাৰ বাবে ২০২১ চনত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ মিত্ৰতা হোৱাত নিশ্চিত পৰাজয়ৰ কথা জানি সমষ্টিটো পুনৰ কংগ্ৰেছ দলে এ আই ইউ ডি এফক এৰি দিছিল নিৰ্বাচন খেলিবলৈ। তেনে সময়ত নতুনকৈ গঠন হোৱা ৰাইজৰ দলে এ আই ইউ ডি এফৰ প্ৰাৰ্থী আমিনুল ইছলামৰ বিৰুদ্ধে নিৰ্বাচন যুদ্ধত নামি সমষ্টিবাসীক ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ কবলৰ পৰা ৰক্ষা কৰাৰ চেষ্টা কৰিছিল। তেতিয়াৰ পৰা ৰাইজৰ দলে সেই চেষ্টা অব্যাহত ৰাখিছে সমষ্টিটোত। আৰু আগন্তুক ২০২৬ ৰ নিৰ্বাচনত ধিং সমষ্টিক এই ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ পৰা যিকোনো প্ৰকাৰে উদ্ধাৰ কৰিব লাগিব। এয়া ৰাইজৰ দলৰ সংকল্প। আজিৰ পৰা আনুষ্ঠানিক ভাৱে সমষ্টিটোত আৰম্ভ কৰা হৈছে এই জনজাগৰণ যাত্ৰা। আজি প্ৰথম দিনা এই জনজাগৰণ যাত্ৰাই ধিং সমষ্টিৰ প্ৰতিটো পঞ্চায়ত স্পৰ্শ কৰে। আৰু অনাগত দিনত এই জনজাগৰণ যাত্ৰা সমষ্টি টোৰ প্ৰতিটো পঞ্চায়তৰ প্ৰতিখন গাঁৱৰ প্ৰতিটো চুবুৰিত চলিব। উল্লেখ্য যে ধিং সমষ্টিৰ মুঠ ২৫টা পঞ্চায়ত এলেকা আজি জনজাগৰণ যাত্ৰাৰ ৰেলিয়ে স্পৰ্শ কৰে। পুৱাৰ পৰা কাৰ ৰেলিৰে চলোৱা এই জনজাগৰণ যাত্ৰা আবেলি সামৰণী পৰে কান্ধুলিমাৰী মাথখলা বজাৰত।জন জাগৰণ যাত্ৰাৰ ৰেলী সামৰি ৰাইজৰ দলৰ কৰ্মী সকলে কান্ধুলিমাৰী মাথখলা বজাৰৰ জামেমছজিদ প্ৰাঙ্গনত সহস্ৰাধিক লোকৰ উপস্থিতিত এটি বৃহৎ ইফটাৰ পাৰ্টিত অংশগ্ৰহণ কৰে।

# কামৰূপত ধঁপাত জাতীয় সামগ্ৰীৰ ব্যৱহাৰ নিয়ন্ত্ৰণ সম্পৰ্কীয় সজাগতা সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ মাৰ্চ ঃ** ধঁপাতজাতীয় সামগ্ৰীৰ ব্যৱহাৰ নিয়ন্ত্ৰণ সম্পৰ্কীয় এক সজাগতা সভা মঙ্গলবাৰে কামৰূপ জিলাৰ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। কামৰূপ জিলা স্বাস্থ্য সমিতি আৰু কামৰূপ জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আয়োজিত সভাত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত মণিকা বৰগোহাঁই উপস্থিত থাকে। সভাত বক্তব্য ৰাখি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনত ধঁপাত জাতীয় সামগ্ৰীৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰি কামৰূপ জিলাক এক ধঁপাতমুক্ত জিলাৰূপে গঢ়ি তোলাৰ বাবে সকলোৰে দায়বদ্ধতাৰে কাম কৰিব লাগিব বুলি উল্লেখ কৰে। তেওঁ লগতে উল্লেখ কৰে যে কামৰূপ জিলাত সংহত জিলা আয়ুক্ত কাৰ্যালয়কে ধৰি সকলো চৰকাৰী কাৰ্যালয়ৰ লগতে সকলো চৰকাৰী/ বেচৰকাৰী শিক্ষানুষ্ঠান, প্ৰতিষ্ঠানত ধঁপাত জাতীয় সামগ্ৰীৰ সেৱন নিষিদ্ধ কৰাৰ আদেশ জাৰি কৰাৰ লগতে উক্ত নিষেধাজ্ঞা উলংঘা কৰা লোকক জৰিমনা বিহাৰ দিশতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অৱশ্যে এই দিশত সম্পূৰ্ণ সফলতা লাভৰ বাবে যুৱচামৰ মাজত বিশেষকৈ ১৮ ৰ পৰা ৩০ বছৰীয়া যুৱক-যুৱতীসকলক ধঁপাত জাতীয় সামগ্ৰী সেৱনৰ ভয়াৱহতা সম্পৰ্কে সজাগ কৰাৰ প্ৰয়োজনীয়তা আছে। মঙ্গলবাৰৰ সভাত অসম স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ ধঁপাত নিয়ন্ত্ৰণ কোষৰ ৰাজ্যিক ন'ডেল বিষয়া ডাঃ প্ৰদীপ দাস, ডাঃ ভুৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটীৰ মূৰ আৰু ডিঙিৰ অস্ত্ৰোপচাৰ বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ অশোক কুমাৰ দাস, অসম স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ এইচ ই বি নৱশ্ৰী গগৈয়ে ধঁপাতৰ সেৱনৰ ভয়াৱহতা, ধোৱাযুক্ত আৰু ধোৱাহীন ধঁপাত জাতীয় সামগ্ৰীত থকা বিষাক্ত ৰাসায়নিক দ্ৰব্য, ইয়াৰ ফলত হ'ব পৰা বিভিন্ন মাৰাত্মক ৰোগ, ধঁপাত মুক্ত শিক্ষানুষ্ঠানৰ বাবে থকা নিয়মাৱলী, চিগাৰেট আৰু অন্যান্য ধঁপাতজাতীয় সামগ্ৰী আইন, ২০০৩ৰ আদিৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। সভাত কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অজিত দাস, জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ ন'ডেল বিষয়া ডাঃ অৰবিন্দ দাস, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান মিচনৰ জিলা প্ৰকল্প বিষয়া স্মিতা শইকীয়া, ডি এম ই নীলাক্ষী মেধিৰ উপৰিও বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা কামৰূপ জিলা স্বাস্থ্য ছ'চাইটীৰ অধ্যক্ষ দেৱ কুমাৰ মিশ্ৰই এক নিৰ্দেশযোগে কাৰ্যালয় পৰিসৰত এক পৰিষ্কাৰ আৰু সুস্থ কৰ্মৰ পৰিবেশ বজাই ৰাখিবলৈ কাৰ্যালয়ৰ চৌহদৰ ভিতৰত যিকোনো ধঁপাতজাতীয় সামগ্ৰীৰ ব্যৱহাৰ আৰু সেৱনত কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা কাৰ্যালয়ৰ চৌহদৰ ভিতৰত আৰু বাহিৰত ধঁপাতজাতীয় সামগ্ৰী ব্যৱহাৰ আৰু গ্ৰহণ কৰা যেনে- ধূমপান কৰা, ধঁপাতজাতীয় সামগ্ৰী খোৱা বা পিক পেলোৱাত কঠোৰভাৱে বাধা আৰোপ কৰিছে। এই নিষেধাজ্ঞা সকলো বিষয়া-কৰ্মচাৰী, বিভিন্ন কামত অহা লোক, ঠিকাদাৰ আৰু কাৰ্যালয় চৌহদত উপস্থিত থকা সকলো ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। উক্ত নিৰ্দেশটোত বিভাগীয় মূৰব্বী তথা চৌহদৰ দায়িত্বত থকা বিষয়াক কাৰ্যালয় চৌহদৰ ভিতৰত এই নিৰ্দেশনা সম্পূৰ্ণৰূপে পালন কৰাৰ বাবে দায়বদ্ধ কৰা হৈছে। এই নিৰ্দেশনা বলৱৎ কৰাত ব্যৰ্থ হ'লে বিভাগৰ মূৰব্বীগৰাকীক বা চৌহদৰ দায়িত্বত থকা বিষয়াগৰাকীক সম পৰিমাণৰ জৰিমনা বিহা হ'ব। উক্ত নিৰ্দেশটোত সকলো বিভাগৰ মূৰব্বী বিষয়াসকলক নিজ নিজ কাৰ্যালয়ৰ ভিতৰত এই নিৰ্দেশনা সম্পূৰ্ণৰূপে পালন কৰাৰ বাবে দায়বদ্ধ কৰা হৈছে। এই নিৰ্দেশনাৰ পালন নিশ্চিত কৰিবলৈ নিয়মীয়াকৈ কাৰ্যালয়সমূহ পৰিদৰ্শন কৰা হ'ব আৰু এই নিৰ্দেশনা পালন কৰাত ব্যৰ্থ হোৱা সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কামৰূপ জিলাৰ সকলো চৰকাৰী বিভাগৰ মূৰব্বী বিষয়া সকলে বাধ্যতামূলকভাৱে ধঁপাত সেৱন, ক্ৰয়-বিক্ৰয়ৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাৰ বলবৎকৰণৰ লিখিত প্ৰতিবেদন দাখিল কৰিব লাগিব আৰু যদি এই নিষেধাজ্ঞা উলংঘা হয়, তেনেক্ষেত্ৰত উলংঘা কৰা ব্যক্তিসকলৰ ভিডিঅ' ক্লিপ আয়ুক্ত কাৰ্যালয়ত দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে।

গীতি সাহিত্যই হ'ল সমাজ পৰিৱৰ্তনৰ আমোঘ অস্ত্ৰ ঃ অনুৰাধা শৰ্মা পূজাৰী

# মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত মনোজ্ঞ বক্তৃতা অনুষ্ঠান সম্পন্ন




**অসম বাৰ্তা, মাজুলী, ১০ মাৰ্চ ঃ** "ড° ভূপেন হাজৰিকাই প্ৰত্যেকটো গীতৰ জৰিয়তে সমন্বয়ৰ কথা কৈছে, মানৱতাৰ কথা কৈছে। তেওঁ বহু দেশ ঘূৰি তাত গৃহ দাস দেখিছে। সেইয়া দেখি তেওঁ কান্দিছে। এই সমগ্ৰ কথাবোৰ পৃথিৱীৰ পৰা নাইকিয়া কৰিবৰ কাৰণে তেওঁ গীতক শক্তিশালী অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰিছে। এইয়াই তেখেতৰ গীতৰ মাহাত্ম্য।" আজি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত বক্তৃতা অনুষ্ঠান আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে মুখামুখি শৈক্ষিক বাৰ্তালাপ অনুষ্ঠানৰ মূল বিষয়- ড° ভূপেন হাজৰিকাৰ গীতি সাহিত্যত সমন্বয়ৰ বাৰ্তা' শীৰ্ষক বিষয়ত এইদৰে কয় সমল ব্যক্তি বিশিষ্ট সাহিত্যিক তথা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অনুশীলন প্ৰাধ্যাপক অনুৰাধা শৰ্মা পূজাৰীয়ে। ভাষণত বিশিষ্ট লেখিকা গৰাকীয়ে কয় - আমি আজিও দাসত্ব দেখিছো। বহু ছোৱালীক মাৰপিট খোৱা দেখিছোঁ। এই সমগ্ৰ কথাবোৰ সমাজৰ পৰা নিৰ্মূল কৰাৰ বাবে ড° ভূপেন হাজৰিকাই গীতৰ আশ্ৰয় লৈছে। তাৰ পৰা তেওঁ মানুহৰ হৃদয় জিনিবলৈ সক্ষম হৈছে। গীতেই হৈছে সমাজ সলনি কৰা, সমাজ পৰিবৰ্তন কৰাৰ আমোঘ অস্ত্ৰ। যি আটাইতকৈ ক্ষিপ্ৰতাৰে মানুহৰ কাষলৈ যাব পাৰে আৰু হৃদয়ৰ পৰা হৃদয়লৈ তৎক্ষণাত যাব পৰা অস্ত্ৰই হ'ল গীত। সেইটোৱেই হৈছে গীতি সাহিত্যৰ আটাইতকৈ শক্তিশালী বাৰ্তা বুলি উল্লেখ কৰা বিষয়বস্তুৰ ওপৰত তত্ত্বগধুৰ ভাষণেৰে সকলোকে মুগ্ধ কৰে বিশিষ্ট লেখিকা গৰাকীয়ে। নতুন শৈক্ষিক ভৱনত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানৰ পুৰা অসমীয়া বিভাগীয় প্ৰধান ড° উৎপল নাৰায়ণ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ শৈক্ষিক পৰিষদৰ সদস্য প্ৰদীপ পূজাৰী, ড° আনন্দ হাজৰিকা আৰু ড° ৰাজেন বৰাই। তাৰ পৰৱৰ্তী সময়ত বক্তৃতানুষ্ঠান উদ্বোধন কৰে উপাচাৰ্য ড° নিৰোদ বৰুৱাই। অনুষ্ঠানত মাজুলীৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে বিশ্ববিদ্যালয় পৰিয়াল সমূহ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। বিয়লি মাজুলী ফাউণ্ডেচনৰ উদ্যোগত আয়ম অকুম ৰিজৰ্টত অনুষ্ঠিত হোৱা মাজুলীৰ সাহিত্যানুৰাগী সকলৰ সৈতে এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিশিষ্ট লেখিকা গৰাকীয়ে সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰি মতবিনিময় কৰে।

# মাজদিয়া-গৰেমাৰীৰ আদৰ্শ নাগৰিক আলহাজ আব্দুল গণিৰ বিয়োগত শোকৰ ছাঁ

**অসম বাৰ্তা, বৰপেটা সদৰ, ১০ মাৰ্চ ঃ** পূব বৰপেটাৰ মাজদিয়া-গৰেমাৰীৰ আদৰ্শ নাগৰিক, ধৰ্মপৰায়ণ তথা বয়োজ্যেষ্ঠ ব্যক্তি আলহাজ আব্দুল গণিয়ে বাৰ্ধক্যজনিত কাৰণত ইহলীলা সম্বৰণ কৰে। ৮ মাৰ্চ, ৰবিবাৰে তেখেতে ৯২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ চাৰিজনকৈ উচ্চ শিক্ষিত ল'ৰা, দুইজনী জী-জোৱাইৰ লগতে উচ্চশিক্ষিত নাতিন-নাতিনী, বোৱাৰী অসংখ্য, আত্মীয় স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে। মাজদিয়া গৰেমাৰী জামে মছজিদ কবৰস্থানত কেইবা শতাধিক লোকৰ উপস্থিতিত তেখেতৰ জানাজা সম্পন্ন হয়। তেখেতৰ মৃত্যুত মাজদিয়া অঞ্চলৰ বিভিন্ন সামাজিকঅনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ লগতে জাতীয় ঐতিহ্য সুৰক্ষা সমিতি, ভেল্লাৰ সভাপতি আজিজুল হক আৰু সাধাৰণ সম্পাদক চাইজুৰ ৰহমান, গৰিয়া মৰিয়া দেশী জাতীয় জাতীয় পৰিষদ, গৰিয়া জাতীয় পৰিষদকে ধৰি বিভিন্ন দল-সংগঠন আৰু বিভিন্ন ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকাহত পৰিয়াললৈ সমবেদনা জনায়। মাজদিয়াবাসী ৰাইজে এগৰাকী অতি প্ৰতিভাৱান, দক্ষ তথা সমাজহিতৈষী ব্যক্তিক হেৰুওৱা অনুভৱ কৰে। উল্লখ্য যে প্ৰয়াত আলহাজ আব্দুল গণি সংবাদসেৱী, নিৱন্ধকাৰ, কবি উৱাজউদ্দিন আহমেদৰ পিতৃ তথা যুৱ সমাজকৰ্মী, বিজেপি দলৰ নেতা, চেঙা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী নজমুল হকৰ ককা।

# তিনিখনকৈ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন বিধায়ক সুশান্ত বৰগোহাঁইৰ




**অসম বাৰ্তা, ডিমৌ, ১০ মাৰ্চ ঃ** ডিমৌ সমষ্টিৰ শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ লক্ষ্যৰে সমষ্টিটোৰ তিনিখনকৈ বিদ্যালয়ত শৈক্ষিক আন্তঃগাঁথনি উন্নয়নমূলক কামৰ শুভাৰম্ভ কৰে বিধায়ক সুশান্ত বৰগোহাঁইয়ে। জনজাতি কল্যাণ বিভাগৰ উদ্যোগত ৰূপায়িত হ'বলগীয়া এই প্ৰকল্পসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকল বিশেষভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে। বিধায়কগৰাকীয়ে কালি ডিমৌস্থিত ১০৮ নং লাইবিল নিম্ন প্ৰাথমিক বিদ্যালয়ত ১৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া অতিৰিক্ত শ্ৰেণীকক্ষৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে তেওঁ জামিৰা ৰজাবাৰী চৰকাৰী বিদ্যালয়ত ১৮ লাখ টকা ব্যয়েৰে নিৰ্মিত এটা অতিৰিক্ত শ্ৰেণীকক্ষ আনুষ্ঠানিকভাৱে মুকলি কৰে। নৱনিৰ্মিত এই শ্ৰেণীকক্ষটোৱে ছাত্ৰ-ছাত্ৰীসকলক উন্নত পৰিৱেশত শিক্ষা গ্ৰহণত সহায় কৰিব বুলি বিধায়কগৰাকীয়ে দৃঢ় বিশ্বাস প্ৰকাশ কৰে। একেটা দিনতে বিধায়ক বৰগোহাঁইয়ে ধাইবাৰী মধ্য ইংৰাজী বিদ্যালয়তো উপস্থিত হয়। তাত তেওঁ ২০২৫-২৬ বৰ্ষৰ জনজাতি কল্যাণ বিভাগৰ উদ্যোগত ১৯, ৯৯, ০০০ টকা ব্যয় সাপেক্ষে আন্তঃগাঁথনি উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰে।

# নাজিৰাকে ধৰি অসমৰ ২৯টা বিধান সভা সমষ্টিত চাহ জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ


## বিজেপিৰ ৰাজ্যিক সভাপতিলৈ দাবীপত্ৰ প্ৰেৰণ

**অসমবাৰ্তা, নাজিৰা, ১০ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনলৈ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন দল-সংগঠনে নিৰ্বাচনী প্ৰচাৰ কাৰ্য তুংগত কৰি তুলিছে। তেনে সময়তে বিভিন্ন জাতি-জনগোষ্ঠীয় লোক বছৰ বছৰ ধৰি ৰাজনৈতিক শোষণ-বঞ্চনা হৈ অহা বুলি অভিযোগ তুলি ইয়াৰ বিৰুদ্ধে সৰৱ হৈ পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ অসমৰ বিভিন্ন প্ৰান্তত চাহ জনগোষ্ঠীৰ লোকে সুদীৰ্ঘকাল নিৰ্বাচনত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে যদিও এই জনগোষ্ঠীটোৰ জনসংখ্যা অনুপাতে প্ৰতিনিধিৰ সংখ্যা কম হোৱা বুলি মুকলি অভিযোগ উঠিছে। অহা এপ্ৰিল মাহত অনুষ্ঠিত হ'ব লগা অসম বিধানসভা নিৰ্বাচনত শিৱসাগৰ জিলাৰ নাজিৰা বিধান সভা সমষ্টি, চৰাইদেউৰ সোণাৰি সমষ্টি, তিনিচুকীয়াৰ ডুমডুমা, ডিগবৈ, তিনিচুকীয়া, মাকুম, ডিব্ৰুগড় জিলাৰ দুলীয়াজান, চাবুৱা-লাহোৱাল, খোৱাং, টিংখাং সহিতে ২৯টা বিধান সভা সমষ্টি চাহ জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ বাবে দাবী উত্থাপন কৰিছে " অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা'ই। মহাসভাৰ শিৱসাগৰ জিলা সমিতিয়ে এই দাবী উথ্থাপন কৰি বি জে পিৰ অসম ৰাজ্যিক সমিতিলৈ এখনি দাবী পত্ৰ প্ৰেৰণ কৰিছে। মহাসভাৰ শিৱসাগৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিজয় ভূমিজ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মহেশ বাগতিয়ে বি জে পিৰ ৰাজ্যিক সভাপতিলৈ প্ৰেৰণ কৰা দাবী পত্ৰত উল্লেখ কৰিছে যে অসমৰ ৰাজনৈতিক ইতিহাসত চাহ জনগোষ্ঠী আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ দীঘলীয়া সম্পৰ্কৰ কথা সৰ্বজনবিদিত। অসমৰ চাহ জনগোষ্ঠী আদিবাসী লোকসকল সামগ্ৰিকভাৱে সকলো দিশতে যথেষ্ট পিচপৰা। অসম বিধানসভা নিৰ্বাচনত বহুকেইটা সমষ্টিত চাহ জনগোষ্ঠীয় লোকে নিৰ্ণায়ক আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিন্তু বিধান সভাত চাহ জনগোষ্ঠীয় লোকৰ জনপ্ৰতিনিধিৰ সংখ্যা পৰ্যাপ্ত নহয়। অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাই শিৱসাগৰ জিলাৰ নাজিৰা বিধান সভা সমষ্টি, চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিৰ পৰা এইবাৰৰ বিধান সভা নিৰ্বাচনত চাহ জনগোষ্ঠীয় লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী জনায়। মহাসভাই তিনিচুকীয়া জিলাৰ ডুমডুমা, ডিগবৈ, তিনিচুকীয়া, মাকুম সমষ্টি, ডিব্ৰুগড় জিলাৰ দুলীয়াজান, চাবুৱা - লাহোৱাল, খোৱাং আৰু টিংখাং সমষ্টিৰ পৰা চাহ জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ পোষকতা কৰিছে। সেইদৰে যোৰহাট জিলাৰ তিতাবৰ, মৰিয়ণি, গোলাঘাট জিলাৰ খুমটাই, সৰুপথাৰ আৰু বোকাখাত সমষ্টি চাহ জনগোষ্ঠী লোকক এৰি দিয়াৰ দাবী জনাইছে। নগাঁও জিলাৰ কলিয়াবৰ, শোণিতপুৰ জিলাৰ ৰঙাপৰা, বিশ্বনাথ, বৰছিলা, ঢেকীয়াজুলি সমষ্টি, লখিমপুৰ জিলাৰ ৰঙানদী সমষ্টি, ওদালগুৰি জিলাৰ মাজবাট সমষ্টি, কোকৰাঝাৰ জিলাৰ গোচাইগাওঁ, কাছাৰ জিলাৰ বৰখলা, কাটিগৰা, ওদাৰবন্দ আৰু লক্ষ্মীপুৰ সমষ্টি, হাইলাকান্দি জিলাৰ হাইলাকান্দি সমষ্টি, শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টি আদি চাহ জনগোষ্ঠীয় লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী জনাইছে মহাসভাই। মহাসভাৰ এক সূত্ৰে জনোৱা মতে নাজিৰা বিধানসভা সমষ্টিত চাহ জনগোষ্ঠীৰ ভোটাৰ সংখ্যা ৭৫ হেজাৰৰোধিক। আনহাতে সোণাৰি সমষ্টিত ৮০ হেজাৰৰোধিক চাহ জনগোষ্ঠীৰ ভোটাৰ আছে। অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ কেন্দ্ৰীয় সমিতিয়ে গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিত চাহ জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব প্ৰদানৰ বিষয়টো অতি গুৰুত্বসহকাৰে বিবেচনা কৰি ৰাজ্যিক বি জে পি দলক কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। অন্যথা চাহ জনগোষ্ঠীৰ ভোটাৰে বিজেপিক সঁহাৰি নজনাবলৈ চাহ জনগোষ্ঠীৰ জনগণক আহ্বান জনাইছে।

# প্ৰায় ৩৮ কোটি টকাৰ ব্যয়ে নিৰ্মিত মাজুলী জিলা বিজ্ঞান কেন্দ্ৰৰ উদ্বোধন

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ১০ মাৰ্চ ঃ** মাজুলীৰ প্ৰাক্তন বিধায়ক তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত কমলাবাৰী-আউনীআটী পথত ৩৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মাজুলী জিলা বিজ্ঞান কেন্দ্ৰটো আজি শুভ উদ্বোধন হয়। সোণাপুৰত বিজ্ঞান নগৰী উদ্বোধনৰ লগতে আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ পাঁচখন জিলাৰ বিজ্ঞান কেন্দ্ৰ ডিজিটেল মাধ্যমৰ দ্বাৰা ভাৰ্চুৱেল উদ্বোধন কৰে। সেই উপলক্ষে আজি দিনৰ ১২ বজাত মাজুলী জিলা বিজ্ঞান কেন্দ্ৰ উদ্বোধনী অনুষ্ঠানত মাজুলীৰ বিধায়ক ভুৱন গাম, আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে নাৰিকল ভাঙি আৰু ফিতা কাটি শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ ডেপুটি চেকেটাৰী সীমা কুমাৰী, মাজুলী জিলা আৰক্ষী উপ অধীক্ষক ৰাজশ্ৰী ধনদিয়া, অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদৰ বিষয়া ৰিতুপৰ্ণ দাস, অসম প্ৰযুক্তি বিদ্যাৰ অন্তৰ্গত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উজনি মাজুলীৰ সমন্বয়ক জয়ন্ত মাধৱ কলিতা, মাজুলী ব্লক সমন্বয়ক বিকাশ বৰা, যোৰহাট তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰৰ পৰা ড° দুশমন্ত দত্ত উপস্থিত থাকে। কুলদীপ হাতীমতাই আত ধৰা উদ্বোধনী অনুষ্ঠানত মাজুলীৰ বিধায়ক ভুৱন গামে মাজুলীত বিজ্ঞান কেন্দ্ৰটি স্থাপন কৰাৰ ফলত জিলাখনৰ ছাত্ৰ ছাত্ৰীৰ দীৰ্ঘদিনিয়া এক অভাৱ পূৰণ হোৱাৰ উপৰিও প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত বাট মুকলি কৰিব বুলি আশা প্ৰকাশ কৰে। অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ় লোৱা আৰু বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হাতত লৈছে। সম্প্ৰতি মহাকাশ বিজ্ঞান অধ্যয়ন কৰাটো এক গৌৰৱৰ বিষয় হিচাপে বিবেচিত হৈছে। সুনীতা উইলিয়ামছ, কল্পনা চাওলা আদি মহাকাশচাৰীসকলৰ মহাকাশ যাত্ৰাই সকলোকে উদ্বুদ্ধ কৰি তুলিছে। আজিৰ এই মাজুলী জিলা বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ উন্মোচন ইয়াৰ এক গুৰুত্বপূৰ্ণ অংশ তথা বিজ্ঞানৰ জয়যাত্ৰাৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব বুলি উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২০১৮ চনতে আৰম্ভ কৰা অভিলাষী প্ৰকল্পটো অতি লেহেমীয়া গতিত কাম কৰা বাবে নিদ্ধাৰিত সময় উকলি যোৱাৰ পিছতো মুল প্ৰশাসনিক ভৱন আৰু বিজ্ঞান কেন্দ্ৰটিৰ বাদে বাকী মিউজিয়ামকে ধৰি বহু কেইটা গুৰুত্বপূৰ্ণ ভৱন নিৰ্মাণ সম্পূৰ্ণ নোহোৱাকৈ উদ্বোধন কৰে। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত অৰ্ধনমিত ভৱন উদ্বোধন কৰা বিষয়টো নিৰ্বাচনৰ ধামাকা বাদে একো নহয় বুলি ৰাইজে সমালোচনা কৰিছে। একেদৰে নামনি মাজুলীৰ চেলেক ধুনাগুৰি মাজুলীৰ অংশ লুইতৰ বুকুত নিৰ্মাণ হোৱা দলংখন উদ্বোধন কৰে যদিও আজিলৈকে যাতায়তৰ সূচল নহ'ল। তদুপৰি মাজুলীত নিৰ্মাণ ৰত বিদ্যালয়ৰ কাম শেষ নোহোৱাকৈয়ে উদ্বোধন কৰা বিষয়টো ৰাইজৰ মাজত অধিক চৰ্চা অব্যাহত আছে। এনে ধৰণৰ বহু আধৰুৱা কাম উদ্বোধন কৰি নিৰ্বাচনত সহায় কৰাত কৈ মাজুলীত বিৰূপ প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। আধৰুৱা কাম চৰকাৰ সলনি হ'লে বহু বছৰ ধৰি এলাগী হৈ থকাৰ উদাহৰণ বহুতো আছে। সেয়েহে ৰাইজে বাকী থকা কামবোৰ ক্ষিপ্ৰতাৰে কৰি সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে।

# শিল্পী চেতনা দাসক 'পাঞ্চজন্য সন্মান-২০২৬' প্ৰদান



**অসম বাৰ্তা, পাথৰিঘাট, ১০ মাৰ্চ ঃ** অসমৰ জনপ্ৰিয় শিল্পী অভিনেত্ৰী চেতনা দাসক আগবঢ়োৱা হয় 'পাঞ্চজন্য সন্মান-২০২৬'। দৰঙৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান পাঞ্চজন্য আঞ্চলিক সাংস্কৃতিক গোষ্ঠীয়ে মঙলবাৰে প্ৰদান কৰে এই সন্মান। মূলতঃ সাংস্কৃতিক ক্ষেত্ৰ খনলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ বাবে এই স্বীকৃতি শিল্পী গৰাকীলৈ। পশ্চিম দৰঙৰ বৰবড়ীত ৰাজহুৱা ভাবে প্ৰদান কৰা হয় এই সন্মান। জ্যেষ্ঠ সাংবাদিক লক্ষ্যধৰ শইকীয়াই আতঁধৰা সন্মান প্ৰদান অনুষ্ঠান বিশেষ ভাবে উপস্থিত থাকে বুঢ়া গাঁও পঞ্চায়তৰ সভানেত্ৰী সৰজু নাথ, বোনমাঝা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি, সাংস্কৃতিক কৰ্মী উদ্ধৱ ডেকা, বুঢ়া শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য্য ধ্ৰুৱজ্যোতি মহন্ত, সাংবাদিক লোকেশ্বৰ নাথ আৰু কুতুবুদ্দিন আলি। পাঞ্চজন্য বঁটা প্ৰদানৰ লগত সংগতি ৰাখি গোষ্ঠীৰ আখৰা শিবিৰো মুকলি কৰা হয়। উল্লেখ ২০১৮ চনত গঠন হোৱা পঞ্চাজন্য সাংস্কৃতিক গোষ্ঠীয়ে অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰি ইতিমধ্যে প্ৰশংসা লাভ কৰিছে বিভিন্ন মঞ্চত। প্ৰতিশ্ৰুতি সম্পন্ন এদল সাংস্কৃতিক ৰণুৱাৰ এক সংঘবদ্ধ মঞ্চ হল পাঞ্চজন্য আঞ্চলিক সাংস্কৃতিক গোষ্ঠী।

## নাৰী দিৱস উপলক্ষে শদিয়াত আমান ছ'চিয়েল ৱেলফেয়াৰ ফাউণ্ডেশ্যনৰ উদ্যোগত মহিলা সজাগতা কাৰ্যসূচী

**অসম বাৰ্তা, শদিয়া, ১০ মাৰ্চ ঃ** আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে যোৱা ৮ মাৰ্চত আমান ছ'চিয়েল ৱেলফেয়াৰ ফাউণ্ডেশ্যনৰ উদ্যোগত শদিয়াৰ ঘূৰমৰা গাঁৱত মহিলা সজাগতা আৰু ক্ষমতায়নৰ বিষয়ত এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত অঞ্চলটোৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু মহিলাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত বক্তব্য ৰাখি সংস্থাৰ পৰিচালক ছফিকুৰ ৰহমানে কয় যে যেতিয়া মহিলাসকল শিক্ষিত আৰু শক্তিশালী হ'ব তেতিয়া কেৱল এখন ঘৰেই নহয়, সম্পূৰ্ণ সমাজো শক্তিশালী হ'ব। তেওঁ লগতে কয় যে মহিলাসকলৰ শিক্ষা আৰু সজাগতা সমাজৰ উন্নয়নৰ বাবে অতি প্ৰয়োজনীয় আৰু এই উদ্দেশ্যেৰে ফাউণ্ডেশ্যনে বিভিন্ন সামাজিক কাম কৰি আহিছে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হাৰমুজ আলিয়ে অনুষ্ঠানত উপস্থিত থাকি শিক্ষাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি কয় যে সমাজৰ উন্নতিৰ বাবে ছোৱালীৰ শিক্ষাক উৎসাহিত কৰা অতি প্ৰয়োজনীয়। অনুষ্ঠানত মনালিছা গগৈয়ে মহিলাসকলৰ আত্মবিশ্বাস আৰু সামাজিক দায়িত্বৰ ওপৰত নিজৰ মতামত প্ৰকাশ কৰি মহিলাসকলক আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। ইয়াৰ উপৰিও ৰূপৰেখা গগৈয়ে নিজৰ ভাষণত মহিলাসকলক শিক্ষা আৰু সজাগতাৰ দিশত গুৰুত্ব দিবলৈ আহ্বান জনায়। আনহাতে মিনতি কছাৰীয়ে কয় যে সমাজত ইতিবাচক পৰিৱৰ্তন আনিবলৈ সকলোৱে মিলিত প্ৰচেষ্টা অতি প্ৰয়োজনীয়। ফাউণ্ডেশ্যনৰ সদস্যা ভৱানী কোঁচে কয় যে যেতিয়া মহিলাসকল শক্তিশালী আৰু ক্ষমতাশালী হ'ব তেতিয়া আমাৰ ঘৰ, আমাৰ গাঁও আৰু সমগ্ৰ সমাজো শক্তিশালী হ'ব। অনুষ্ঠানৰ উপস্থিত লোকসকলে ফাউণ্ডেশ্যনৰ এই পদক্ষেপক প্ৰশংসা কৰা লগতে এনে ধৰণৰ কাৰ্যসূচীয়ে সমাজত সজাগতা আৰু ইতিবাচক পৰিৱৰ্তন অনাত সহায়ক হ'ব বুলি মন্তব্য কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন